
# কাঁথি কলেজ আলোচনী



উনবিংশ সংখ্যা

১৮৮৭ শক

# কানৈ কলেজ আলোচনী

সম্পাদক ঃ মুকুট সিংহ ফুকন ।

ঊনবিংশ সংখ্যা ॥ বছেৰেকীয়া প্ৰকাশ ॥ ১৮৮৭ শক

# —॥ আমাৰ শ্ৰদ্ধাঞ্জলি ॥—

ভাৰতমাতৃৰ পবিত্ৰতা ৰক্ষাৰ হেতু যোৱা বছৰটোৰ ভিতৰত আমাৰ বহুতো ৰীৰজোৱানে পাক-ভাৰত সংঘৰ্ষত নিজৰ প্ৰাণ আহুতি দিবলৈ কুণ্ঠাবোধ নকৰি ৰণাঙ্গণত দেশপ্ৰেমৰ উদ্বুদ্ধৰে নিজৰ নিজৰ নাম অক্ষয় পটত ৰাখি চিৰযুগমীয়া হৈ ৰল। সেই প্ৰেৰণাৰ উৎসৰে আমাক সঞ্জীৱিত কৰি যুগে যুগে দেশপ্ৰেমৰ মন্ত্ৰেৰে উদ্বুদ্ধ কৰি ৰাখিব। মৃত মৌন জোৱানসকলৰ শোকাভিভুত পৰিয়ালবৰ্গৰ লগতে আমিও গভীৰ বেদনাৰে জৰ্জ্জৰিত হৈছোঁ। সেই সকলোৰে ওচৰত সদৌ ভাৰতবাসীয়ে চিৰকৃতজ্ঞ। তেখেতসকলৰ আত্মাই যাতে স্বৰ্গত চিৰশান্তি লাভ কৰে এয়ে আমাৰ কামনা।

ইয়াৰ উপৰিও অতি কমদিনৰ ভিতৰতে আমাৰ মাজৰ পৰা কেইজনমান যুগশ্ৰেষ্ঠ মনিষীক হেৰুৱাব লগা হোৱাটো অত্যন্ত দুখৰ কথা। সেই সকলৰ ভিতৰত চাৰ উইনষ্টন চাৰ্চ্চিল – সৰ্ব্বশ্ৰেষ্ঠ ইংৰাজ, প্ৰবীন ৰাজনীতিজ্ঞ, নোবেলবটা বিজয়ী সাহিত্যিক, অসাধাৰণ যুজাৰু, ইংল্যাণ্ডৰ ভূতপূৰ্ব্ব প্ৰধানমন্ত্ৰী জনৰ মৃত্যুত আমাৰ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ।

সৌ সিদিনা— শান্তিৰদূত ৰূপে অভিহিত আমাৰ মাননীয় প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়ে ভাৰত তথা বিশ্বৰ কল্যাণৰ হেতু শান্তি বিচাৰি শান্তিবনত আশ্ৰয় লবলগীয়া হোৱাত আমি নথৈ দুঃখীত হৈছোঁ। তেখেতৰ স্বৰ্গগত আত্মাৰ প্ৰতি আমাৰ সশ্ৰদ্ধ তৰ্পন অৰ্পন কৰিছোঁ।

যোৱা ২৪ জানুৱাৰী তাৰিখে আল্পচপৰ্ব্বতৰ মণ্ট ব্লেঙ্ক শৃঙ্গত হোৱা বিমান দুৰ্ঘটনাত বিশ্বৰ অন্যতম পৰমানবিক বৈজ্ঞানিক, ভাৰতীয় পৰমানবিক শক্তি আয়োগৰ সভাপতি ডঃ হোমি জাহাঙ্গীৰ ভাবাৰ মৃত্যুৱে আমাৰ মাজলৈ আৰু এটা শোকৰ বাৰ্ত্তা কঢ়িয়াই আনিলে। ডঃ ভাবাৰ অভাৱনীয় মৃত্যুত ভাৰতৰ বিজ্ঞান জগতৰ এক অপূৰণীয় ক্ষতি হৈ ৰল। এই পৰলোকগত জনৰ প্ৰতি আমাৰ শ্ৰদ্ধাঞ্জলি যাচিলোঁ।

## ---এই সংখ্যাৰ শিতানত—


সম্পাদকীয়

*কবিতা*

| | | |
|---|---|---|
| প্ৰাৰ্থনা ঃ যিশু বুদ্ধলৈ | ১ | শ্ৰীবীৰেন্দ্ৰ কুমাৰ গগৈ |
| অনুৰাধালৈ এটি অনুৰোধ | ২ | ,, ৰত্নমণি ফুকন |
| আমি অসহায় | ৩ | ,, নাহেন্দ্ৰ পাহ্ন |
| এই নিশা ঃ এই মন | ৪ | ,, ভূপেন পেগু |
| যুগ-বিভ্ৰাট | ৫ | ,, বসন্ত কুমাৰ ৰৰা |
| অনুৰূপা তুমি | ৭ | ,, মিঠা বৰুৱা |
| "অব্যক্ত বেদনা" | ৮ | ,, হেম মিলি |
| শ্মশানৰ বাতৰি ঃ পৃথিৱীলৈ | ৯ | ,, ৰমেশ ৰাজখোৱা |

*—গল্প—*

| | | |
|---|---|---|
| কৃষ্ণচূড়াৰ দুটি ৰঙ্ | ১১ | শ্ৰীহেমন্ত কুমাৰ দত্ত |
| ত্ৰিপদী | ১৭ | ,, খগেন্দ্ৰ নাথ পেগু |
| বীভৎস প্ৰেম আৰু মৃত্যু | ২৩ | ,, প্ৰেমানন্দ বৰুৱা |
| বোবা বেদনা | ২৯ | ,, কন্থিৰাম গোহাঁঞি |
| নিশাৰ প্ৰহৰে যদি | ৩৪ | ,, ব্ৰজেন গগৈ |
| এটি ক্ষণিকৰ দুৰ্ব্বলতা | ৪৫ | ,, নকুল চন্দ্ৰ বৰদলৈ |
| শেহ ৰাতিৰ চকুলো | ৫১ | ,, মুকুট সিংহ ফুকন |
| প্ৰশ্নোত্তৰ | ৫৫ | ,, পৰীক্ষিত হাজৰিকা |

*—প্ৰবন্ধ—*

| | | |
|---|---|---|
| সাহিত্য চৰ্চ্চা আৰু অসমীয়া জাতি | ৫৯ | ৺কমলাকান্ত ভট্টাচাৰ্য্য |
| অসমীয়া ফকৰা-যোজনাৰ চমু জৰিপ | ৬৩ | শ্ৰীখগেশ্বৰ গগৈ |
| শৰত, বসন্ত আৰু ইতিহাস | ৬৭ | ,, কৃষ্ণ গোপাল দাস |
| ৺গণেশ গগৈ ; সোঁৱৰণী | ৭৪ | ,, ফটিক চন্দ্ৰ গোহাঁই |
| শঙ্কৰদেৱৰ শিশুলীলা ঃ এটি সমীক্ষা | ৭৮ | ,, জীৱন ৰৰা |
| জীৱৰ প্ৰকাৰ ঃ | ৮৩ | অধ্যাপক ডিম্বেশ্বৰ চলিহা |
| ৰাষ্ট্ৰীয় ভাষাৰ সমস্যা | ৮৫ | এম্ ইমৰাণ আলি |
| কান্দোন ( ৰম্য ৰচনা ) | ৮৮ | শ্ৰীজগন্নাথ বৰুৱা |

# ঃ সম্পাদকীয় ঃ

*অসমীয়া সাহিত্য আৰু সাহিত্যিক* ঃ—আজিৰ পৃথিৱীখন এক বিৰাট পদক্ষেপত ভৰি দি নৱ দ্ৰুত গতিৰে আগবাঢ়িছে। মানৱৰ কোন সময়ত সম্পূৰ্ণ ইয়াৰ অৱকাশ ঘটিব তাক সঠিককৈ কোৱা টান। নৱ নৱ বিপ্লৱে আজিৰ পৃথিবীৰ মানৱক নতুন নতুন সোঁতৰ ফালে ধাৱমান কৰোৱাত ব্যতিব্যস্ত কৰি তুলিছে। কালৰ লগত ফেৰ মাৰিব নোৱাৰি বহুতো সাংস্কৃতিক ভাষা উপভাষাই জাঁজৱিত লাগি বৈ গৈছে। তাৰ হয়তো সীমা সংখ্যা নাই। মানুহ কেতিয়াও স্থবিৰ নহয়। সেইবাবে আমাৰ সমাজ ব্যৱস্থাও গতিশীল। এনে সমাজ ব্যৱস্থাৰ প্ৰভাৱে আমাৰ সাংস্কৃতিক পৰিবেশতো ছাপ নোপোৱাকৈ নেথাকে।

ঐতিহ্যপূৰ্ণ চিৰচেনেহী অসমী আইৰ সন্তান সকলেও কালৰ লগত ফেৰমাৰি সামান্যভাবে হলেও নিজৰ জাতীয় ভাষাৰ শ্ৰেষ্ঠতা ৰক্ষা কৰাত অৰিহণা যোগাই আহিছে। ই সচাঁকৈয়ে অসমীয়া জাতিৰ পক্ষে শুভ লক্ষণ। অসমীয়া ভাষাৰ ৰবগছজুপিয়ে এতিয়াও ডাল-পাত মেলি বিস্তৃত ভাবে শিপাব পৰা নাই। সেয়েহে কবি, সাহিত্যিক, শিল্পীসকলে আগবাঢ়ি ৰক্ষণাবেক্ষণৰ যোগে নিজ মাতৃ ভাষাৰ চৰ্চ্চাত আত্মনিয়োগ কৰিলে নিজৰ মূল্যবোধটো শ্ৰী বঢ়োৱাত সহায় হয় তাত তিলমানো সন্দেহ নাই। পেট প্ৰবৰ্ত্তৰ নিমিত্তে সাহিত্য সৃষ্টি কৰিবলৈ যোৱাটো আজিৰ যুগৰ সাহিত্যিকৰ লক্ষ্য হোৱাটো উচিত নহয়। লিখকে কেৱল নিজৰ শ্ৰী নতাৰ প্ৰতি লক্ষ্য ৰাখি সাহিত্য সৃষ্টি কৰি লৈ যোৱাতো আমি উচিত বুলি নেভাবো।

কেনেধৰণৰ সাহিত্যৰ সৃষ্টি হোৱাটো উচিত সেই বিষয়ে কবলৈ যোৱাটো একেবাৰে টান কথা। সময়ৰ লগত ৰজিতা খুৱাই সমকালীন সাহিত্যৰ সৃষ্টি হোৱাটো স্বাভাৱিক। মুঠতে যুগধৰ্মৰ লগত খাপ খুৱাই জনসাধাৰণৰ অভাৱ-অভিযোগ সংঘাতৰ প্ৰতি ৰুচিসন্মত ভাৱে ৰচিত গ্ৰন্থই বাইজৰ পৰা সমাদৃত হব বুলি আমি ভাবো। মৌলিকতা-

হীন সাহিত্যৰ স্থান নাই তাক দোহাৰিবৰ প্ৰয়োজন বোধ নহয়। সুস্থ সবলভাৱে এটা জাতি তিষ্ঠি থাকিবলৈ সেইজাতিৰ ভাষাৰ সকলো আঙ্গীকৰ প্ৰতি চকু দিয়াটো উচিত। শব্দৰ উচ্চাৰণ, বৰ্ণাশুদ্ধি আৰু আনৰ ধৰুৱা বাবে বঙলুৱা শব্দই মুখৰোচক হিচাবে যাতে ভাষাৰ ঘৰঘৰৰ ভিতৰত সোমাব নোৱাৰে তাৰ বিষয়ে সততে সচেতন থকাটো প্ৰত্যেক লিখক-লিখিকাৰে নিতান্ত কৰ্ত্তব্য। আজিৰ সাহিত্যত যৌনতাৰ প্ৰভাৱ অপৰিসীমভাৱে বৃদ্ধি পাইছে। অৱশ্যে কাল পাত্ৰ ভেদে যৌন, অযৌন উভয়ে সাহিত্যৰ নিজৰ স্থান অধিকাৰ কৰি আহিছে সেইটো সত্য। আমাৰ সাহিত্যৰ প্ৰতি সবিশেষ কৰলৈ যোৱাটো উদ্দেশ্য নহয়।

অসমীয়া সাহিত্যই বিশ্বসাহিত্যত কিমানখিনি ঠাই অধিকাৰ কৰিবলৈ সমৰ্থ হৈছে তাক বিচাৰ কৰিব নোৱাৰি। ই নিচেই চালুকীয়া অৱস্থাত। মুঠতে আমাৰ সাহিত্যৰ উন্নতিৰ প্ৰতি চকুৰাখি লাগি নেথাকিলে সময়ৰ বৰহাতে যে আমাক নেওচা দি থব তাত সন্দেহ নাই। উঠি অহা তৰুণ-তৰুণী, লিখক-লিখিকা সকলে সকলোৰে প্ৰতি চকুৰাখি আমাৰ সাহিত্যৰ সৌষ্ঠব বঢ়াই বিশ্বসাহিত্যত অসমী আইৰ মুখ উজ্জ্বলাব বুলি আমাৰ বিশ্বাস থাকিল।

***ডিব্ৰুগড় বিশ্ববিদ্যালয়***ঃ—স্বাধীনতা কালৰ পিছৰে পৰা আমাৰ শিক্ষাৰ পৰিসৰ যে প্ৰবলৰূপে বাঢ়িছে বা আন আন ৰাজ্যৰ তুলনাত আমাৰ অসমেও যে পিচ পৰি থকা নাই সেইবিষয়ে জনসাধাৰণে বাৰুকৈয়ে অনুভৱ কৰিছে। আৰু তাৰেই জনমতৰ প্ৰতিক্ৰিয়াৰূপে গঢ়ি উঠিছে পূব প্ৰান্ত চহৰত এই ডিব্ৰুগড় বিশ্ববিদ্যালয়। অৱশ্যে বিশ্ববিদ্যালয় বাঢ়িল বুলিয়েই শিক্ষাৰ মানদণ্ড উন্নতৰ অৱস্থা চুইছেগৈ তাক কব খোজ নাই। বিশ্ববিদ্যালয়ৰ অৰ্থ কেৱল ডাঙৰ ঘৰ কিম্বা অধিক সংখক ছাত্ৰই অধ্যয়ন কৰাকে নুবুজায়; শিক্ষাৰ মান উচ্চ হোৱাহে প্ৰয়োজন। বিশ্ববিদ্যালয়ৰ ওপৰতে দেশৰ সৰ্ব্বাঙ্গীন উন্নতিও পৰিলক্ষিত হয় যেনে—ভাষা, সাহিত্য, কলা-কৃষ্টি, ইতিহাস, চিকিৎসা বিজ্ঞান আদি সকলোৰে উন্নতিৰ চাবিকাঠি এই বিশ্ববিদ্যালয় সমূহেই। পাহাৰে ভৈয়ামে যোগসূত্ৰ স্থাপন কৰি এখন সমৃদ্ধি-শালী অসম গঢ়াত বৰঙণি যোগোৱাৰ থল আছে বিশ্ববিদ্যালয়ৰ ওপৰতেই। এইটো অতি সু-খবৰও চতুৰ্থ পাঁচবছৰীয়া কালছোৱাত ১ কোটি ৭৫ লাখ টকা বাজেটত ধাৰ্য্য কৰিছে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বাবে।

ছাত্ৰৰ উচ্ছৃঙ্খলতা, কৰ্ত্তৃপক্ষৰ আসোৱাঁহ আদি দুৰ্নীতিয়ে যাতে এই নৱনিৰ্ম্মিত বিশ্ববিদ্যালয়টিৰ গাত চেকা পেলাব নোৱাৰে সেই বিষয়ে এতিয়াৰ পৰা সজাগ থাকিবলৈ আমি বিশ্ববিদ্যালয়ৰ কৰ্ত্তৃপক্ষক সানুনয়ে টানি অনুৰোধ কৰো। ডিব্ৰুগড় বিশ্ববিদ্যালয়টিৰ

স্থাপনৰ ঘাই কৰ্ত্তা ( বৰ্ত্তমান ৰেক্টৰ ) ঃ শ্ৰীযুত লক্ষীপ্ৰসাদ দত্ত এম্ এ, বি, এল, মহোদয় দেৰলৈ আমি গভীৰ ভাৱে বিশ্বাস ৰাখি অনুষ্ঠানটিৰ উন্নয়ণৰ ক্ষেত্ৰত নিৰাপদে যাতে আগুৱাই নিব পাৰে তাকে আমি কামনা কৰো। শেষত অনুষ্ঠানটিৰ কৰ্মকৰ্ত্তা, পৃষ্ঠপোষক সকলোটিলৈকে এই চালুকীয়া বিশ্ববিদ্যালয়টিৰ সহায়তাত হাত উজাৰি সহায় আগ বঢ়াব বুলি আশা ৰাখিলো ।

*কলেজৰ ভিতৰ চ'ৰা* ঃ– শিক্ষা সংক্ৰান্তৰ ক্ষেত্ৰত আমাৰ কলেজৰ আৱশ্যকীয় চাহিদা পূৰণ কৰিবলৈ এতিয়াও বহুখিনি বাকী। অনেক মেধাবী ছাত্ৰ-ছাত্ৰীয়ে নিজ ৰুচি অনুযায়ী বিষয়ত অনাৰ্চ ক্লাচ নোপোৱাত অন্য কলেজলৈ যাব লগা হৈছে। বিশেষকৈ দৰ্শন, ৰাজনীতি, বিজ্ঞান, প্ৰাণীবিদ্যা উদ্ভিদ বিদ্যা আদি বিষয়ৰ হেতু। আশা ৰাখিছো অতি সোনকালে ইয়াৰ ব্যৱস্থা কলেজ কৰ্তৃপক্ষই হাতত লব।

*খেলপথাৰ* ঃ– খেল-ধেমালি শিক্ষাৰে এটা প্ৰধান অঙ্গ বুলিলে কোনেও নুই কৰিব নোৱাৰে। আন আন কলেজৰ তুলনাতো আমাৰ কলেজৰ খেলৰ মানদণ্ড কোনোগুণেই হীন নহয় কিন্তু উপযুক্ত অনুশীলনৰ অভাৱৰ হেতু খেলপথাৰখন প্ৰধান অন্তৰায়। কলেজৰ তেনে কোনো উপযুক্ত খেলপথাৰ নথকাৰ হেতু আমাৰ খেলুৱৈ মনৰ ছাত্ৰ-ছাত্ৰী সকলে এটা ডাঙৰ অভাৱ অনুভৱ কৰিছে। আমাৰ কলেজৰ বছেৰেকীয়া খেল-ধেমালিতো খেল পথাৰৰ বাবদ অন্যৰ ওচৰত হাত পাতিব লগা হয়। ই অতি লাজৰ বিষয়। এক পূৰ্ণাঙ্গ কলেজৰ ক্ষেত্ৰত এনে এটা আসোঁৱাহ থকাটো বাঞ্চনীয় নহয়। কলেজ কৰ্তৃপক্ষক এই স্তম্ভতে বাৰে বাৰে দোহাৰি অহা হৈছে যদিও আজি পৰিমিত তাৰ সু-ব্যৱস্থা নোলোৱাত আমি আচৰিত হৈছো। ইয়াৰ বাবে পুনৰ অতি সোনকালে এটা আশু ব্যৱস্থা লবলৈ টানি অনুৰোধ জনালোঁ।

*কলেজ কেণ্টিনৰ বিষয়ে দু আষাৰ* ঃ– কলেজৰ নামত যিখন কেন্টিন আছে সিও ছাত্ৰ-ছাত্ৰীসকলৰ আশানুৰূপ সুবিধাজনক নহয়। নিছেই সীমিত ব্যৱস্থাৰ বাবে প্ৰায়ে অসুবিধাৰ সৃষ্টি হয়। তাৰোপৰি পৰিচালকৰ পৰিচালনা অনুযায়ী খোৱা-লোৱাৰ ব্যৱস্থা অতি শোচনীয়। এই পিনেও কলেজ কৰ্তৃপক্ষই উন্নত ব্যৱস্থাৰ বাবে চকু ৰাখিব বুলি আমাৰ অনুৰোধ থাকিল।

*এই সংখ্যাৰ আলোচনীৰ বিষয়ে* ঃ– প্ৰথমতে এই সংখ্যাৰ আলোচনীখন সময়মত প্ৰকাশ কৰি দিব নোৱাৰাত আমি সমূহ ছাত্ৰ ছাত্ৰী বন্ধু বান্ধবী পাঠক পাঠিকা সকলোৰে ওচৰত ক্ষমা বিচাৰিলো। আমি অতি দুখেৰে হলেও জনবলগীয়া হল যে,

উপযুক্ত প্ৰৱন্ধপাতি সময়মতে সম্পাদকৰ হাতত নপৰাত তাৰোপৰি যি পোৱা হল তাকো দেৱিকৈ পোৱা হেতু তাক চালিজাৰি লওঁতেই কিছুদিন গল। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধবী সকলৰ কলেজ আলোচনীৰ প্ৰতি দুৰ্ব্বল সহানুভূতি সচাঁকৈয়ে মন কৰিব লগীয়া। ছাত্ৰী বান্ধবী সকলৰ পৰা কোনো প্ৰবন্ধপাতি নোপোৱাত আমি আচৰিত নহৈ নোৱাৰিলো। আলোচনীৰ মুখ্য উদ্দেশ্য সাধনত অভাৱনীয় উদাসীনতা দেখি আমি দুঃখীত। ভৱিষ্যতে যাতে এনে হেঁয়াৰে সহজে গা কৰিব নোৱাৰে তাৰ বাবেও আশা ৰাখিলো। সচাঁকথা, আলোচনীৰ মৰ্য্যদা উচ্চতৰ কৰিবলৈ সম্পাদকৰ যথেষ্ট দায়িত্ব আছে সেইবুলি সম্পাদককে কেৱল সকলো দায়িত্ব জাপি দি নিজে গা এৰা দিলে সিমানতে সমস্যা সমাপ্ত নহয়। সম্পাদকজন এজন নেতা। আনৰ লিখা ছপাই উলিওৱাতে কেৱল সম্পাদকৰ কাম শেষ নহয়, আলোচনীৰ সৰ্ব্বাঙ্গীন উন্নতিৰ ফালেও সততে চকু ৰাখিব লগা হয়।

গতিকে সকলো বেমেজালি আগত লৈ পাৰ্য্যমানে চেষ্টাকৰি এই সংখ্যাৰ আলো-চনীখনৰ কলেৱৰ বৃদ্ধি কৰিবলৈ যোৱাত কিমানখিনি সাফল্যমণ্ডিত হৈছো সেইটো সমূহ পাঠক পাঠিকা সকলেই বিচাৰ কৰিব।

অৱশেষত আলোচনীত আনিচ্ছাকৃতভাৱে বৈ যোৱা ভুল ত্ৰুটিৰ বাবে পঢ়ুৱৈ-সমাজৰ ওচৰত ক্ষমা বিচাৰিলো।

***কৃতজ্ঞতা প্ৰকাশ*** ঃ– পোনপ্ৰথমে যি সকল ছাত্ৰ-ছাত্ৰী বন্ধুবান্ধবীয়ে মোক এনে এটি গধুৰ দায়িত্ব বহন কৰিবলৈ উদগনি দিছিল সেই সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। সম্পাদনা সমিতিৰ উপদেষ্টা অধ্যাপক পৰিক্ষিত হাজৰিকা দেৱৰ বহুমুলীয়া উপদেশ সহায় সহানুভূতি সদায় মনত থাকিব। তেখেতলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

অধ্যাপক তফজ্জুল আলি, অধ্যাপক সুনীল কুমাৰ বৰঠাকুৰ, অধ্যাপক প্ৰভুনাথ সিং, অধ্যাপক ভুবন চুটীয়া, অধ্যাপক ভীম কোঁৱৰ, অধ্যাপক ডিম্বেশ্বৰ চলিহা মহোদয় সকলে প্ৰবন্ধপাতিবোৰ চাই দিয়াৰ বাবে তেখেত সকললৈও মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। আলোচনীৰ প্ৰকাশৰ বাটত সহায় সহযোগিতা আগ বঢ়োৱাৰ বাবে সম্পাদনা সমিতিৰ সভ্য সকলৰ ওচৰতো মই ঋণী, তেখেতসকললৈও মোৰ কৃতজ্ঞতা থাকিল। বহুক্ষেত্ৰত বন্ধুশ্ৰী তচলিম আলি, শ্ৰীখগেন পেগু, শ্ৰীনবনাথ চেতিয়া, শ্ৰীৰণজিৎ গগৈ, শ্ৰীপবিত্ৰ গগৈ, শ্ৰীযতীন শইকীয়া আদিৰ বন্ধুসকলৰ সহায়ৰ বাবে মোৰ মৰম তেখেতসকলৰ প্ৰতি সদায়ে থাকিব।

বেটুপাতৰ ছবি আঁকি দিয়াৰ বাবে অসম মেডিকেল কলেজৰ ডঃ নগেন বুজৰ বৰুৱা দেৱৰ শলাগ ললো। যি সকল ছাত্র বন্ধু অধ্যাপকে কানৈ কলেজ আলোচনীলৈ গল্প কবিতা প্রবন্ধ আদি দি সহায় কৰিছে সেই সকলোলৈ আমাৰ ধন্যবাদ থাকিল।

সৰ্ব্বশেষত আলোচনীখন গাত লাগি ছপাই দিয়াৰ ভাৰ লোৱাৰ বাবে লখিমী প্রেছৰ, স্বত্বাধিকাৰ শ্রীবিপিন শৰ্ম্মা আৰু কৰ্ম্মকৰ্ত্তাসকলৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিলো।

সম্পাদক

শ্রীমুকুট সিংহ ফুকন

# কবিতা

শ্ৰী বীৰেন্দ্ৰ কুমাৰ গগৈ
১ম বাৰ্ষিক বিজ্ঞান

# ॥ প্ৰাৰ্থনা ঃ যিশু-বুদ্ধলৈ ॥

মন্দিৰৰ প্ৰাঙ্গণত বহি মনিছো বিস্ময় দেখি
কুটিল সভ্যতাৰ গতি। নতুন সভ্যতাৰ উদ্ধত শক্তিয়ে
সৃষ্টি কৰে ৰক্ত প্লাবনৰ। উল্কা খহে, বজ্ৰ পৰে।
দক্ষিণ-পূব পৃথিৱীত কোটি কোটি আত্মা মৃত্যুৰ ভীতিত
থৰে থৰে কঁপে। দিনৰ আকাশত উৰে শগুণৰ জাক,
দিনান্তত শ্মশানত ডাকিনীৰ দেওধনী নাচ।
ভুৱা অঙ্গীকাৰ হীৰাৰ আখৰে কাগজত লিখি
সন্মুখত পাতে মহাস্ত্ৰৰ খেলা। বিষাল সৰ্পৰ নিশাহত
নলৰ গজালি মৰে, জোন মৰে আৰু মৰে তিলে তিলে
হাজাৰ উৰ্ম্মিলাৰ জীৱন-যৌৱন। ক্ষমতাৰ মহাশক্তিৰ
আস্ফালনত পাহৰি আহিলে মহামানৱৰ বাণী।
যিশু বুদ্ধ কোনেও নকৰে ক্ষমা। বেদনাত জৰ্জ্জৰিত
অনেক মাতৃয়ে অনেক স্বপ্ন লৈ অকণি পোহৰ আৰু
অকণি শান্তিৰ বাবে জনায় প্ৰাৰ্থনা ঃ হে যিশু-বুদ্ধ
তুয়ো আহি দিয়াহি বোৱাই ধাৰা শান্তি প্লাৱনৰ—
ৰক্ত-পিয়া আত্মা অৱগাহন কৰি মুক্ত হওক প্ৰেমৰ
জ্যোতিৰে।

---

শ্ৰীৰত্নমণি ফুকন
দ্বিতীয় বাৰ্ষিক কলা

# অনুৰাধালৈ এটি অনুৰোধ

পাহৰি নাযাবা তুমি অনুৰাধা !
তোমাৰ মৰমে গঢ়া সুন্দৰ পৃথিৱী খনিত—
অকণমান মোক ঠাই দিবা………।
ব্যথা ভৰা জীৱনৰ আশাৰ মাধুৰীবোৰ
তলসৰা শেৱালীৰ দৰে
শেষ হৈ গলে…………।
নিষ্ঠুৰ আঘাতত পোৱা মোৰ তপত হুমুনিয়াবোৰে
নিৰাশাৰ বুকুত হাঁহাকাৰ কৰি,
অশ্ৰু ডুপাৰ ভাঙি গলে—
তুমি বাধা দিবা।

অনুৰাধা !
মাজনিশা অনাহুত সপোনবোৰে
এক অনাবিল প্ৰেমৰ নিজৰা বিচাৰি যায়
………অৱৰুদ্ধ সেই ৰঙা গহ্বৰত,
জীয়াই থকাৰ ৰঙীণ বাসনাৰে।
মোৰ বেদনাৰে ভৰা তপত হৃদয়ৰ আশাবোৰ
বাষ্প হৈ উৰি গলে—
তুমি ঢাকি ৰাখিবা—
এটি থাৰ্মোফ্লাস্কৰ দৰে………।

হে অনুৰাধা !
তোমালৈ শত অনুৰোধ ।
পঙ্ক কোমল তোমাৰ আলফুল মৰমবোৰ
গ্ৰীষ্মৰ উতপ্ত ৰ'দত যদি শুকাই যায়
তেন্তে শেষ হৈ যাব পৃথিৱী,
শেষ হৈ যাব এই জীৱন,
বেদনা গধুৰ বুকুৰ বিকট চিঞৰে —।
"শত প্ৰতীক্ষাৰ অন্তত অহা শ্যামলী পৃথিৱীখনি
আৰু হাজাৰ হাজাৰ অলীয়ে
তোমাৰ লাৱনী হাতৰ এটি পৰশতে প্ৰাণ পালে"
তুমি আশাৰ সঞ্জীৱনী—
তোমালৈ এটি অনুৰোধ—
অন্তৰ্ঘাত নকৰিবা ।

---

শ্ৰীনাহেন্দ্ৰ পাতুন বি-এ,
প্ৰাক্তন ছাত্ৰ

# ঃ আমি অসহায় ঃ

আমাৰ চউদিশে
উতপ্ত বায়ুৰ ঢউ
নিশ্বাসত ৰুদ্ধ হয়
শ্বাসনলী
হায় !
আমি জীয়াই থকাটোও অসহায়।

শীতত শিল হোৱা হাত
ইলেক্‌ট্ৰিক হিটাৰত সজীৱ কৰি
নিজেই নেলুত চেপি
আমি
আত্মহত্যাৰ আখৰা কৰিছো।

আমাৰ ক্ষুধা
আহাৰ
আৰু
এটমৰ,
হায় !
ৰিক্ততাত আমি
অসহায় ভাবে অসহায়।

শ্ৰীভূপেন পেগু
তৃতীয় বাৰ্ষিক কলা

# এই নিশা : এই মন

ক্লান্তিভৰা মাজনিশা সাৰ পাই দেখিলো।
শুধবগা জোনাক প্লাৱন।
চঞ্চলা ধৰণীৰ সতে হাঁহিব লাগিছে ৰজনী গন্ধাৰ ফুলবোৰ
স্বপ্নময় অনামি আবেগৰ উতলা ৰাগিত।
হাঁহিবোৰ সুৰ হ'ল ;
সুৰবোৰ মধুৰ অচিন বুজিব নোৱাৰা হ'ল
পৰমসত্তাৰ মৃত্যুহীন সুৰ যিদৰে ।
গম পালো আবেশত—
জোনাকৰ ৰংসনা উৰণীয়া সমীৰণে
প্ৰাণে গঁথা আঠুৱাত তুলিব লাগিছে
নিজম স্পন্দন
যেন নিৰিবিলি যমুনাৰ নীলা বুকুত
ঢৌৰ উত্তাল।
চাৰিও ফালে চালো—
জোনাকৰ বিন্দু বিন্দু কোমল মিচিল পূৰ্ণ হ'ল
কুটীৰত, এন্ধাৰ আতঁৰি গ'ল।
সুন্দৰ হ'ল প্ৰেম-পঁজা মোৰ
কোন এক মোহময়ী গাভৰুৰ চকুৰ ছবিত
যিমান সুন্দৰ 'তুচামুচ নীলাবে'।
আজি নিশা সাৰ পালো।
সাৰপাই ভাবি চালো, কিজানিবা

জোন গলি গ'ল।
সেয়েতো সুন্দৰ উদ্রেক ধৰণী
তাৰ কণিকা উৰি !
ৰোমাঞ্চত ৰোমাঞ্চ সানি
বিচাৰি সুন্দৰৰ মোহন পুলক
আঠুৰাৰ ফাঁকে ফাঁকে চালো
আকাশত অভিব্যাপ্ত তাৰকাৰ বন্তি জ্বলে,
ফুল যেন কাৰোবা সমাধিৰ অদেহী বক্ষত
দিয়া আছে ছটিয়াই।
আবেগ আবৃত এই ৰূপ
কোনো দিনে নহ'ব প্ৰকাশ
ভাষাৰ সীমাৰে।
এই নিশা চিনাকি, সুৰাৰে মিশ্ৰিত ?
এই মন
হয়তো নাহিব কোনো দিনে
শেষ হ'ব অৰুণৰ কিৰণ আৰু
প্ৰভাতৰ অচিন সোণালী চুমাত।

---

শ্ৰীবসন্ত কুমাৰ ৰৰ।
৩য় বাৰ্ষিক বি-এচ্, চি,

# ॥ যুগ-বিভ্ৰাট ॥

কুমাৰী পৃথিৱীৰ আদিম বুকুত
মানৱাত্মাই এদিন প্ৰাণ পালে—
ধৰণী ধুনীয়া হ'ল—সৃষ্টিকামী মানৱৰ মধু-বন্দনাত ;
সিদিনা,
অনেক ফুলিল ফুল কুঞ্জে কুঞ্জে সভ্যতাৰ
সুৰভি বিলাই। কিন্তু
কালৰ পচোৱা লাগি ৰূপহ মালঞ্চ তাৰ
জীৰ্ণ-শীৰ্ণ হ'ল। সুন্দৰ সুৰভি তাৰ হয়তোবা ৰৈ গ'ল
গিৰি-গুহা-স্তম্ভ আৰু শৈল্যৰ বক্ষত

(সাক্ষী তাৰ অজন্তা-ইলোৰাৰ গম্ভীৰ কক্ষত)।
যুগৰ স্বাক্ষৰ ৰাখি এদিন আকৌ হ'ল
ধৰণী সুন্দৰ। শান্তিৰ দীপশিখা
প্ৰভাসি উঠিল। কিন্তু
কালচক্ৰৰ বিষাক্ত বাষ্প লাগি আজিওতো হ'ল
অভিশপ্ত!
শতাব্দীৰ এই উচ্চ শিখৰতো
প্ৰকৃতি-পুৰুষৰ
শোষক-শোষিত আৰু
শাসক-শাসিতৰ
অনৈক্যৰ শুনো মাথো তীব্ৰ প্ৰতিধ্বনি।
আত্মশ্লাঘা মানৱৰ বুৰঞ্জীৰ পাতে পাতে
চেকা বল বিভৎসতা, হিংসা-দ্বেষ, স্বাৰ্থপৰতাৰ।
এমুঠি অন্ন আৰু এখনি বস্ত্ৰৰ বাবে জঞ্জলিত
ইতৰ প্ৰাণীৰ দৰে লয় পালে কতজন
জীৱনৰ প্ৰথম প্ৰভাততে।
"ডাষ্টবিন"ত ওৱেচিচ বিচাৰি কন্দা
আজিওতো নুশুছিল পদদলিত বুভুক্ষৰ দল!!
তথাপিতো,
সভ্যতাৰ প্ৰাণে নেকান্দিলে কোনোদিনে
শুনি সেই আত্মাৰ ক্ৰন্দন।
যুগ আৰু জীৱনৰ কিনো স্বয়ম্বৰ?
হে, বিশ্বনিয়ন্তা! ভক্তিৰ প্ৰদীপ জ্বালি
বন্দো আজি সকাতৰে—শান্তিৰ জাহ্নবী বোৱাই
ধুই নিয়া ভেদাভেদ, উচ্চ নীচ মানুহৰ
কলুষ-কালিমা যত আবৰ্জনাবোৰ;—
পৃথিৱীৰ ৰন্ধ্ৰে ৰন্ধ্ৰে
উঠক আকৌ ফুলি সভ্যতাৰ ফুলবোৰ
প্ৰেম-স্বপ্ন হাঁহি আৰু সুন্দৰৰ সুৰভি বিলাই॥

---

শ্ৰীমিঠা বৰুৱা
প্ৰথম বাৰ্ষিক বি, এ,

# অনুৰূপা

তু

মি

যৌৱন সুন্দৰ মন পুলকিত নয়ন যুগলৰ
অবুজ ভাষাৰ সংগীতমধুৰ মিশ্ৰিত চাৱণি
পৰিলক্ষিত য'ত হেজাৰ চেনেহ-কোমল মৰম
প্ৰাণাকুল অযুত যৌন আহ্বান।
কবিতা কবিতা সেই যে তুমি সেই যে
তোমাৰ মৰম ছন্দিত সুৰ যেন মৌ
সুৰভিভৰা ফাগুণ পৰশা জীৱন সম্ভাৰ
ফুল-ধুনীয়া মিঠা-অপৰূপা । কোনজন
ভাস্কৰৰ নিপুণ হাতেৰে পিটিকি পিটিকি
পঢ়িলে তোমাৰ একোটি অনুপমা জীৱন মাধো
কোনজন শিল্পীৰ কেনে তুলিকাৰে
নবনী-তনুৰ অংগে অংগে সানি দিলে ৰং মনোহৰ
তৰালি আকাশৰ উন্মুক্ত বুকুৰ তৃতীয়া জোনটি
কোনে জানো পাৰি আনি আঁৰি দিলে
কমনীয় তোমাৰ মুখত ; আজন্ম সাধনাৰ
তুমি যেন এটি ফুল মৰুভূৰ মৰুদ্যানৰ কোমল বুকুৰ ।
তুমি যেন এচাটি মধুৰ বা' ৰুক্ষ পৃথিবীৰ
সৃষ্টিৰ আলপনা আঁকা তোমাৰ দেহ-সুষমাৰে
ৰচি যাম মই তোমাৰ কবিতা শাৰদ সন্ধ্যাৰ ।
তোমাৰ প্ৰতীক্ষাত ৰৈ যাম মই
এযুৰি কেচুৰা চকু এটি প্ৰাণসনা কেচুঁৱা হাঁহি
এটি কোমল জোনৰ তোমাৰ কোলাৰ
স্বাক্ষৰ হব তোমাৰ মোৰ মধু যৌৱনৰ ।

শ্ৰীহেম মিলি
৩য় বাৰ্ষিক কলা

# "অব্যক্ত বেদনা"

কোনো এক শাৰদীয় নিশাৰ
আইতাৰ চকু কাঢ়ি নিয়া
জোনৰ সুবিমল শীতল পোহৰ দেখি
অজানিতে মোৰ মন নাচি উঠে
কন কন জোনাকীৰ দৰে,
পোহৰক সাৱটি লবলৈ
প্ৰাণে বিচাৰে সীমাহীন আকাশৰ
নীলিম আকাশ ভেদি অহা
বাৰে বাৰে মন দিগন্তত চুই যোৱা
এটি চিনাকি সুৰ
আৰু মৃদু মধু মলয়াৰ শীতল বতাহ।
আজি :
ঘনে ঘনে, ক্ষণে ক্ষণে,
মোৰ অন্তৰে বিচাৰে
চিনাকি চিনাকি লগা
এখনি মুখৰ ওঠৰ পৰশ
আৰু এখনি শুভ্ৰ বহল হিয়া
মনৰ জোখৰ, কোমল প্ৰাণৰ।

: এই আকাশৰ : এই পৃথিবীৰ
চিনাকি মুখৰ মৰম খিনি
নিৰৱে টোপনিত লাল-কাল
কোনো এক কুমাৰীৰ উকা বহল বুকুত
কোনো দিনে হয়তো নহব মিলন মোৰ।
কিন্তু ;
কদাপিতো নহব শেষ
সেই আশা
মোৰ মনৰ দুৱাৰৰ পৰ্দাত।

---

শ্ৰীৰমেশ ৰাজখোৱা
তৃতীয় বাৰ্ষিক কলা

# শ্মশানৰ বাতৰি ঃ পৃথিৱীলৈ

মোৰ সকলো স্মৃতি পাহৰি পেলাবা দেই
হে ধৰিত্ৰী !
পাহৰিবা পাপ মোৰ
পাহৰিবা ক্লেশ মোৰ
পাহৰিবা দোষ মোৰ
পাহৰিবা তুমি মোৰ দৈন্যৰে শেষকৰা
অস্থি-কঙ্কাল ।
আজন্ম ভূলৰ বাবে
কোনোদিন ক্ষমা নিবিচৰা
আজন্ম পাপৰ বাবে
কোনোদিন চকুলো নোটোকা
মই এটা কক্ষচ্যুত পপীয়া তৰা ।
'জীবিত কালতো মোৰ তোমাতে আশ্ৰয় আই
মৃত্যু পিচতো আই তোমাতে আশ্ৰয় ।'
কোনো দিন নভবা এই সঁচা কথাষাৰ
ভাবিছোঁ নিৰবে মই এই শ্মশান ঘাটত ।
শ্মশানৰ পোকবোৰে কামুৰি কামুৰি মোৰ
মাংসবোৰ কেতিয়াবাই অন্ত পেলালে
সৰু সৰু হাড়বোৰো কুটি কুটি খাই,
মাটিৰ সতে একে কৰি দিলে ।
কেৱল জঁকা আৰু লাও খোলাটোহে বাকী ।
শ্মশানৰ ভয়লগা পোক বোৰে কামুৰিলে
এতিয়া অকণো নেপাওঁ দুখ,
শ্মশানৰ ভয়লগা ভূত বোৰে চিঞৰিলে
এতিয়া অকণো নেলাগে ভয় ।
কেতিয়াবা সিহঁতে মোৰ বুকুতে বহি তোমাৰ কথা পাতে
অস্পষ্ট ভাষাৰে ।
ইয়াত কেৱল এষাৰ কথাকে ভাবিছোঁ,
কেৱল তোমাৰ অভিশাপত মৰি যোৱা মোৰ আত্মাটোৰ কথা
পাপীবোৰ নৰকলৈ আৰু ধাৰ্মিক বোৰ স্বৰ্গলৈ
যায় হেনো,—তোমাৰ শাপত মৰা আত্মাবোৰ

ইয়াতেই নেথাকে জানো আই ?
তোমাৰ সতে চিনাকি এই শ্মশান ঘাটত ?
জানা আই ইয়াত দিন-ৰাতিৰ একোচিন নাই,
দিনত ফেউৰা কান্দে আৰু বাঘে গুজৰে
ৰাতিহলে গৰখীয়াই বিহুগীত জোৰে ।
( বিহুগীত শুনিলে আজি কালি মন ৰাই জাঁই নকৰে,
আঘোণ মহীয়াও পথাৰবোৰ উদং, নিৰস দেখি
মোৰ হাঁহি হে উঠে ।)
তোমাৰ সতে ইয়াৰ কামবোৰ একেবাৰে অমিল ।
মৰম নামেৰে যিজোপা গছ আছে
তাৰ ডাল-পাত বোৰ বহুত দিনতে মৰহি শুকাল,
গা-গছ ডালো পঁচিলে ।
হিংসা গছজোপা তাৰ কাষতে বাঢ়ি আহিছে
কুমলীয়া গজালিবে লহপহকৈ ।
হিংসাৰে ভৰি থকা এইখন নিৰৱ শ্মশান ।
এই ফালে বাটকৰা আহিলে
আত্মাবোৰ কাঢ়ি লয় নিষ্ঠুৰ ভূতবোৰে।
ভিতিবিহবল সেই আত্মবোৰ দেখিলে
মইয়ো চোন ভালহে পাওঁ ।
ইয়াত সপোন নেদেখোঁ আই.
দেখিলেও দৈনিক একোটাকে দেখোঁ –
এজনী ৰঙা বাঘমকৰাই আৱৰি ধৰা
মোৰ লাওখোলাটোৰ এটা ভয়লগা সপোন ।
ৰঙীণ মকৰাজনী হেনো
তোমাৰেই অভিশপ্ত গাভৰু 'ফচিল' ।
নামহীন অনন্ত লাওখোলাবোৰ
সেই একেজনী ৰঙীণ মকৰাই
চেপি চেপি মৰিমূৰ কৰে ।
তাৰ বাদে আই
ইয়াত একোকে নই
আছে কেবল মোৰ দৰে পাপী আত্মাবোৰ
তোমাক পাহৰি যোৱা 'দেশমাতৃ' বুলি
অন্যতম মইয়ো এটা তাৰে পাপাত্মা
পাহৰি পেলোৱা আই
মোৰ এই জকাঁ আৰু লাওখোলাটোক ।

---


NURUL

—হেমন্ত কুমাৰ দত্ত
২য় বাৰ্ষিক বিজ্ঞান

# —কৃষ্ণচূড়াৰ দুটি ৰঙ—

আন দিনৰ দৰে আজিও অফিচৰ পৰা আহি মোৰ শোৱনী কোঠাৰ পূৱৰ খিৰিকি খন খুলি দিছিলোঁ। দিনটো বন্ধ হৈ থকা গৰম হবলৈ ধৰা গৰম বতাহ আজিও ওলাই গৈছিল এই মাত্ৰ খোলা মোৰ দুৱাৰ খন আৰু পূৱৰ খিৰিকি খনেৰে অ্যৰু আন দিনৰ দৰে আজিও খিৰিকি খনেৰে অ্যৰু আন দিনৰ দৰে আজিও আলিৰ সিপাৰত মোৰ ঘৰটোৰ পোনে পোনে থকা ডাঙৰ গেটেৰে সেই ঘৰটোৰো এটা কোঠা-লীৰ পশ্চিমৰ এখন খিৰিকিৰ পৰ্দাখন অকমান দাং খাইছিল। মই জানিছিলোঁ, একোচা অবাধ্য অলকা নাচি থকা এখন বগা কপাল মই সেই পৰ্দ্দাৰ অকমানি ফাক টোৰে দেখিম। আৰু দেখিলোও। সদায় দেখো।

সদায় মানে আজি তুমাহে মই দেখি আহিছো। আজি তুমাহে মই শুই উঠিয়েই মেলি দিয়া মোৰ পূৱৰ খিৰিকি খনেৰে দেখিছো হৰেন ফুকনৰ ধুনিয়া ঘৰটোৰ এটা কোঠাৰ পশ্চিমৰ খিৰিকি খনৰ ফাক হোৱা পৰ্দ্দাৰে কেইদাল মান অবাধ্য অলকা বতাহত নাচি থকা। আৰু দেখিছো এজুৰি হৰিণ চকুৰে এখন কপাল। সেই একে দৃশ্যই আজি তুমাহে আবেলি আফিচৰ পৰা অহিও মোৰ পূৱৰ খিৰিকি খন খুলিয়েই দেখো। আজিও দেখিলো হৰেণৰ ফুকনৰ কন্যা ৰূপমালাৰ আগ কপালৰ নাচি থকা সেই কেইদাল চুলি। আৰু তাৰ পিচতেই দেখিলো ৰূপমালাই পৰ্দ্দাখন আৰু অকমান উঠাই দিছে। টাই দাল খুলি খুলিয়েই মই চাই থাকিলো খিৰিকিৰে সম্পূৰ্ণৰূপে ওলাই পৰা ৰূপমালা ফুকনৰ মসৃন কপাহী বগা মুখ খন। অকমান হাঁহি এজনী সৰু ছোৱালীৰ চঞ্চলতাৰে ৰূপ মালা আঁতৰি গৈছিল কোঠাটোৰ পৰা। ময়ো অকমান হাঁহি দিলো আত্মতুষ্টিৰ হাঁহি।

আজি তিনিমাহ আগতে এই চহৰ খনতেই হাকিম হৈ প্ৰথম চাকৰি জীৱন আৰম্ভ

কৰিছিলো। যদিও নতুন চাকৰিত সোমাইছো আৰু যদিও অনভিজ্ঞ একেবাৰে নতুন মানুহ তথাপিও এই চহৰখনৰ প্ৰত্যেকজন উকিল, মোৰ সহকৰ্মী আৰু এই পাৰাৰ মানুহ খিনিক মোৰ বেয়া লগা নাছিল। তাৰ ভিতৰতেই অকমান বেচি ধৰনে ভাল লাগি গৈছিল দেউতাৰ বয়সৰ উকিল হৰেন ফুকনক। মই আহি এই ঘৰটো লবৰ দিনাই সন্ধিয়া এটা স্বভাব সুলভ প্ৰশান্ত হাঁহিৰে হৰেন ফুকনে আহি মোক দেখা কৰিছিল। ইটো সিটো সুবিধা অসুবিধাৰ কথা সোধাৰ মাজতে তেখেতে সেই প্ৰথম দিনাই দিয়া উপদেশ বোৰে তেখেতলৈ মোৰ এটা বেলেগ শ্ৰদ্ধা আনি দিছিল। সেই কাৰনেই বোধহয় তেখেতে হাকিম হিচাবে মোক কৰা বিশেষ সন্মান জনক ব্যৱহাৰ খিনিত মই লাজ পাইছিলো। সেইজন হৰেন ফুকনৰে কন্যা ৰূপমালা। মোৰ লগত ৰূপ মালাই এই কেইমাহ এযাৰো কথা পতা নাই; কিন্তু তথাপিও ৰূপমালাৰ প্ৰত্যেকটো চাৱনিয়ে যেন মোক হেজাৰ কথা কৈ যায়।

হৰেন ফুকনৰ কথা এবাৰ নোৱাৰি আজি চমাহৰ আগতে প্ৰথম যিদিনা মই তেখেতৰ ঘৰলৈ যাওঁ, সেই দিনাই ৰূপমালাক মই প্ৰথম দেখিছিলো। দেখিছিলো, অনুভৱ কৰিছিলো নাৰী কিমান কোমল হব পাৰে, নাৰী কিমান সৌন্দৰ্য্যময়ী হব পাৰে। ফুকনৰ ধুনীয়া ঘৰটোৰ ড্ৰইং ৰুমত বহি মোৰ কৰ্টত চলি থকা এটা কেছৰ কথা আলোচনা কৰিছিলো। এনেতে বাহিৰৰ পৰা ঘৰ সোমাইছিল এজনী গাভৰু সৰু ভনীয়েকৰ হাতত ধৰি। সেয়া ৰূপমালা ফুকন। এসাজ পাতৰ সাজ পিন্ধি কপালৰ সন্মুখত কেই দালি মান আউল বাউল চুলি উকৰাই লৈ অহা ৰূপমালাক মই কিছু সময় থৰহৈ চাই ৰৈছিলো। ৰূপমালাও যেন মোৰ চকুৰে চকুৰে চাই থাকি ক্ষন্তেকৰ বাবে থৰ হৈ, ভিতৰলৈ সোমাই গৈছিল।

—কলৈ গৈছিলি আইজনী?

—বাইদেউৰ লগত অকমান নৈৰ পাৰৰ পৰা ফুৰি আহিলো, দেউতা।

হৰেণ ফুকনৰ মাতত মোৰ সংজ্ঞা ঘূৰি আহিছিল। মোৰ সেই হঠাতে সপ্ন হেৰুৱাই পেলোৱা মূহুৰ্তটো হৰেণ ফুকনে বুজিছিল নে নাই নেজানো। মই যেন নিজে নিজেই লাজ পাই গৈছিলো। আইজনীক মোৰ ওচৰলৈ টানি আনি হৰেণ ফুকনৰ ওচৰত হাৰ নেমানিবলৈ, নিজকে ব্যস্ত ৰাখিবলৈ প্ৰশ্ন সুধিছিলো।

—তোমাৰ নাম কি?

—অলক নন্দা ফুকন।

—কোন ক্লাচত পঢ়া?

—ক্লাচ চিক্স।

তাৰ পিচত ভাবিছিলো আৰু কি সোধা যায়।

—তুমি ফুৰিবলৈ খুউব ভাল পোৱা নহয়? এটা অবাস্তৱ প্ৰশ্ন। এনেয়ে সুধি পেলালো অলক নন্দাক। আইজনীক।

—বাইদেউৰ কাৰনে সদায় ফুৰিবলৈ যাব লাগে।

—অ তোমাৰ বাইদেৱে চাগে সদায় ফুৰিবলৈ তোমাক লগ ধৰে?

হঠাতে কিয় জানো প্ৰশ্নটো সুধি পেলাইছিলো। পিচত মোৰ সঙ্কোচ লাগিছিল।

ভয়ে ভয়ে হৰেণ ফুকন বহি থকা চোফা খনলৈ চাইছিলো। মই আইজনীৰ লগত কথাপাতি থাকোতেই বোধ হয় হৰেণ ফুকন ভিতৰলৈ গৈছিল। তাৰ পিচত চাহ খায়েই সেই দিনালৈ ফুকনৰ ঘৰৰ পৰা বিদায় লৈছিলো। আৰু মোৰ ঘৰ পায়ে পূৰৰ খিৰিকিখন খুলি দি দেখিলো আলিৰ সিপাৰে থকা হৰেণ ফুকনৰ ধুনীয়া ঘৰটোৰ এটা কোঠাৰ পশ্চিমৰ খিৰিকি এখনৰ মেৰুণ ৰঙৰ পৰ্দাখন অকমান ফাক হৈ পৰিছে। তাৰ মাজেৰে দেখা গৈছে কেইদালি মান অবাধ্য অলকা উৰা এখন কপাল। সেই দিনাখনেই প্ৰথম দেখিছিলো আৰু আজি ছুমাহে সদায়ে দেখিবলৈ পাইছো।

কিছুমান মূহুৰ্ত্ত আহে যেতিয়া আকাশ-খন চায়ো এনেয়ে ভাল লাগে। এনেবুৰা কিছুমান মূহুৰ্ত্ত আহে হঠাতে সদায় দেখা নৈ খনৰো সোঁতত বা ঢৌত নতুনত্ব দেখা যেন লাগে। থিক তেনেকৈয়ে ৰূপমালা ফুকনকো মোৰ ভাল লাগি গৈছিল। বোধহয় কোনো কাৰণ নোহোৱাকৈয়ে—প্ৰথম দেখাৰ পিচৰ পৰাই। সদায় দিনটোৰ ক্লান্তিৰ পিচত অফিচৰ পৰা আহিয়ে ফুকনৰ ঘৰৰ ব্ৰিটিচ্ পেইণ্ট কৰা খিৰিকিৰ ফ্ৰেমৰ মাজত দেখা ৰূপমালাৰ কপাহী বগা মুখ খনিয়ে মোৰ মনটোকো চঞ্চল কৰা যেন পাইছিলো। কব নোৱাৰো মোৰ প্ৰতি ৰূপমালাৰ কি ধাৰণা হৈছিল। হয়তো মোৰ প্ৰতিও ৰূপমালাৰ কিবা এটা আকৰ্ষণ আহি পৰিছিল ,নহলে কিয়ই বা ৰূপমালাই সদায়ে পশ্চিমৰ খিৰিকিখনৰ মেৰুণ ৰঙৰ পৰ্দ্দাখন আতৰাই মোলৈ চাব। কিয়েই বা অৰ্থ থাকিব পাৰে এজনী পূৰ্ণ যৌৱনা গাভৰুএ অবিবাহিত ডেকাৰ ফালে চাই মিচিকি-য়াই হাঁহিমাৰি লাজ লাজ খোজেৰে আঁতৰি যোৱাৰ। মই ৰূপমালা হঁতৰ অজ্ঞাতে এটা কাম কৰিবলৈ ওলাইছো। আজি কিছু সময় পিচতে যোৰহাটৰ আমাৰ ঘৰৰ পৰা মা আৰু মোৰ ভনীজনী ওলাবহি। মাহঁত আহিব ডিবুৰুৰ বিখ্যাত উকিল হৰেণ ফুকনৰ কণ্যা ৰূপমালাৰ সৈতে মোৰ বিয়াৰ প্ৰস্তাৱ লৈ। কাৰণ মই মালৈ প্ৰায় একৰকম জোৰ কৰিয়েই চিঠি দিছিলো—যদি বোৱাৰী চপাবলৈ মাহঁতৰ ইমানেই ইছা হয় তেন্তে ৰূপমালাকেই যেন সেই স্থানত বহুৱায়। বিয়া বিষয়তেই নহয় , কোনো বিষয়তে ৰূপমালা ফুকনৰ লগত আজিলৈকে মোৰ এষাৰো কথা হোৱা নাই। কোনো দিনেই কোমল কোমল জোনাকত ডিবুৰুৰ গা-চুই যোৱা ব্ৰহ্মপুত্ৰৰ পাৰত বহি ৰূপমালা আৰু মই মন দিয়া নিয়াৰ প্ৰতিশ্ৰুতি দিয়া নাই। আচল কথা কবলৈ গলে ৰূপ মালাই মোক এদিন একপ্ৰকাৰ অৱজ্ঞাই কৰিছিল।

এদিন আবেলি মই মোৰ ঘৰটোৰ আগফালে ফুলনি খনৰ মাজত চকি এখনত বহি আছিলো। কাষতে টেবুল খনত কিছু সময়ৰ আগতে তপনে দি যোৱা চাহ কাপৰ পৰা ধোৱাঁ ওলাইছিল। এজাক বগলী উৰি গৈছিল—বোধ হয় নিৰ বিচাৰি। মোৰ কাষতে ফুলি থকা ব্লিডিং হাৰ্ট ’ জোপাই বগা পাপৰিৰ মাজেৰে অকমানি ৰঙা মুখ খন উলিয়াইছিল। অলপ পিচতে ৰূপমালা আৰু অলক নন্দাই কৰবাৰ পৰা ফুৰি আহি মোৰ ঘৰটোৰ সমুখ পাইছিলহি। ময়ো আধা এন্ধাৰৰ ছাঁৰ

মাজেৰেই ৰূপ মালাৰ কপাহি মুখ খনৰ সৌন্দৰ্য্য অনুমান কৰিবলৈ চেষ্টা কৰিছিলোঁ। হঠাতে মোৰ ভাল লাগি গৈছিল ৰূপমালাৰ চকু জুৰি। মই ভাবিছিলো — ৰূপমালাই যেন বহুদিন মোক কিবা ক'বলৈ সুবিধা বিচাৰি ফুৰিছে ; কিন্তু লাজতে, সঙ্কোচতে যেন মোক কবপৰা নাই। মই অলক নন্দাক মাতি দিছিলো। আৰু এবাৰ বাইদেৱেকৰ মুখলৈ অনুমতি বিচৰাৰ ভঙ্গিৰে চাই মোৰ অকমান লন খনলৈ ওলাই লৰি আহিছিল।

—কলৈ গৈছিলা আইজনী ?

—ফুৰিবলৈ।-সৌ নৈৰ পাৰে পাৰে।

—তোমালোকে সদায়ে ফুৰিবলৈ যোৱা নহয় ?

—ওঁ। বাইদেউৰ কাৰণে আবেলি এপাক নুফুৰিলে নহয়।

তেতিয়াও ৰূপমালা মোৰ পদূলিৰ সমুখৰ আলিটোতে থিয় হৈ আছিল। ৰূপমালাৰ সঙ্কোচ গুচাবলৈ, ৰূপমালাক সহজ কৰিবলৈ মই হঠাতে ৰূপ মালাক মাতি পেলালো।

—মালা, তুমি দেখোন আলিতে থিয় হৈ ৰলা, আঁহা আকৌ। মালা কিন্তু নাহিল। একো নকলেও। এবাৰ মাথো চাই হৰেণ ফুকনৰ ঘৰৰ ডাঙৰ গেটখন খুলি ঘৰলৈ সোমাই গল। আইজনীয়েও হঠাতে (আহোঁ দেই) বুলি ঘৰলৈ দৌৰি গল। মোৰ মনটো বেয়া লাগি গল। একো যেন বুজি নেপালো। যি জনী ছোৱালীৰ এজোৰ তৃষ্ণাতুৰা চকুৰে পুৱা-গধূলি দুয়োবেলাই হৰেণ ফুকনৰ ঘৰৰ এটা কোঠাৰ পশ্চিমৰ খিৰিকিৰ দাং খাইথকা পৰ্দ্দাৰে চাই থাকে, সেইজনী ছোৱালীয়ে মোক এনেকৈ অৱজ্ঞা কৰি যাব বুলি ভবা নছিলোঁ। ভবা নাছিলোঁ জীৱনত পোন প্ৰথম বাৰৰ বাবে বেলেগ ধৰণে ভাল লাগি যোৱা ছোৱালী জনীয়ে মোক এনে ধৰনে প্ৰত্যাখ্যান কৰিব। —কিন্তু সেয়ে হল। মোৰ কাষত থকা চাহ কাপৰ পৰা উৰিবলৈ ধৰা ধোৱাঁবোৰ উৰা বন্ধ হৈছিল। নিশা হৈ অহা কাৰনে ব্লিডিং হাৰ্ট' জোপাৰ অকমানি ৰঙা খিনি মই মনিব নোৱাৰা হৈ আহিছিলোঁ।

প্ৰত্যেক পুৰুষৰে এনেকুৱা হয় নেকি নেজানো। কিন্তু মোৰ কিয় এনে হৈছিল কব নোৱাৰো। ৰূপ মালাৰ সেই ব্যৱহাৰে মোৰ পুৰুষ সত্বাটোৰ কোনোবা খিনিত আঘাত কৰিছিল। সৰুতে মাহঁতে পুৱলৈ যাব দিলে মই পশ্চিমলৈ গৈ ৰং পাইছিলোঁ। তেতিয়া মাহঁতৰ নিৰুপায়ত পৰা মুহুৰ্ত্তটো দেখি মই তৃপ্তি পাইছিলোঁ। মোৰ সেই সৰু কালিৰ মনটোৱে আকৌ উক দিবলৈ আৰম্ভ কৰিলে নেকি নেজানো কিন্তু ৰূপ মালাক মোৰ একান্ত নিজৰ কৰি পাবলৈ মই দৃঢ় প্ৰতিজ্ঞ হলো।

এয়া মাহঁত আহি পালে। আমাৰ অকাশী ৰঙৰ এম্বেচেদৰ খনৰ পৰা মা আৰু ভনীজনী হাঁহি হাঁহি নামি আহিছে। মাৰ মুখত কিবা জয় কৰাৰ হাঁহি আৰু ভনী জনীৰ হাঁহিত দুষ্টালি।

ৰূপমালাক দেখাৰ আগেয়ে, মাহঁতৰ পৰা মই মোৰ বিয়াৰ বিষয়ত পোৱা প্ৰস্তাৱ বোৰক বিতৃষ্ণাৰে প্ৰত্যাখ্যান কৰি আহিছোঁ। মই এক প্ৰকাৰ মাৰ অন্তৰত দুখ দিয়েই কৈ পেলাইছিলো-মা, বোৱাৰী যদি তোমাৰ ইমানেই প্ৰয়োজন, তেন্তে নকুলৰে বিয়া পাতি দিয়া,

তাত মোৰ অকণো আপত্তি নাই। কিন্তু মোক আৰু বিয়াৰ বিষয় লৈ আমনি নিদিবা। "নহলে মই ঘৰলৈ অহাও বাদ দিম" (নকুল মোতকৈ এবছৰে সৰু ভাই)। মই দেখিছিলো মাৰ চকুদুটাত সেই দিনা, অকণ অকণ পানীৰ টোপালে চকুৰ পতা দুটা খহাই দিবলৈ চেষ্টা কৰিছিল সেয়ে মোৰ পৰা বিয়াৰ সম্মতি আৰু ৰূপমালাৰ কথা লিখা চিঠি খন পাই মা আচৰিত হৈ গল। ভনী জনীয়ে কিন্তু অকণো আচৰিত নোহোৱাৰ দৰে চিঠি লিখিলে—মই জানো। মই জানো তুমি এদিন সন্মত হবাই। অকল তলা-চাবিৰ জোৰকেই আৰু কিমান দিন ঘৰ ৰখিয়া কৰি ৰাখিবা, নহয় জানো?... ৰূপমালাৰে ঘৰ সজাবলৈ চাগে তুমি উদ্ বাউল হৈ পৰিছা নহয়?— মাহঁতৰ সম্পূৰ্ণ সম্মতি আছে'। তাৰ পিচত মা আৰু দেউতাৰ পৰা চিঠি পাইছিলোঁ। আৰু আজি মা আৰু ভনী জনী আহিছে বিয়াৰ প্ৰস্তাৱ লৈ। মোৰ মনটো হঠাতে ভাল লাগি গল। ভাল লাগি গল এই ভাবি যে, পৰাজয়ৰ গ্লানিৰে কলা পেলাৱ খোজা মনটোক আকৌ যেন বিজয়ৰ হাঁহিৰে উজ্বলাব পাৰিম।

হৰেণ ফুকনৰ ঘৰলৈ যাবলৈ সাজু হৈ আকৌ এবাৰ মোৰ শোৱণী কোঠাৰে পূৰৱ খিৰিকি খনেৰে চাই পঠিয়ালোঁ। কৰ পৰা জানো ভনীজনী ওলালে,—মই ধৰাপৰি গলো।
—সৌ চুলি উৰা কপালেৰে, সৌ জনী কোন ককাইদেউ?
—কোন জনী অ'?
—সৌ জনী তোমাৰ চকুৰ আগত!
—ধেৎ বাজে কথা নকবি যা।
—ইমান ধুনীয়া চুলি! আমাৰ বোৱহে—
—তোৰ জানো এই বোৰ চুলি।
—থিক্ আছে মই যদি সেই চুলি কোছা কাটিব নোৱাৰো, তেন্তে—। এনেতে মা আহি সোমালহি। আমি তিনিও হৰেণ ফুকনৰ ঘৰটোৰ লোৰ গেট খুলি সোমাই গলো।

মাহঁতকত লৈ একো নজনোৱাকৈয়ে হঠাতে মই ওলোৱাদেখি হৰেণ ফুকন আচৰিত হৈ গৈছিল। আগতে কোনো খবৰ নিদিয়াৰ বাবে মোক এক প্ৰকাৰ খং কৰিয়েই উঠিল। মাহঁতো খুব কম সময়ৰ ভিতৰতেই সহজ হৈ পৰিল। চাহ আদি খোৱাৰ পিচত এটা সময়ত মাহঁতৰ কথাই দিশ সলালে। কথাৰ মূৰতে মাই আমি অহাৰ উদ্দেশ্য জনালে। মাই কৈ দিলে ৰূপমালাক বোৱাৰী হিচাবে পালে আমাৰ ঘৰ খন সুখী আৰু আনন্দিত হব। ময়ো এই মূহুৰ্ত্তটোলৈয়েই ৰৈ আছিলোঁ এবাৰ লাজ লাজ ভাবেৰে ফুকনৰ মুখ খনলৈ চাবলৈ চেষ্টা কৰি মই ৰৈ গলো। মায়ো বোধহয় লক্ষ্য কৰিলে হঠাতে বৰণ সলোৱাৰ ফুকনৰ মুখ খনলৈ। মাই এবাৰ মোৰ মূখলৈ চালে। ভনী জনীয়েও যেন বুজিলে, আমাৰ কোনোবা খিনিত ভুল হৈ গৈছে। এই নিৰৱ মূহুৰ্ত্ত বোৰ মোৰ অসহ্য লাগিল। মোৰো চাগে এই নিৰৱতা ভাল লগা নাছিল, সেয়ে মাই কলে,—
-,মই" অৱশ্যে আপোনাৰ মতহে বিচাৰি আহিছোঁ। যদি ভাবে আমাৰ ঘৰত ৰূপমালা সুখী হব নোৱাৰে, নাইবা আপোনাৰ কন্যা আমাৰ ঘৰলৈ—।

নাই, নাই, আপোনালোকে মোক ভুল নুবুজিব ।

হঠাতে যেন ফুকনে সাৰ পালে। খুউব সন্তৰ এইমাত্ৰ খাই শেষ কৰা চাহ-কাপটোৰ তলিত নগলাকৈ পৰি থকা চেনি খিনিলৈ চাই চায়েই কৈ গল,—

—আপোনালোকৰ পুত্ৰক মোৰ জোৱাঁই হিচাবে পালে মই খুউব সুখী হলোহেঁতেন । আপোনালোকৰ ঘৰৰ কথাও মই জানো । সেই খন ঘৰলৈ অকল ময়েই কিয় যি কোনো বাপেকেই নিজৰ ছোৱালী দিবলৈ আগ্ৰহ কৰিব । কিন্তু এই বিয়া হব নোৱাৰে । —অৱশ্যে আন কৰবাত যদি আগেয়ে কথা দি থৈছে তেনেহলে স্বকীয়া কথা । তাৰ বাবে আমি অকনো বেয়া নেপাওঁ । কিয় জানো কব নোৱাবো, ফুকনে উঠি গৈ আলিৰ ফালৰ খিৰিকি এখনৰ পৰ্দ্দাখন আঁতৰাই দিলে ।

—কতো বিয়াৰ বন্দবস্ত নাই । ৰূপমালাৰ বিয়াৰ প্ৰশ্নই উঠিব নোৱাৰে । ৰূপমালাৰ জীৱনৰ কথা শুনি বা জানি কোনেও কেতিয়াও তাইক বিয়া কৰাবলৈ আহিব নোৱাৰে । ভনী জনীয়ে মোৰ ফালে ভয়ে ভয়ে এবাৰ চালে । তাই যেন এইবাৰ হে আচল কথাটো শুনিলে । তাই যেন বুজিলে ৰূপমালা এজনী সাজ্ঘাটিক ছোৱালী - তাইৰ জীৱনত কিবা কলঙ্ক আছে । কিন্তু মই হঠাতে কৈ উঠিলোঁ।—

—ৰূপমালাৰ জীৱন যিমানেই কলঙ্কিত নহওক, যিমানেই দোষী নহওঁক,- মই যদি বিয়া কৰাবলৈ ইচ্ছা কৰো !

মই ইমান দূৰ আগবঢ়াৰ বাবে মাই বোধহয় ভাল নেপালে । কাৰণ মাৰ হাতৰ চাপ এটা মোৰ হাতত অনুভব কৰিলোঁ। —ৰূপমালাৰ জীৱন কলঙ্কিত নহয় । তুমি মোক ভুল নুবুজিবা । মই এই বিয়াত সম্মতি দিব নোৱাৰো । জানি শুনি মই তোমাৰ দৰে ডেকাৰ জীৱনলৈ দুখ আনি দিব নোৱাৰো । তুমি মোক ভুল নুবুজিবা বিজন ; ৰূপমালাক লৈ তুমি কেতিয়াও সুখীহব নোৱাৰো। তাই তোমাক আতাইতকৈ প্ৰয়োজনীয় চেনেহৰ মাতষাৰেই দিব নোৱাৰে । তাই অভিশপ্তা — তাই বোবা ।

আমি আটাইকেইটা স্তব্ধ হৈ গলো । অজ্ঞাতে মা আৰু ভনীজনী কেতিয়া আহিবলৈ থিয় হৈছিল কব নোৱাৰো । ময়ো মুক হৈ পৰিলোঁ । 'বুক চেল্ফ টোৰ ওপৰত থকা, ওপৰলৈ মূৰকৰি থকা মহৰ শিঙৰ বগলি টোলৈ চাই থকা হৰেণ ফুকনক কি কম বিচাৰি নেপালোঁ । মই বুজিব নোৱাৰিলোঁ- ৰূপমালাকে মই গ্ৰহণ কৰিব পাৰো নে নোৱাৰো । দুখন শুধ বগা ভৰি পৰ্দ্দাৰ সিফালে আঁতৰি গল । এষাৰো কথা নোকোৱাকৈ মা আৰু ভনীজনীৰ লগত ময়ো হৰেন ফুকনৰ ঘৰৰ লোৰ গেট খন পাৰহৈ গুছি আহিলোঁ ।

আৰু এয়া মোৰ শোৱনি কোঠাৰ পূবৰ খোল খাই থকা খিৰিকি খনেৰে দেখিলোঁ, আলিৰ সিপাৰে থকা হৰেন ফুকনৰ ঘৰটোৰ এটা কোঠাৰ মেৰুণ ৰঙৰ পৰ্দ্দাথকা পশ্চিমৰ সেই খিৰিকি খন বন্ধ হৈ গৈছে । - বোধহয় চিৰ দিনলৈ ।

---

শ্ৰীখগেন্দ্ৰ নাথ পেগু
২য় বাৰ্ষিক বিজ্ঞান

# ত্ৰিপদী—

কুমাৰী ছন্দাই কোনো দিনে ভৰা নাছিল তাইৰ ভৱিষ্যতটো এনেকুৱা হ'ব বুলি। আজি কেবাদিনৰ পৰা ছন্দাই একেটা কথাকে ভাবিছে ঃ চিন্তা কৰিছে তাইৰ কিয় এনেখন হ'ল। তাই পঢ়িব পৰা নাই। ভালকৈ টোপনি যাব পৰা নাই কলৈকো ওলাবলৈ মন যোৱা নাই। আনকি কলেজলৈকো যাবলৈ এৰি দিছে। গা ধোৱা নাই। মূৰত তেল নপৰি আগলি আগলি কলাপাত লৰোৱা বতাহ জাকত তাইৰ চুলি খিনি উৰিছে বিশৃঙ্খল ভাবে। তাইৰ কোমল গালত আজি কেবাদিনৰ পৰাই সুগন্ধি স্নো-পাউদাৰৰ পৰশ পৰা নাই। তাইৰ এই অৱস্থা লক্ষ্য কৰি মাক চিন্তিত হৈ পৰে। সুধিলে চমুকৈ উত্তৰ দিয়ে ঃ আজি কেবাদিনে মূৰৰ বিষ এটা লাগিয়েই থকা যেন পাইছো। মূৰৰ বিষ এটা লাগিয়েই থকা যেন পাইছো। খাব-ল'বৰ একো মন যোৱা নাই। মাকে ভাবিছে ঃ হ'ব পাৰে মূৰৰ বিষ। এটা বা দুটা পিল খালেই ভাল পাব। কিন্তু এয়া জানো পিল খালে ভাল হোৱা বেমাৰ? প্ৰকৃত মূৰ কামোৰণি? এনে বেমাৰত জানো ডাক্তৰী ঔষধে কাম কৰিব?

ছন্দাই আজি মাকক ফাকি দিছে। কিন্তু তাই নিজেই নিজক কিমান বাৰেই যে ফাকি দিয়া নাই। লগতে নিজক ফাকি দিয়াৰ লগে লগে ফাকি দি আহিছে প্ৰনৱক, ৰাণাক আৰু মনোজক। তাই কোনো দিনে ইজনৰ কথা সিজনক কোৱা নহ'ল। জনোৱা নাই। অথচ তাইৰ প্ৰত্যেকজনৰ লগতে নিবিড় সম্বন্ধ আছিল। তাই ফাকি দিলে, ছলনা কৰিলে প্ৰনৱক, ৰাণাক আৰু মনোজক আৰু লগে লগে নিজৰ আত্মাক। কিন্তু তাই জানো সঁচাকৈ প্ৰনৱহঁতক প্ৰতাৰণা কৰিব পাৰিলে? নোৱাৰিলে। সেয়ে আজি তাইৰ অন্তৰে কান্দি উঠিছে হৃদয়ৰ, আত্মাৰ দহনত।

ৰঙাগোলাপৰ কলিৰ সৌন্দৰ্য্যখিনি তাইৰ গাল দুখনিত বিৰাজ কৰিছিল। তাইৰ গভীৰ নীলা চকুজুৰিৰ একোটা কটাক্ষ চাৰনিত অনেক জনৰ চকুৰ দাম থৰ লাগি গৈছিল। প্ৰতি খোজত এটা ছন্দই বেলেগ বেলেগ ৰূপত গঢ় লৈছিল। অনাবিল যৌৱনৰ ছন্দেৰে ভৰা তাইৰ সৰ্ব্বাঙ্গশৰীৰত এজন দুজনকৈ দেখা পাইছিল তিনিজন যুৱক প্ৰনৱ, ৰানা আৰু মনোজে সপোন সুৰভি শাৰদীয় জোনাকৰ মাজনিশা ফুলি সৰা এখৰাহি শেৱালীৰ ফুল। প্ৰতিজনেই বিচাৰি পাইছিল ছন্দাৰ দেহাত

নিজক জীয়াই ৰখাৰ মধুৰ ছন্দ। সেয়ে প্ৰতি জনেই তাইক কৈছিল ঃ ছন্দা তোমাক মোৰ ইমান ভাল লাগে। তাইয়ো কৈছিল ঃ মোৰো আপোনাক মোৰ সকলোখিনি দামেৰে ভাল পাওঁ। এয়াই আছিল ছন্দাৰ প্ৰতিজনৰ ওচৰত ভালপোৱাৰ জোখ-মাপ।

ভুপৰীয়া তাই অকলশৰে ঘৰত। মাক কোনোবাফালে ইতিমধ্যে ফুৰিবলৈ ওলাই গৈছে। কিয় জানো ছন্দাৰ আজি নিজকে চাই লবৰ মন গল। তাই টেবুলৰ আয়না-খনত নিজৰ অবয়বটো ভালকৈ চাই ল'লে। মুখখন শেঁতা পৰি গৈছে। চকুজোৰ কিছু সোমাই গৈছে। তেল নপৰা চুলিকোচা ডাল ডাল হৈ অ'ত ত'ত পৰিছে। খিৰিকীৰ ফাকেদি সোমাই অহা বতাহ জাকে পৰ্দা দাঙি ডাল ডাল হৈ পৰিথকা চুলিখিনি চুমা যাচি গুচি গল। উন্নত বুকুত পৰিথকা শুকান চুলি কোচাই বতাহৰ লহৰত নাচি উঠিল। চুলি কোচাৰ ফাকে ফাকে আঙুলি বুলাই তাই ভাবিলে ঃ অৱসাদ। পৰিনাম, অনুশোচনা। কিহৰ……? তৃষ্ণাৰ নে, বিৰহৰ? গ্ৰীষ্ম কালীন মধ্যাহ্ন সূৰ্য্যৰ প্ৰখৰ ৰ'দৰ মৰুযাত্ৰীৰ দৰে অন্তৰৰ ভাৱ যে ৰুদ্ধ হৈ যাব খুজিছে। বাৰে বাৰে যেন প্ৰনৱে তাইক লক্ষ্য কৰি কৈছে ঃ শুনা ছন্দা, এইয়াই মোৰ শেষ বাণী তোমাৰ অনাবিল যৌৱনৰ মধুৰ ছন্দত বহুতে ভোল যোৱাৰ দৰে ময়ো ভোল গৈছিলো, কিন্তু এতিয়া ভোল ভাগি যোৱাৰ পাচত আৰু পুনঃ ভোলত ডুব নেযাওঁ। তোমাক যে ভাল পাইছিলো ইও সঁচা ছন্দা কিন্তু ছন্দা তোমাক ভাল পায়ো আৰু ভাল পাব নোৱাৰো। তুমি যেন সুখী হোৱা……।

এইবাৰ যেন ৰানাৰ উক্তি ঃ কুমাৰী ছন্দা, এয়াৰ কথা কবলগীয়া আছে। হয়তো এয়েই মোৰ তোমাৰ ওচৰত শেষ কথা। কোনোবা ঝৰণাৰ পাৰত বন পখীৰ কলকণ্ঠ সুৰৰ দৰে মিঠা বৰণীয়া তোমাৰ ৰূপ আৰু কথাৰ ছন্দত ভোল যোৱাটো হয়তো মোৰেই দোষ নহয়। মোৰ দৰে হাজাৰ জনৰ বুকুত তোমাৰ ৰূপ দেখি উন্মেষ নহব বুলি কোনে কব। মই ভোল গৈছিলো কোনোবা এটা সন্ধিয়াৰ ৰাঙলি আভাত তোমাৰ মুখৰ কমনীয়তা দেখি। কিন্তু এতিয়া বুজি পাইছো—তোমাৰ মুখৰ কান্তি অকল মোৰ বাবেই নহয়। ই বহুতজনৰ বাবে। গতিকে বিদায় হে।

এইবাৰ কানৰ পৰ্দাত বাজি উঠিল মনোজৰ কথাবোৰ ঃ ছন্দা, আজি তোমাক নতুন ৰূপত দেখা পাইছো। তোমাক বুজি পাইছো তুমি কি আৰু কেনেকুৱা ঃ ফুলি থকা এপাহি ফুলৰ পাহিত চুলে যি কোম-লতা, সেইখিনি তোমাৰ অনাবিল যৌৱনৰ চন্দ্ৰা-জ্জ্বল ৰঙা অথচ সুকোমল গালত টোকৰ মাৰি সেই সোৱাদ অনুভৱ কৰিছিলো এপাহি ফুলি থকা ফুলৰ ৰস হাজাৰ ভোমোৰাই চুঁহিব পাৰে। ইও সঁচা। কিন্তু তোমাৰ অবাৰিত যৌৱন ফুলতকৈ শতগুণে অমৃতৰ বিন্দুৰে ভৰপূৰ হলেও তুমি মানুহ। তোমাৰ বিবেক আছে, আত্মা আছে, চিন্তা শক্তি আছে। সকলো থাকিও আজি তোমাৰ একো নাই। তুমি মোৰ মনত খুউব নিজস্ব ঃ নিষ্ঠুৰ সেয়ে

তোমাৰ ভাল পোৱাত মই শান্তি পাব নোৱাৰিলো। সুখী হব নোৱাৰিলো। বিদায়হে...।

কুমাৰী ছন্দাই আইনাথনলৈ অপলক দৃষ্টিৰে চাই ৰয়। এইয়া তিনিজন মানুহৰ তিনিদফা বিদায়ৰ বাণী। শেষ বাণী। কোনো ঘূৰি নাহে। একেটি গানৰ তিনটা ৰেকৰ্ড তিনটা গ্ৰামফোনত একে সময়তে একেলগে বাজি উঠাৰ দৰে তাইৰ মনৰ ৰেকৰ্ডও বাজি উঠিল। তাই নীৰৱে শুনি ৰ'ল। জীৱনত জীয়াই থকাৰ সপোন ৰচনা কৰিবলৈ যাওঁতে তাইৰ আজি কি হ'ল। তাই অধৈৰ্য্য হৈ বিচনাত বাগৰি পৰে। প্ৰণৱে ভাবিছিল: সচাঁকৈ ছন্দাই মোক অন্তৰ ভৰি ভাল পায়। মোৰ প্ৰথম দৃষ্টিত তাইৰ চকুত হাজাৰ তৰাৰ পোহৰ দেখিছিলো। মোৰ প্ৰথম চিঠিৰ উত্তৰত বহুত প্ৰেমিক-প্ৰেমিকাই তেনেদৰে লিখিব নোৱাৰা ভাষাৰে মোক ভাল পাওঁ বুলি বুজাবলৈ চেষ্টা কৰিছিল। তাৰ হিচাব এতিয়াও ট্ৰাঙ্কৰ ভিতৰত ভৰি আছে কতদিন তাইৰ লগত সোণালী জীৱন ৰচনাৰ মধুৰ প্ৰেমালাপ কৰিলো। কিবা অভিযোগ তুলি তাই কান্দি দিছিল। কিন্তু এইয়া তাই মোক কি কৰিছে। ছলনা। অকল চলনাই নহয় প্ৰৱঞ্চনাও। মইয়েই তাইৰ প্ৰেমিক নহয়। তাই ভাল পোৱা কেইজনো। ৰাণা, মনোজকো ভাল পায় ছন্দাই। আৰু বা কিমানৰ লগত তাইৰ কনট্ৰেক্ট আছে কোনে কব। ধিক্ ছন্দা তোমাৰ ধিক্ তোমাৰ প্ৰেম। সকলো ভাল পোৱা ধিক্ তোমাৰ প্ৰেম। সকলো কথাইটো এতিয়া ধৰা পৰিছে। সেইয়ে সেইদিনা এটা ফাগুণৰ সন্ধিয়াত প্ৰনৱে ছন্দাক সেইদৰে কলে।

ৰাণাই ভাবিছিল: ছন্দাই মোক যেনেকৈ ভাল পায় সেই ভাল পোৱাৰ কোনো তুলনা নাই। তেনে ভালপোৱা প্ৰেমিকাৰ প্ৰেমিক হৈ ৰাণাই নিজে গৌৰৱ বোধ কৰিছিল। মোৰ প্ৰথম পৰিচয়তে তাই আত্মগোপন নকৰাকৈ সকলো কথাই কৈছিল। ঘৰৰ পৰিচয়ত মাক-বাপেক, ভায়েক আৰু তাইকলৈয়ে ঘৰ খন। বাপেকে ভাল চাকৰি কৰে। ভায়েক নৱমমান শ্ৰেণীৰ ছাত্ৰ। তাইৰ লগত চিনাকি হোৱাৰ পিচৰ পৰা সপ্তাহত দুই এবাৰকৈ আহিবৰ বাবে অনুৰোধৰ ডাক পৰিছিল তেতিয়া তৃতীয় বাৰ্ষিকৰ ছাত্ৰ হৈয়ে আছিলো। গ্ৰেজুৱেট হোৱাৰ সপোন ইফালে যৌৱনৰ বা লাগি গা ৰাঁই জাঁই কৰা বয়স। কেতিয়াবা ছন্দা হঁতৰ ঘৰলৈ আহিলে আদৰ সাদৰ কৰে। নাখাওঁ বুলি কলেও মৰমতে ইটো সিটো বস্তু খাবলৈ দিয়ে আমনি লাগি যোৱাকৈ। কলেজত, ঘৰত, পিক্‌নিক আদি খাবলৈ যাওঁতে কিমান বাৰ যে গান গাইছিলো। তাই চেঁতাৰ বজাইছিল। দুয়ো দুয়োকে গান আৰু চেতাৰৰ তাঁৰৰ সুৰত বিচাৰি পাইছিলো। সিজন যেন ইজনৰ প্ৰেৰণাৰ উৎস। কিমান বাৰেই যে তাই কোৱা নাছিল আপোনাক ভাল পাওঁ বুলি। কিমানবাৰ তাই ৱৰ্ড দিছিল। কিন্তু ইমান ভাল পাওঁ বুলি কোৱাৰ পাচতো তাই প্ৰণৱক, মনোজকো কেনেকৈ ভাল পাব পাৰিলে। এয়া কি প্ৰেম নে ভ্ৰম? প্ৰেমনে প্ৰৱঞ্চনা। ছন্দা।—তোমাৰ সকলো চলনা মাথোন। আৰু কিমান দিন আত্মগোপন কৰিবা? ঠিকাদাৰ প্ৰণৱ সঙ্গীতজ্ঞ চেতাৰ বাদক মনোজ সকলোকে তোমাৰ ভাল লাগে। তুমি

ভাল পোৱা সকলোকে। তোমাক জীয়াই থাকিবলৈ টকা, সঙ্গীত আৰু বিদ্যা সকলো লাগে। ধন্য তোমাৰ প্ৰেম ছন্দা” বাণাই ভাবি ভাবি দূৰৰ বহল আকাশ খনলৈ চালে —আকাশখন ইমান নীলা আৰু ইমান বহল। সি যেন নীলা আৰু বহল আকাশৰ বুকুত ছন্দাৰ সকলো স্মৃতি এৰি দিব।

—টুং টুং টাং টাং কৈ মৃদু ছন্দে মনোজে বিচনাত পৰি থকা চেতাৰৰ তাঁৰ কেইডালত আঙুলি বুলাই চালে। দিনৰ দিনটো খেজ কাঢ়ি ভাগৰি পৰাৰ দৰে তাৰ মনত অশেষ ক্লান্তি বোধ কৰিলে। আঙুলিবোৰ জঠৰ হোৱা যেন লাগিল। এক নাৰী মূৰ্ত্তিয়ে মনোজৰ চকুৰ পতাত চঞ্চল নৃত্যৰে নাচিব লাগিছে। বাৰে বাৰে যেন তাইৰ চাদৰৰ আঁচলে মনোজক আমনি কৰিছে। মনোজ ভাবি ভাবি তন্ময় হৈ যায়। মনোজেও ভাবিছিল ঃ ছন্দাই প্ৰথম চিনাকিতে দাদা বুলি মাতিছিল। অৰ্থাৎ ছন্দাৰ দেউতাক বিনোদ বৰুৱাক বিশেষ কাৰণত মনোজে বিচাৰি ছন্দাহঁতৰ ঘৰত ওলালগৈ। দেউতাকে তেতিয়া কথাৰ মূৰত ছন্দাক কৈ দিছিল যে মনোজে ভাল চেতাৰ বজায়। কেবাখনো সভা সমিতিত চেতাৰ বজোৱা দেখিছো। এয়েই ছন্দাৰ লগত মনোজৰ প্ৰথম চিনাকি। তাই কৈ উঠিল ঃ মোৰো চেতাৰ বজাবৰ বৰ ইচ্ছা। সেয়ে সিদিনা দেউতাক কৈ চেতাৰ খন অনাইছো। আপুনি মোক শিকাব লাগিব। ইত্যাদি অনেক কথাই তাই অনুৰোধ কৰিছিল। তাইৰ কথা পেলাব নোৱাৰি মনোজে ছন্দাক চেতাৰ শিকাবলৈ গাত লৈছিল। এদিন ছন্দাই কৈয়েই দিছিল ঃ আপোনাৰ আঙুলিৰ বুলনিত স্বয়ং স্বৰস্বতী বিদ্যমান। মোৰ কিটাক হলে তাঁৰে কাটি পেলাইছে। তথাপি চেষ্টা কৰিম আপোনাৰ দৰে স্বতঃসিদ্ধ হবলৈ। পাৰিম নে বাৰু? উত্তৰত মনোজে কৈছিল ঃ কিয় নোৱাৰিবা ছন্দা, চেষ্টাই শিক্ষাৰ মূল। একানপতীয়া চেষ্টাই তোমাক অলপ দিনৰ ভিতৰতে ভাল চেতাৰ বাদক কৰি তুলিব। লাগে আপ্ৰাণ চেষ্টা। আৰু আঙু-লিত যে স্বৰস্বতী থকা বুলি কোনে কলে। মনত; হৃদয়ত। সেইবোৰ বহুত কথা। তাইক সদায় এটকৈ ৰাগৰ স্বৰ শিকাব লাগে। আদিন ৰাগৰ সুৰত যেন বাজি উঠিছিল চেতাৰৰ তাঁৰ কেইডাল। তাই শুনি নিৰ্ব্বাক হৈ ৰয়। মনোজে কেতিয়াবা নিজকে পাহৰি যায়। ছন্দাই এদিন কথাত কথা উলিয়াই কৈছিল ঃ সঙ্গীত কলা, বাদ্যযন্ত্ৰৰ ভিতৰত চেতাৰতকৈ কোনো যন্ত্ৰতে বেচি করুণ সুৰ বাজি নুঠে। নহয়নে মনোজ দা? মানুহৰ জীৱনবোৰক যদি সঙ্গীতময় কৰি লব পৰা হলে কিমান মধুৰ, কিমান সুখৰ জীৱন হল হেঁতেন। জানা ছন্দা ঃ মানৱ জীৱনত কোন বোৰক তুমি সুখী বুলি ভাবা? সুৰ আৰু কলা সাধক সকলেই নিজৰ পৰিতুষ্টিক কিছু-সময়ৰ বাবে লাভ কৰি সুখী হব পাৰে। ইত্যাদি……। তেনে বিলাক কথাৰ মাজেদি মনোজে আবিষ্কাৰ কৰি লৈছিল ছন্দাৰ সমস্ত আত্মা আৰু শৰীৰ আপোন কৰি লবলৈ। জীৱনক সুখময়, মধুময় কৰি তুলিবলৈ! তাইয়ো তাৰ পৰা সেইবোৰকে বিচাৰিছিল সেয়েহে তাই তাৰ কোলাত মূৰ গুজি কৈছিল ঃ মনোজ দাদা, আপোনাৰ অবিহনে মোৰ জীৱনৰ

বস্তি কোনো কালে নজ্বলিব। কিন্তু এইয়া কি? মনোজৰ অন্তৰ চিঞৰি উঠিল। মই তেন্তে—হন্দাৰ আত্মাক, মনক চিনি নেপালো? তেন্তে ছন্দাই মোক কোৱাৰ দৰে বহুতক কয়? ছন্দা; ধিক্ তোমাৰ যৌবন। ধন্য তোমাৰ প্ৰেম। ধন্য তোমাৰ মৰম। কুমাৰী ছন্দা তোমাক শতেকবাৰ ধন্যবাদ জনাইছো। তোমাৰ দৰে আত্মগোপনকাৰী প্ৰতাৰক নাৰীয়েই পৃথিবীত জীয়াই থাকিব পাৰিব। ভাল পাওঁ বোলা কথাষাৰ তোমালোকৰ মুখৰ খজুৰতি মৰাহে মাথোন।

কুমাৰী ছন্দাই চিলমিল টোপনিৰ পৰা সাৰ পোৱাৰ দৰে চকু দুটা মোহাৰি মোহাৰি বহি ৰল অন্যমনস্ক ভাবে। তাইৰ অবিৰত ভাবনাক যেন ৰুদ্ধ কৰিবৰ বাবে কোনো শক্তি নাই। দেহৰ প্ৰতিবিন্দু আৰু কলিজাৰ ঈষৎ ৰঙা তেজৰ কণিকাই যেন তাইৰ অন্তৰখনক খুলি খুলি বিচাৰিছে—এনে অনুভৱ হল ছন্দাৰ সমস্ত দেহ আৰু মন। শান্তি বিহীন ভাবে তাইৰ সমগ্ৰ সত্বা অবশ কৰি পেলাইছে এটা ভাব, এটা প্ৰশ্ন ক'ত ভুল কৰিলো আৰু কিহৰ পৰিনাম! তিনিও জনৰ ভিতৰত প্ৰত্যেক জনকেই মই প্ৰাণভৰি ভাল পাইছিলো যেতিয়া, যেই কোনো এজনক পালেইতো মই সুখী হব পাৰিলো হেতেন। অথচ এজনকো নেপালো। প্ৰত্যেক জনকেতো আপোন কৰি লবৰ বাবে সমস্ত মন, সমস্ত দেহা এৰি দিছিলো। সপোন ভৰা একোটা সুৰভি নিশাত প্ৰত্যেকৰ লগতে অজানিত শিহৰণ জাগি উঠিছিল। প্ৰণব, ৰাণা আৰু মনোজে তথাপি কিয় মোক সেই দৰে কৈ গল। তেন্তে সিহঁতে মোক ঘৃণা কৰে! হাঁয় হৃদয় মই প্ৰতাৰক! মই প্ৰবঞ্চক! মোৰ প্ৰেম, মোৰ ভাল পোৱা প্ৰলোভন! মোৰ প্ৰতি বিন্দু তপত তেজৰ ভাল পোৱাৰ কণিকাৰে সিহঁতক সকলো দিও সিহঁতক সুখী কৰিব নোৱাৰিলো! প্ৰতাৰক মইনে সিহঁত? প্ৰবঞ্চনা কোনে কৰিলে? সিহঁতে নে মই?

নিৰ্ব্বাক নিস্পন্দন ভাবে পৰি থকা ছন্দাই এবাৰ কমৰাৰ চাৰিও ফালে চকু ফুৰালে অলস ভাবে। হঠাৎ ছন্দাৰ বিছনাৰ ওপৰত পৰি থকা চেতাৰ খনৰ ওপৰত চকু থৰ লাগি ৰই গল। চেতাৰৰ প্ৰতিডাল তাঁৰত যেন মনোজৰ হেঙুলীয়া আঙুলি কেইটা নাচি উঠিল। ৰাগ ভূপালী স্বৰে স্বৰে যেন চেতাৰত মৃদুধ্বনি বাজি উঠিল। সেইসুৰে যেন তাইৰ বহুতো নিশা মনোজৰ ওচৰত নিৰ্ব্বাক হৈ থকাৰ সপোন আনি দিছে! তাই যেন মনোজৰ লগত প্ৰথম চিনাকিৰ দিনটোলৈ উভতি গৈছে। ছন্দাৰ মন যেন সপোন আৰু বাস্তবৰ সমন্বয়ত কান্দি উঠিল। তাইৰ খঙো উঠি যায়।

ছন্দাই দুখ-আৰু বেজাৰত চেতাৰৰ ওপৰৰ পৰা চকু ঘূৰাই আনি দেখিলে টেবুলৰ ওপৰত পৰি আছে ৰাণাই কৰি দিয়া নোট বহীখন। সেইয়া ৰাণাই নোট কৰি দিয়া "ৰোমিও এণ্ড জুলিয়েটৰ" প্ৰণয় কাহিনীৰ বাচক-বনীয়া প্ৰশ্নৰ উত্তৰ। আদৰ্শ প্ৰেমিক-প্ৰেমিকাৰ কাহিনী।

এইবাৰ তাইৰ চকু পৰিল আলনাত জাপি থোৱা আকাশী ৰঙৰ শাৰীখনলৈ। দামটো কিমান আছিল তাই কব নোৱাৰে।

লেগু মাষ্টাৰ দোঁৰাই ফুৰা নামজ্বলা ঠিকাদাৰ প্ৰণৱ চৌধুৰীয়ে কলিকতাৰ পৰা আনিছিল।

তাইৰ চকুত ভাঁহি উঠিছিল তিনিওজনৰ প্ৰতিচ্ছবি এজনৰ পিচত এজনকৈ। প্ৰতিজনৰ চকুত যেন এটা ঘৃণাৰ ভাৱ প্ৰকট হৈ উঠিছে। প্ৰত্যেকে যেন তাইক কৈছে: ছন্দা তোমাক ধন্যবাদ। ধিক্ তোমাৰ যৌৱন। ধন্য তোমাৰ ভাল পোৱা।…তাই নিজকে কব নোৱাৰা হৈ যায়। চিন্তাৰ সোঁতত যেন তাই উটি উটি গৈ আছে। তাইৰ বাবে কতো ঠাঁই নাই। তাই নিজকে প্ৰশ্ন কৰিলে: মই কোন? মই কত ভুল কৰিলো? ভাবি ভাবি তাই বিচনাতে ইলুটিৰ পাচত সিলুটি বাগৰ সলালে। তথাপি যেন তাইৰ অকণো শান্তি নাই। পুনৰ বাগৰ সলাই তাই আকৌ ভাবিলে সেই একে কথাবোৰকে, দেখিবলৈ পালে সেই একে তিনিজন মানুহৰ প্ৰতিচ্ছবিকে। নিজৰ চৰিত্ৰলৈ মনত পেলাই তাইৰ নিজৰ প্ৰতিয়েই বিৰাট ঘৃণা জন্মিছে ভাবি ভাবি যেন তাই আচল উত্তৰটো পালে তাই "ত্ৰিপদী"।

---

সাহিত্য সদায় জীৱন আৰু সমাজৰ লগত জড়িত থাকে, ই জীৱন আৰু সমাজক নকল নকৰে-কেৱল ইয়াৰ উদ্দেশ্যৰ ফালেহে ধাবমান কৰায়।

অচ্কাৰ ওৱাইল্ড।

## ঃ বীভৎস প্ৰেম আৰু মৃত্যু ঃ

চিৰঞ্জীৱৰ পক্ষে নিজৰ শৰীৰৰ ভাবসাম্য বজাই ৰখাটো কঠিন হৈ পৰিল। সি যেন এই মাত্ৰ আকণ্ঠ পান কৰি নিচাত আচ্ছন্ন হৈ প্ৰায় সংজ্ঞাহীনতাৰ সীমা ৰেখাত ভৰি দি ৰাজ-পথলৈ ওলাই আহিছে কোনো এক ওৱাইন্ বাৰৰ উচ্ছ্বল প্ৰাণ প্ৰাচুৰ্য্যৰে ভৰপূৰ উন্মাদ পৰিবেশৰ মোহ ত্যাগ কৰি। সি কঁহুৱানিৰ মাজত দীঘল দি শুই পৰিল। তীব্ৰ বক্ষ-স্পন্দনে সৃষ্টি কৰা অবৰ্ণনীয় অসহ্য বেদনাৰ পৰা মুক্তি পাবলৈ সি বুকুখন মাটিৰ ওপৰত হেঁচি ধৰিলে। উদ্বেগ, আতঙ্ক, বেদনা সকলো বিলাকৰ পৰা অৱকাশ পাবলৈ সি ইচ্ছাকৃত ভাৱে চকু দুটা মুদি দি এডোখৰ জড় পদাৰ্থৰ দৰে নিশ্চল হৈ পৰি থাকিল। চাপৰিটোৰ দৰে নিশ্চল হৈ পৰি থাকিল। চাপৰিটোৰ স্বপ্নময় ভীতি প্ৰদ আৱহাওৱাৰ মাজত এইদৰে কেইটামান মূহুৰ্ত্ত কটাই দিয়াৰ পিছত তাৰ দু-চকুলৈ তন্দ্ৰা নামি আহিল।

গভীৰ নিদ্ৰাৰ মাজেদি সি বহুতো সময় নিবিড় নিস্তব্ধতা বিৰাজিত চাপৰিটোত কটাই দিলে। বিপৰ্য্যয়ৰ পিছৰ এই গভীৰ স্বপ্নহীন নিদ্ৰা ভাগি যোৱাৰ লগে লগে জেকা পলসৰ পৰা উদ্ভুত এটা কেচেমা কেচেম গোন্ধ তাৰ নাকত লাগিলহি। গোন্ধটোৱে মনলৈ আনি দিলে এটা অনামী বিতৃষ্ণা, তিক্ততা। সি শুই শুইয়ে তাৰ চাৰিওফালৰ পৰিস্থিতিটো আয়ত্ব কৰিবলৈ চকু দুটা বহলকৈ মেলি দি মূৰটো অলপ ইফালে সিফালে লৰচৰ কৰিলে। সি কঁহুৱা বন বিলাকৰ বাহিৰে একো নেদেখিলে। ঠাইডোখৰ তাৰ সম্পূৰ্ণ অপৰিচিত যেন লাগিল। সি উঠি বহিল। খুব দুৰ্ব্বল অনুভৱ কৰিলে যেন দিনটো অবিশ্ৰান্তভাবে কঠোৰ পৰিশ্ৰম কৰি এই মাত্ৰ পৰিশ্ৰমক্লান্ত শৰীৰটোক জিৰণি দিবলৈ বহিছে। গাত লাগি থকা কাপোৰ-কানি কিটালৈ চালে—তুঁহ জুইৰ পৰা ধোৱাঁ ওলোৱাৰ দৰে তাৰ গাৰ কাপোৰ-কানি কিটাৰ পৰা খুব পাতল ধোৱাঁ ওলাইছে। পিন্ধি থকা আধা তিতা কামিজটো গাৰ পৰা খুলি অলপ দূৰলৈ দলিয়াই পেলালে। সি ঠিয় হ'ল তাৰ পিছত এবাৰ চাৰিওফালে চালে। এফালে দিগন্তব্যাপ্ত কঁহুৱানি। কঁহুৱা ফুল বিলাক মলয়াৰ মৃদু পৰশত কঁপিছে। কোনো এক নৃত্যক্লান্তা বাইজীৰ দেহ ভঙ্গিমাই দৰ্শকৰ মনত তৃষ্ণা আৰু মোহময় উত্তেজনা সৃষ্টি কৰাৰ দৰে কঁপি থকা শুভ্ৰ কঁহুৱা ফুলবিলাকে তাৰ মনলৈ কেইটামান মুহুৰ্ত্তৰ বাবে আনি দিলে এটা উত্তেজনা, এটা অবৰ্ণনীয় পৰিতৃপ্তি। আনফালে তাৰ গাৰ পৰা কেইগজমান দূৰত্বৰ

ব্যৱধানত অবিশ্ৰান্তভাৱে বৈ গৈছে বিশাল ব্ৰহ্মপুত্ৰ। পশ্চিম আকাশৰ দিগ্‌বলয়ত সূৰ্য্যটো বৈ আছে। জাজ্বল্যমান সূৰ্য্যৰ ৰক্তাভৰশ্মি নৈৰ বুকুৰ উস্থল তৰঙ্গে তৰঙ্গে সিচঁৰিত হৈ পৰি এক অবৰ্ণণীয় সৌন্দৰ্য্যৰ সৃষ্টি কৰিছে। ক্ষন্তেকৰ কাৰণে তাৰ সৌন্দৰ্য্য পিপাসিত মনটোক এটা উম মাতাল কৰা অনুভূতিয়ে আচ্ছন্ন কৰি পেলালে।

তাৰ সন্মুখৰ ফালে থকা নৈৰ সিপাৰৰ সেউজবুলীয়া গাওঁখনত মধ্যাহ্নতপনৰ ৰৌদ্ৰ ৰশ্মিৰ বৰ্ণালী পৰি এক অনিৰ্ব্বচনীয় ৰূপ আনি দিছে। এক জিজ্ঞাসু দৃষ্টিৰে কিছু সময় গাওঁখনৰ ফালে সি চাই ৰল। সি গাওঁখন চিনি পালে। সেইখন তাৰ চিনাকী নেপালী গাওঁ। গাওঁখনৰ পৰা বতাহত ভাঁহি অহা দুই এটা অস্পষ্ট ৰিং শুনি সি ভাবিলে—হয়তো নলবীৰ বা ৰূপ সিঙে গৰু গাই বান্ধিবৰ বাবে কোনোবা পুতেকক মাতিছে। সেই চিনাকী নেপালী গাওঁখনৰ সিফালেই সিহঁতৰ গাওঁখন। কথাষাৰ তাৰ মনলৈ অহাৰ লগে লগেই তাৰ সমস্ত শৰীৰ জিকাৰ খাই উঠিল। সি যেন ইমান পৰে নিজৰ অস্তিত্বৰ বিষয়ে অতি অস্পষ্ট চেতনাৰ মাজত নিমগ্ন হৈ আছিল। সি খুব অস্বস্তি অনুভৱ কৰিলে।

সি ভাবিলে; তাক লৈ হয়তো ইতিমধ্যে গাৱঁত এটা হৈ চৈৰ সৃষ্টি হৈছে। তাৰ ঘৰৰ মানুহবিলাকে হয়তো তাক বিচাৰি হাবা-থুৰি খাইছে। অৱস্থাটো কল্পনা কৰি চিৰঞ্জীৱৰ নিজকে পুতৌ কৰিবৰ মন গ'ল। "কাওৱাৰ্ডছ ডাই মেনি টাইমচ" সি ভীৰু কাপুৰুষ। তাৰ কায়িকভাবে মৃত্যু নহলেও মানসিক ভাবে মৃত্যু ঘটিল। সি কোনো দিন নিজকে কাপুৰুষ বুলি ভাবিব পৰা নাছিল। কোনো দিন অন্যায় আৰু অবিচাৰৰ আগত মূৰ দোঁওৱা নাছিল। কিন্তু এইবাৰ সকলো বিলাক ওলট্ পালট্ হৈ গ'ল। চৰিত্ৰৰ ওপৰত মিছা অপবাদ জাপি সমাজৰ আগত হেয়প্ৰতিপন্ন কৰি তাক পথভ্ৰষ্ট হবলৈ এৰি দিয়া প্ৰচেষ্টাৰ বিৰুদ্ধে সি প্ৰতিবাদ নকৰি মৃত্যুৰ মাজেদি গভীৰ প্ৰশান্তি বিচাৰি আত্মহত্যাৰ আশ্ৰয় লৈছিল। তাৰ সন্মুখেদি বৈ যোৱা এই বিশাল ব্ৰহ্মপুত্ৰৰ বুকুত জপিয়াই পৰি তাৰ জীৱনটোৰ পৰিসমাপ্তি ঘটাবলৈ বিচাৰিছিল। সি নমৰিল। মৃত্যুৰ মুখত জপিয়াই পৰিও সি বাচি গ'ল। এতিয়া, এতিয়া সি কি কৰিব? বিনা যুদ্ধে অন্যায়ৰ আগত হাৰ মানিছে, তাৰ মানে সি প্ৰত্যক্ষভাৱে অন্যায়ক প্ৰশ্ৰয় দিছে। মানুহৰ সমাজৰ পৰা সি এটা খুনি পলাতক আছামীৰ দৰে পলাই আহি এই নিৰিবিল চাপৰিৰ কঁহুৱানিৰ মাজত গা ঢাকিছেহি। লোক-চক্ষুৰ পৰা আতঁৰত থাকিলেই যেন শান্তি পাব। কিন্তু, কিন্তু সি জানো শান্তি পাইছে? মনৰ দুঃশ্চিন্তাৰ পৰা জানো মুক্তি পাইছে? কিবা এটা সুস্থ চিন্তা কৰিবলৈ সি এবাৰ চকু দুটা জোৰেৰে মুদি মিলে। তাৰ মনটো যেতিয়া দুঃশ্চিন্তাৰে ভৰি পৰি উন্মাদ হৈ উঠে প্ৰায়ে তেতিয়া সি এই দৰে কৰে। তাৰ জীৱনলৈ চৰম বিপৰ্য্যয় নমাই অনা সমস্যাটো কি দৰে সমাধান কৰিব তাৰ কোনো উপায় বিচাৰি নাপালে। এবাৰ সি ঘৰলৈ উভতি যোৱা কথাটো চিন্তা কৰি চালে। কথাটো ভবাৰ লগে লগে

তাৰ মনত খুব ভয় লাগিল—জানোচা গাওঁ সোমোৱাৰ লগে লগে গাৱঁৰ মানুহবিলাকে প্ৰশ্নৰ উপৰি প্ৰশ্ন কৰি তাক অতিষ্ঠ কৰি তোলে। তাক যদি সোধে—তুমি যদি সঁচাকৈয়ে নিৰ্দোষী তেনেহলে সমাজৰ আগত মুখ দেখুৱাই কিয় নকৈছিলা তোমাৰ গাত অকণো দোষ নাই বুলি? কিয় তুমি পলাইছিলা? এইটোৱেই জানো প্ৰমান নকৰে তুমি দোষী বুলি? ইয়াতকৈ জানো কিবা ডাঙৰ প্ৰমানৰ প্ৰয়োজন? কথাষাৰ চিন্তা কৰাৰ লগে লগেই এক অবৰ্ণনীয় উদ্বেগ, আতঙ্ক, বেদনাত তাৰ সমস্ত শৰীৰ জিকাৰ খাই উঠিল। সি অনুভৱ কৰিলে; তাৰ যেন সকলো চিন্তা শক্তি লাহে লাহে বিলুপ্ত হৈ গৈছে। অমোঘ নিয়তিৰ নিষ্ঠুৰ বিধানত সি যেন ক্ৰমাগত ড্ৰেগনৰ উন্মুক্ত মুখৰ ফালে আগ বাঢ়ি গৈছে।

ধৰিত্ৰীৰ বুকুলৈ সন্ধ্যা নামি আহিল। জোনটোৱে আকাশত দেখা দিলে। আকাশ-ভৰা জ্যোৎস্নাৰ প্লাৱনত ভাঁহি গ'ল ৰৌদ্ৰস্নাত পৃথিৱীৰ ৰূপ আৰু ৰং। কঁহুৱাৰে ভৰা বিৰাট চাপৰিটোৰ শুভ্ৰ কঁহুৱা ফুল বিলাকৰ ৰঙৰ উজ্জ্বলতা আৰু সৌন্দৰ্য্য বহুত বাঢ়িল। সি কিছু সময় ডাৱৰৰ ফাঁকে ফাঁকে বগুৱাবাই ওপৰলৈ উঠি যোৱা জোনটোলৈ তন্ময় হৈ চাই ৰ'ল। সি মনে মনে উচ্চাৰণ কৰিলে; ইমান সুন্দৰ! সি ভাবিলে অলেখ তৰা আৰু জোনৰ পোহৰত যিখন পৃথিৱীৰ ৰূপ এক অনিৰ্ব্বচনীয় সৌন্দৰ্য্যৰে ভৰি উঠে সেই পৃথিৱীৰ বুকুত বাস কৰা ভগৱানৰ সৃষ্টিৰ শ্ৰেষ্ঠ প্ৰাণী মানুহ বিলাকৰ মন বিলাক বাৰু কিয় ইমান অসুন্দৰ? আজিৰ তাৰ এই অৱস্থাটো মানুহৰ অসুন্দৰ হৃদয়ৰ পীড়ণৰ কাৰণেই জানো সৃষ্টি হোৱা নাই। তাৰ কথাষাৰ চিন্তা কৰাৰ লগে লগেই ভীষণ খং উঠিল বিপুলালৈ। লগে লগেই তাৰ দুচকুৰ আগত ভাঁহি উঠিল স্ফীত হৈ উঠা তলপেটটো লৈ তাৰ আগত যোৱা কালি খাৰা গোৱা বিপুলাজনী। উহ কি ঘৃণনীয়! কি কদৰ্য্য! এটা দুৰ্ব্বিণীত যাতনাত তাৰ মনটো ভাবাক্ৰান্ত হৈ উঠিল। সি নৈৰ দাঁতিত বহি পৰিল। সমস্ত ঘটনাটো এবাৰ পুঙ্খানুপুঙ্খভাৱে বিশ্লেষণ কৰি চাবলৈ চেষ্টা কৰিলে।

সিহঁতৰ ঘৰটোৰ পৰা দুটা ঘৰ এৰিয়েই বিভূতি মৌজাদাৰৰ হাউলিটো। প্ৰশান্ত গম্ভীৰ চেহেৰাৰ বিভূতি দত্তৰ আত্মসমাহিত মুখখনত কথা কোৱাৰ প্ৰতিটো মুহুৰ্ত্ততে এনে এটা ভাৱ প্ৰকটভাবে পৰিস্ফুট হৈ উঠে যিটো ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি কেৱল মাত্ৰ অনুভৱ কৰা যায়। এই বিভূতি মৌজাদাৰক সি সৰুৰে পৰা দেখি আহিছে আৰু দেখি আহিছে মৌজাদাৰৰ বিৰাট হাউলিটো। মানুহে তাক ভাল পাওকেই বা বেয়াই পাওক বিনা প্ৰয়োজনত কোনো দিন কোনো মানুহৰ ঘৰলৈ যোৱা নাই; এইটো তাৰ চৰিত্ৰৰ বৈশিষ্ট্যতা। মৌজাদাৰৰ ঘৰলৈও সি যোৱা নাছিল।

এদিন সি এজনী ক্ষীণাঙ্গী ক'লী ছোৱালী তাৰ ঘৰৰ আগেদি স্কুললৈ যোৱা দেখিছিল। তাৰ পিছত প্ৰায়ে দেখিছিল, সি অফিচলৈ যোৱাৰ আগে আগে তাৰ ঘৰৰ সন্মুখেদি সেই ছোৱালীজনী বিশেষ ভঙ্গিত খোজ কাঢ়ি স্কুললৈ যোৱা। জীৱনৰ বিস্মৃত অতীতৰ কোনো এটা দিনত সি আৱিস্কাৰ কৰি পেলাইছিল—সেই ছোৱালীজনী

মৌজাদাৰৰ ঘৰত থাকে, নাম বিপুলা, মৌজাদাৰৰ দূৰসম্পৰ্কীয় ভাগিনীয়েক। বিভূতি মৌজাদাৰে তাইক নগৰৰ ৰামেশ্বৰী গাৰ্লচ হাই স্কুলৰ নৱম মান শ্ৰেণীত নাম লগাই দিছে। বিপুলাৰ ঘৰৰ অৱস্থা তেনো ভাল নহয়; সেই কাৰণে মৌজাদাৰে উপযাচিয়েই তাইৰ দেউতাকক কৈ নিজৰ ঘৰত ৰাখি পঢ়াবৰ বাবে লৈ আহিছে।

এটি এটি কৈ ফুলৰ মৰহা পাপৰি সৰি পৰাৰ নিচিনাকৈ দিন বিলাক সৰি পৰিছিল অতীতৰ স্মৃতি মন্দিৰৰ আঙ্গিনাত। তাৰ বয়সৰ তহ্‌বিলৰ পৰা এটা বছৰ কমি গৈছিল। এই এটা বছৰৰ ভিতৰত সি বহুতোবাৰ বিপুলাৰ কাষেদি চাইকেল চলাই পাৰ হৈ গৈছিল। এই সুদীৰ্ঘ এটা বছৰৰ ভিতৰত কোনো দিন সি বিপুলাৰ লগত কথা পতা নাছিল কিন্তু ইয়াৰ অন্যথা এদিন হৈছিল, যিটো দিনত তাৰ চাইকেলৰ গতি-ৰুদ্ধ হৈ গৈছিল ক্ষন্তেকৰ কাৰণে। চাইকেলৰ পৰা নামি পৰিছিল ৰাজ আলিৰ বুকুত। সি ঠিক তাকেই মাতিছিল নেকি জানিবৰ কাৰণে এটা বোবাৰ নিচিনাকৈ তন্ময় হৈ ছোৱালীজনীৰ মুখলৈ চাই ৰৈছিল। তাৰ শুনাত ভুল হোৱা নাছিল, তাকেই মাতিছিল বিপুলাই। সিহঁতৰ মাজত দুই এটা কথাৰ বিনিময় হৈছিল, তাৰ পিছত সি তাইৰ পৰা বিদাই লৈ অফিচলৈ গুচি গৈছিল।

দিন বিলাক পাৰ হৈ যোৱাৰ লগে লগে বুজি উঠিছিল বিপুলাই প্ৰতি দিনে তাৰ লগত দু-দণ্ড সময় হাঁহি হাঁহি কথাপাতিবলৈ আৰু বহুতো কিবা কিবি তাৰ পৰা বিচাৰিছিল। বিপুলাৰ কথা কোৱাৰ ভঙ্গিত আছিল এটা মাদকতা, এটা গভীৰতাৰ সুৰ, দুচকুৰ দৃষ্টি আছিল প্ৰেমৰ পাৰাপাৰ হীন বেদনাৰে প্লাৱিত।

এইটো সত্য- সি বিপুলাৰ প্ৰেমত পৰা নাছিল কিন্তু সি প্ৰায় প্ৰতিদিনে বিপুলাৰ লগত কথা পাতিছিল। কোনো মানুহে যদি তাৰ স্নেহ-মিশ্ৰিত হাঁহি আৰু দুই এটা মিঠা মিঠা লগা কথা শুনি অন্তৰত আনন্দ লাভ কৰে সি তাৰ কিয় কৃপণালি কৰিব - এইটো তাৰ ফিলচফি। তাৰ দুই এটা কথা আৰু ক্ষন্তেকীয়া সান্নিধ্যই যদি বিপুলা নামৰ ছোৱালী-জনীৰ অন্তৰলৈ আনন্দৰ বন্যা নমাই আনিব পাৰে সি কিয় তাৰ কৃপণালি কৰিব ? বিপুলাৰ এই ক্ষন্তেকীয়া সান্নিধ্যই তাৰ জীৱনলৈ নমাই আনিলে চৰম বিপৰ্য্যয় ! পাপ আৰু ধৰ্ম্ম এই দুয়োটা কথাৰ ওপৰত তাৰ খুব বেছি আস্থা নাথাকিলেও কোনো ছোৱালীৰে সতীত্ব নষ্ট কৰিবলৈ সি ইচ্ছা নকৰে। সি সৌন্দৰ্য্য উপভোগ কৰিবলৈ বিচাৰে মানসিক পৰিতৃপ্তিৰ বাবেহে কায়িক তৃপ্তিৰ কাৰণে নহয়।

ওচৰতে যেন কৰবাত আগ্নেয়গিৰিৰ উদ্‌গীৰণ হৈছিল। তাৰ চকুৰ আগৰ সকলো বিলাক বস্তু যেন কঁপি উঠিছিল। তাৰ কলিজাৰ স্পন্দন তীব্ৰ হৈ উঠিছিল। মৌজাদাৰৰ সু-সজ্জিত ড্ৰইংৰুমৰ টিক্ উদৰ চোফা এখনত নিশ্চলভাৱে বহি মৌজাদাৰণীয়ে কোৱা কথা বিলাক শুনি গৈছিল। যি বিলাক কথা শুনিবৰ কাৰণে কোনো দিন সি প্ৰস্তুত নাছিল সেই বিলাক কথা শুনি সি ক্ষন্তেকৰ কাৰণে বোবা হৈ গৈছিল। এক অব্যক্ত আতঙ্কত সমস্ত শৰীৰ বিবশ হৈ পৰিছিল : "মিছা কথা, সম্পূৰ্ণ মিছা কথা", সি প্ৰায় চিঞৰি উঠাৰ নিচিনাকৈ কৈছিল। প্ৰচণ্ড খঙত তাৰ মাতটো কঁপিছিল।

"শুনা, ডেকা মানুহৰ মনবিলাক কেতিয়াবা দুৰ্ব্বল হৈ উঠে, সেই দুৰ্ব্বল মুহূৰ্ত্ত বিলাকত নকৰিব লগীয়া বহুতো ভুল কৰি পেলায়, এইটো স্বাভাৱিক। হয়তো তোমাৰো সেই মুহূৰ্ত্তত মনটো দুৰ্ব্বল হৈ উঠিছিল। মৌজা-দাৰণীয়ে কথাষাৰ খুব সৰুকৈ কৈছিল। কথা-ষাৰত এটা ইঙ্গিত লুকাই আছিল—সি যেন হয় বুলি স্বীকাৰ কৰে! সি জানিছিল মৌজা-দাৰণীৰ লগত প্ৰতিবাদ কৰি থাকিলে কোনো লাভ নহব। সি ভাবিছিল অন্ততঃ বিপুলাই ইমান ডাঙৰ মিছা কথা এষাৰ তাৰ আগত কব নোৱাৰিব। সেই কাৰণে সি মৌজা-দাৰণীক বিপুলাক তাৰ আগলৈ মাতি আনিবলৈ কৈছিল। প্ৰায় পোন্ধৰ মিনিটমানৰ পিছত মৌজাদাৰণীৰ সৈতে তাৰ আগলৈ বিপুলা আহিছিল। সি বিস্ময় বিস্ফোৰিত নয়নেৰে কিছু সময় বিপুলাৰ স্ফীত হৈ উঠা তলপেট-টোলৈ চাই ৰৈছিল। তাৰ দু-চকুৰ দৃষ্টি এক নিমিষতে উদ্‌ভ্ৰান্ত আৰু কঠিন হৈ উঠিছিল। সদ্যজাত কোনো এক শিশুৰ ক্ৰন্দন ধ্বনি সি যেন শুনিছিল। তাৰ ঘিন লাগিছিল বিপু-লালৈ। এডোখৰ জড়পদাৰ্থৰ দৰে নিশ্চল হৈ ৰৈ থকা বিপুলাজনীলৈ চাই চাই সি কিছু সময় ভাবিছিল—কি দৰে তাইৰ আগত কথা-ষাৰ অৱতাৰণা কৰিব।

"বিপুলা আমাৰ ওপৰত বিচাৰ কৰিবলৈ ভগবান আছে। সকলোকে ফাকি দিব পাৰিলেও ভগবানৰ আগত আমি ফাকি দি সাৰিব নোৱাৰো। ঈশ্বৰৰ নামত, তোমাৰ মাৰাৰ নামত শপত খাই মোৰ চকুলৈ চাই স্বীকাৰ কৰা তোমাৰ এই অৱস্থাৰ কাৰণে মই দায়ী হয়নে নহয়? মিছা কথা কলেও তোমাৰ একো লাভ নহব এইটোও ঠিক জানিবা।"

তাৰ এই কথাষাৰত তাই কোনো উত্তৰ দিয়া নাছিল। এটা নিবিড় নিস্তব্ধতাই ঘৰৰ ভিত-ৰৰ পৰিস্থিতিটো অসম্ভৱ ধৰণেৰে গহীন কৰি তুলিছিল। মসৃন পকা মজিয়াখনত এটা পিন পৰাৰ শব্দও কৰ্ণগোচৰ হোৱা নিবিড় নিস্তব্ধতা খিনিৰ মাজেদি উৎকণ্ঠাৰে ভৰা এটা মনলৈ মৌন হৈ কিছু সময় সি কটাই দিছিল। এটাও বাক্য ব্যয় নকৰি সি ওলাই আহিছিল মুক্ত আকাশৰ তললৈ।

গেইটৰ মুখত সি লগ পাইছিল মৌজা-দাৰক। মৌজাদাৰে তাক কিছু সময় ৰখাই লৈ বহুতো কিবা কিবি কৈছিল। সেই-বিলাক তাৰ মনত নাই! মাত্ৰ এষাৰ কথা তাৰ এতিয়াও মনত আছে—সি যদি বিপুলাৰ ভাৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে, তেতিয়া গাৱঁৰ মানুহ গোটাই লৈ ঘটনাটো বিচাৰ কৰিবৰ বাবে তাৰ ওপৰত মৌজাদাৰে মেল চপাব। কথাষাৰ শুনাৰ লগে লগে তাৰ মূৰত বিনামেঘে ৱজ্ৰপাত পৰাৰ নিচিনা লাগিছিল। সেই মুহূৰ্ত্তত সি কথা কোৱাৰ শক্তি হেৰুৱাই পেলাইছিল, সি একো উত্তৰ দিব নোৱাৰিছিল।

অফিচৰ হুলস্থূল মুখৰ পৰিবেশৰ মাজত কামত মনটো ব্যস্ত ৰাখি দুদণ্ডৰ কাৰণে কথাটো পাহৰি থাকি শান্তি পোৱাৰ আশাত অফিচলৈ গুচি গৈছিল। পৃথিৱীৰ সৰ্ব্বশ্ৰেষ্ঠা সুন্দৰীৰ অৰ্দ্ধনগ্ন যৌৱন-পুষ্ট কাম লিপ্সাৰে ভৰা দেহ ভঙ্গিমা চাই চাইও হয়তো সি তাৰ চৰম

বিপৰ্য্যয়টোৰ কথা ক্ষন্তেকৰ কাৰণেও পাহৰি যাব নোৱাৰিলেহেতেন। যোৱা কালি গোটেই নিশাতো সি একেটা কথাকে চিন্তা কৰি কৰি উজাগৰে কটাইছিল। শ'ত উৎকণ্ঠাৰে ভাৱাক্ৰান্ত তাৰ মনটোৱে এটাই পথ বিচাৰি পাইছিল, সিটো আছিল ভয়াবহ—আত্মহত্যাৰ মাজেদি সকলো আগন্তুক বিপদৰ পৰা নিজক মুক্তি দিয়া। দোকমোকালিতে বিচনা এৰি ব্ৰহ্মপুত্ৰৰ পাৰলৈ ধাপলি মেলি আহিছিল মৃত্যুক বিচাৰি। তাৰ পিছত ব্ৰহ্মপুত্ৰৰ অশান্ত বুকুত জপিয়াই পৰিছিল।

গভীৰ ব্যথা আৰু মুক অনুভূতিৰ মাজেদি উপলব্ধি কৰিলে এই দৰে পলাই আহি সি বহুতো ভুল কৰিলে। তাৰ আধৃতি মনলৈ ধৃতি আহিল। হঠাৎ তাৰ মনত পৰিল ৰবাৰ্ট ফ্ৰষ্টৰ সেই বিখ্যাত পংক্তিটো।—

The woods are lovely,
dark and deep,
But I have promises to keep,
And miles to go before I sleep,
And miles to go before I sleep.

কবিতা ফাকিয়ে তাৰ অন্তৰলৈ আনি দিলে শক্তি, জীয়াই থকাৰ দুনিৰ্ব্বাৰ মোহ। সি স্থিৰ কৰিলে—বিপুলাৰ অৱস্থাৰ বাবে দায়ী বুলি তাকেই অভিযুক্ত কৰাৰ মৌজাদাৰ আৰু মৌজাদাৰণীৰ ৰূঢ়, অনাবৃত, নিৰ্লজ্জ লিপ্সাৰ বিৰুদ্ধে থিয় দিব।

নিজকে নিৰ্দ্দোষী বুলি প্ৰমাণ কৰাৰ এক সুগভীৰ দুনিৰ্ব্বাৰ মোহে তাৰ মনটো কৰি তুলিলে উদ্‌ভ্ৰান্ত। সি জপিয়াই পৰিল অবিশ্ৰান্তভাৱে বৈ যোৱা বিশাল ব্ৰহ্মপুত্ৰৰ অশান্ত বুকুত। সমস্ত শৰীৰৰ পুঞ্জীভূত শক্তি প্ৰয়োগ কৰি সাতুঁৰি সাতুঁৰি আগ বাঢ়িল সি তাৰ গাৱঁৰ অভিমুখে।

---

"বিশ্ব মানৱৰ হৃদয়ৰ অসংখ্য তাঁৰৰ এডালো যি সাহিত্যিকে তেওঁৰ আঙুলিৰে কঁপাব পাৰিব তেওঁৱেই প্ৰকৃত সাহিত্যিক।"

—লক্ষ্মীনাথ বেজবৰুৱা।

—কঠিৰাম গোহাঁঞি
প্ৰাক-বিশ্ব বিদ্যালয় শ্ৰেণী ( কলা )

# —বোবা বেদনা—

পাহৰিম। এটা বিভৎস কাহিনী পাহৰিম। এজন মানুহে নিজ মুখে কোৱা তাৰ ব্যক্তিগত জীৱনটো জড়িত থকা এটা কুৎসিৎ কাহিনী মই পাহৰিম। তেনেকুৱা পাপ-কাহিনী মনত থকাটো পাপ। আনকি শুনাটোও। সেই কাৰণেই মই পাহৰিবলৈ যত্ন কৰিছো আৰু কৰিমও। সেই শ্ৰেণী বা সেই স্বভাব থকা মানুহবোৰ মোৰ ভাল নেলাগে। সিঁহতৰ পৰাই আমাৰ সমাজৰ উন্নতি নাই। সমাজত কেৰোণ লাগিছে সেই স্বভাৱ থকা মানুহ শ্ৰেণীৰ পৰা। নেমু টেঙা গছত বিষাক্ত পোকবোৰ সোমাই গছজোপাৰ ডাল পাতবোৰ খুলি খুলি খাই নিঃশেষ কৰি দিয়াৰ দৰে সেই স্বভাৱৰ মানুহ শ্ৰেণীয়েও আমাৰ সমাজৰ দুৰ্ব্বলী, নিঃসহায় লোকবিলাকক নিঃশেষ কৰি দিছে। সিহঁত পোক বিলাকতকৈ বিষাক্ত, সাপতকৈ ভয়ঙ্কৰ আৰু এটমতকৈ মাৰাত্মক নহলেও তাৰ কম নহব। সিহঁতক মই মনত নেৰাখো। পাহৰিম। সিহঁতৰ কাহিনীক মই প্ৰশ্ৰয় নিদিও। সিহঁত ভদ্ৰতাৰ মুখা পিন্ধা, আদাম, ইভৰ সন্তান বুলি পৰিচয় দিয়া সিহঁত কাপুৰুষ, নিৰ্লজ্জ। মেল মিটিঙত খদ্দৰৰ কাপোৰ পিন্ধি গিলাচে গিলাচে পানী খাই সমাজ সংস্কাৰৰ বক্তৃতাৰে মানুহক আপ্লুত কৰা দেশ নেতা। কিন্তু মই কম সিহঁত সমাজ তথা দেশৰ কেলেঙ্কাৰী। অসহায় দুৰ্ব্বলী লোকৰ জীৱনযাত্ৰাত সিহঁত প্ৰতিবন্ধক। অথচ সিহঁতেই দেশৰ গুৰি ধৰোতা।

কিন্তু পাহৰি পাহৰি পাহৰিব নোৱাৰো। সেই একেটা কাহিনীয়ে মোক দেখোন মাজে মাজে বিব্ৰত কৰি তোলে। ভাবৰ আঁত হেৰুৱায়। বিশেষকৈ মই যেতিয়া সেই ভদ্ৰ লোকজনক দেখো। মানে ৰায় বাহাদুৰ চৌধুৰীক যেতিয়া দেখো। ওখই চাৰে পাঁচ ফুটমান। বগা গোল মুখ খনেৰে আঢ়ৈ কুৰি বছৰৰ বয়সৰ ধুনীয়া আদবয়সীয়া মানুহজন। বয়সে আচুৰিব নোৱাৰা বগা মুখখনত কলা দাড়ি খিনিয়ে মুখৰ জেউতি চৰোৱা; আঁঠুলৈকে পৰা খদ্দৰৰ পাঞ্জাৱী পিন্ধা চৌধুৰীক। তেতিয়াই মোৰ মনটো কিবা কিবা লাগে। কেৱল মাত্ৰ মোৰেই কিয় প্ৰথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ, মানে মোৰ, তোমাৰ বা আপোনাৰ আৰু তেওঁৰ নাইবা তেওঁলোকৰ অৰ্থাৎ সকলোৰে কিবা কিবা লাগিব, যদিহে সেই কাহিনীটো শুনে। প্ৰথম শুনোতে বিশ্বাসেই নহব। কিন্তু শেষলৈ মানুহজনৰ প্ৰতি এটা বিৰাট বিতৃষ্ণাই ধৰা দিব।

চৌধুৰীৰ উপদেশবোৰ শুনিলে মোৰ আৰু সহ্য নহয়। ঘুঁচিয়াই ঘুঁচিয়াই ধুনীয়া মুখখন বিকৃত কৰি দিম যেন লাগে। ভদ্ৰলোকৰ পোছাকটোৰ পৰিবৰ্ত্তে দস্যুৰ আৰ্ত্তকোলা পোছাকটো পিন্ধাই দিবৰ মন যায়। নাম্বাৰ টেন হুপি হুপি স্কুলীয়া ছাত্ৰক উপদেশ দিয়ে চিগাৰেট নেখাবা; স্কুলীয়া লৰাৰ সন্মুখতে অশ্লীল বাক্য কৈ পাচ মুহুৰ্ত্ততে লৰাহঁতক কব বেয়া কথা নেপাতিবা, সৎসঙ্গ লবা। কলেজীয়া ছোৱালী লগ পালে ডেকাৰ আগতে কব ইহঁতৰ লগত বৰকৈ কথা বতৰা পাতি হলি গলি নকৰিবা ইহঁতৰ মনবোৰ বাঁহ খৰিৰ জুইৰ দৰে। ইহঁতক বিশ্বাস নকৰিবা। ইহঁত প্ৰত্যেকেই একোটা ফেঁটী সাপ। কাক কেতিয়া দংশন কৰে ঠিক নাই। আকৌ কলেজীয়া লৰাবোৰক মদ খাই আহি কবহি তোমালোকে মদ নেখাবা। কাৰণ তোমালোক উঠি অহা ডেকা। দেশ মাতৃয়ে তোমালোকৰ পৰা বহুত আশা কৰে। তোমালোকে উন্নতি কৰা। এইজনেই হল আদৰ্শবাদী, স্বাধীনতা দিৱস আদিত গান্ধী, জৱাহৰ আদি মহান পুৰুষৰ গুণ স্মঁৰি চকুপানী টোকা ৰায় বাহাদুৰ চৌধুৰী।

চৌধুৰীক মানুহে সন্মান কৰে। ভক্তিও কৰে। কাৰণ তেওঁৰ প্ৰতি-পত্তি আছে। ৰায় বাহাদুৰ চৌধুৰীৰ নিচিনা মানুহ নাই। সমাজ সেৱক বুলি চিনি পায় তাৰ তলৰ মিনিয়ে। অৰ্থাৎ আমি। নামজ্বলা ধনী নহলেও যথেষ্ট ৰকমেই ধনী। মোৰ বাদে এতিয়াও সকলোৱে কব চৌধুৰী দেশনেতা, আদৰ্শবাদী ভদ্ৰলোক। তেওঁৰ এখন সুন্দৰ সংসাৰ আছে। পৰিবাৰ আছে। পাঁচ ছয়টা সন্তানৰ বাপেক। অভাব নাই। আনকো দুপইচা দি সহায় কৰিব পাৰে, কৰেও। মোকো কৰিছিল। যেতিয়া মই কলেজত পঢ়িছিলো। আৰু কৰিছিল দীপ্তি শইকীয়া নামৰ এজনী অসহায় ছোৱালীক। আৰু আন বহুতক। কিন্তু প্ৰত্যেকতেই তেওঁৰ একোটা গুৰুত্ব উদ্দেশ্য আছিল। মোক সহায় কৰাৰ ক্ষেত্ৰত কি আছিল নেজানো কিন্তু দিপ্তীৰ ক্ষেত্ৰত সেই সহায় আছিল ভীষণ মাৰাত্মক। তাই জনা নাছিল এই সহায়েই সময়ত তাইক নিঃসহায় কৰি তাইৰ জীৱনটোক ধ্বংশ কৰিও আৰু দুটি প্ৰাণীকো নিঃশেষ কৰিব। সেইয়া হ'ল দিপ্তীৰ বৃদ্ধা মাক আৰু ভায়েক। তাই ভাবিব পৰা নাছিল এই সহায়ৰ আনন্দই সময়ত তাৰ বিপৰীত ৰূপ লব। দিপ্তীৰ এই বিপৰীত ৰূপ লোৱা আৰু তাত জড়িত থকা কাহিনীটোকেই মই হঠাৎ পাহৰি থাকিম। এয়া মোৰ ইচ্ছা।

দিপ্তীৰ বৃদ্ধা মাকক ফটা চিতা মলিয়ণ কাপোৰ পিন্ধি আলিবাটত ঘূৰি ফুৰা দেখিলে মোৰ কান্দি দিম যেন লাগে। পিন্ধাৰ লাগ বান্ধ নাই কথা কোৱাৰ সীমা নাই। কেতিয়াবা মানুহক অকস্মাৎ সোধে মোৰ দীপ্তিক তই কিয় ছলনা কৰি হত্যা কৰিলি? ঘূৰাই আনি দিব পাৰিবি নে নোৱাৰ? যা। তহঁত সব মুৰ্খ কাপুৰুষ বিশ্বাস ঘাটক। এয়া দিপ্তীৰ মাক পাগলী হ'ল। কেতিয়াবা ঘৰৰ দুৱাৰ মুখত বহি খুব ইনাই বিনাই কান্দি থাকে দীপ্তিৰ কথা কৈ।

দিপ্তীৰ ভায়েকটোক দেখিলে মোৰ অন্তৰ খনে হাঁহাকাৰ কৰি উঠে। বৰ হাকিমৰ ঘৰত বাথৰুমত পানী নোথোৱাৰ কাৰণে ডাবিটো; কলিংবেল টিপিলে সময় মতে নেপালে চৰটো খাই, হাকিমৰ লৰাৰ লগত চুপতি মৰাৰ কাৰণে ইতিকিংবোৰ শুনি আৰু হাকিমৰ লৰাৰ পৰা পোৱা অৱহেলিত ব্যৱহাৰে তাৰ মাত্ৰ জকাৰ মাজতহে জীৱটো আছিল। এইবোৰৰ কাৰণে দোষী যদি কোনোবা আছে একমাত্ৰ চৌধুৰীহে। যদিও দিপ্তী মোৰ একো সমন্ধৰ নহয় তথাপি এইটো দোষৰ কাৰণেই চৌধুৰীক মোৰ গতিয়াই আলি খাৰৈত পেলাই দিয়ৰ মন যায়।

দিপ্তীহঁতৰ সংসাৰখনত আছিল তাইৰ মাক, এটা ভায়েক আৰু তাই নিজে। দেউতাক নাছিল। তাইৰ ভায়েকটো জন্ম হোৱা দুবছৰৰ পাচতেই তেওঁৰ মৃত্যু হৈছিল। দিপ্তীৰ মাক আছিল বেচ বুদ্ধিমতী, সাহসী। তাকে চাই দিপ্তীও। দেউতাকে এৰি যোৱা সম্পত্তিৰেই জীয়েকক মেট্ৰিক পাচ কৰালে আৰু পুতেকক হাই স্কুলত কেই শ্ৰেণীমান পঢ়াইছিল। সেই সম্পত্তিয়েনো আৰু কিমান দিন চলিব। লাহে লাহে সিহঁতে দুবেলা দুমুঠিৰ কাৰণে চিন্তা কৰিব লগা হ'ল। দিপ্তীয়ে কলেজৰ সপোন দেখিলে।

মাকৰ অনেক নীৰৱতাৰ একো হকা-বাধা নেমানি তাই কলেজত নাম লিখালে। আদৰতে দি-পি বুলি মাতিবৰ মন যোৱা দিপ্তীজনীয়ে কলেজীয়া জীৱনৰ ৰঙা-নীলা ৰঙেৰে সৰগৰ ইন্দ্ৰধেনু ৰচিলে। মনতে নয়ন সাৰ্থক কৰা বুদ্ধিমতী দিপ্তীজনীয়ে বুকুত ভৰা যৌৱন লৈয়ে হাজাৰটা কামাতুৰা ডেকাৰ সকলো আশাকেই সাহসৰে মুখত হাঁহি লৈয়েই উকৰাই দিব পাৰিছিল। এইয়া তাইৰ সাহস। ডেকাহঁতে তাইৰ হাতত পৰাজয় স্বীকাৰ কৰিছিল। কিন্তু সেইজনী দিপ্তীয়েই শেষত পৰাজয় মানিলে চৌধুৰীৰ হাতত। সেয়েহে মই তেওঁক মটৰে খুন্দিয়াই মাৰিবলৈ শাপ দিছো। কাৰণ পৰাজয় কেৱল তাইৰেই হোৱা নাছিল; মাক আৰু ভায়েকৰো হৈছিল।

কলেজৰ ইটাৰ দেৱালখন দিপ্তী শইকীয়াই বৰ ওখ দেখিছিল। তাতোকৈ বেছি ডাঙৰ দেখিছিল পকী দালানৰ কলেজখন। তাত যেন দিপ্তীৰ নিচিনা ছোৱালীৰ স্থান নাই। সেই কাৰণে মাকেও দিপ্তীৰ অজ্ঞাতে নীৰবে চকুপানী টুকিছিল। কিন্তু সেই সময়ত সিহঁতৰ সহায় হৈছিল চৌধুৰী। চৌধুৰীয়ে সিহঁতক মনোবল দিছিল। টকা পইচাৰেও সহায় কৰিছিল। কিন্তু সিহঁতৰ কোনেও জনা নাছিল যে ইয়াৰ পৰিণাম কেনে ভয়াবহ হব।

চৌধুৰী দিপ্তী হঁতৰ ঘৰলৈ গৈছিল সপ্তাহৰ মূৰত চাৰি পাঁচদিনৰ অন্তৰত। সিহঁতৰ অভাবৰ কথা জানিবলৈ। কিন্তু ইয়াৰ অন্তৰালত চৌধুৰীৰ হৃদয়ত কি আশাই খোপনি পুতি লৈছিল সেই কথা দিপ্তীয়ে নেজানিছিল। মাকেও। কিন্তু সন্দেহ কৰিবৰো স্থল নাছিল। কাৰণ চৌধুৰী ভদ্ৰলোক, সমাজ সেৱক, আদৰ্শবাদী দেশনেতা। এনে এজন ব্যক্তিৰ চৰিত্ৰ কুৎসিৎ বুলি ভবা মানে হয়তো এটা পাপ বঢ়াই লোৱা। কিন্তু সময়ে দিপ্তীক সচেতন কৰি দিলে। যেতিয়া দেখিলে চৌধুৰীয়ে মাকৰ অনুপস্থিতিৰ সুযোগলৈ প্ৰত্যেক দিনাই আহিবলৈ ধৰিলে। তেতিয়াই তাই বুজি

পালে যে তাইৰ সন্মুখত প্ৰসান্ত মহাসাগৰ। তাইৰ চিঞৰি চিঞৰি কান্দি দিবৰ মন যায়। সেয়েহে তাইৰ উদ্দাম যৌৱনৰ বুকুখন চৌধুৰীক দেখিলেই কিবা এটা অজান আশঙ্কাত কঁপি উঠে।

এদিনৰ কথা। সেইদিন আছিল গুৰুবাৰ মানে বৃহস্পতিবাৰ। হয়তো দিপ্তী শইকীয়াৰো জীৱনৰ গুৰুবাৰ আছিল। সন্ধ্যা প্ৰায় হৈছিল যদিও লেম্প চাকি জ্বলোৱা নাছিল। বাহিৰৰ জগতখন তেতিয়াও বেচ ব্যস্ত হৈয়ে আছিল। ইখন সিখনকৈ দিপ্তীয়ে ঘৰৰ ভিতৰুৱা কামবোৰ কৰি বিচনাতে এনেয়ে পৰি আছিল। ঘৰত কোনো নাছিল। ভায়েকটো খেলিবলৈ গৈ তেতিয়াও ঘূৰি অহা নাছিল। মাকও কোনিবা ফুৰিবলৈ ওলাই গৈছিল। সেই সন্ধিয়াটোৱেই তাইৰ কাৰণে হৈছিল এটা কাল সন্ধিয়া। তাইৰ কাষলৈ মৃত্যু যেন দৌৰি আহিছিল আৰু কোলাত আশ্ৰয় বিচাৰিছিল।

আন দিনাৰ নিচিনা চৌধুৰী সেই দিনাও গৈছিল দিপ্তীহঁতৰ ঘৰলৈ। যোৱাত কোনো ব্যতিক্ৰম নাছিল। মাত্ৰ সময়ৰ হে ব্যতিক্ৰম হৈছিল। আন দিনা গৈছিল অন্য সময়ত। সন্ধিয়া নহয়। তাৰ উপৰিও ঘৰত মাক থাকে আৰু ভায়েক কেতিয়াবা থাকে কেতিয়াবা নেথাকে। সেই সন্ধিয়া চৌধুৰীৰ আগমণৰ উদ্দেশ্য বেলেগ আছিল। মুখ মণ্ডলত কামাতুৰা শিৰবোৰ টল টল কৈ জিলিকি উঠিছিল। যেন এটা মুখ মেলি খাওঁ খাওঁ কৰি থকা ৰাঘৰ সন্মুখত এটা অজলা হৰিণা। চৌধুৰীক দেখি দিপ্তী প্ৰায় উচপ খাই উঠিল। শৰীৰৰ সমস্ত শিৰা উপ-শিৰাবোৰ কোঁচখাই গ'ল। এইটো কি? এইটো চৌধুৰী নহয়। এটা ডাঙৰ নাহৰ-ফুটুকী বাঘ। এইয়া তাইক আক্ৰমণ কৰিবলৈ উদ্যত হৈছে। তাই অন্য একো উপায় নেপালে। আঁতৰি যাবলৈও তাইৰ শক্তি শিয়ালৰ আগত হাঁহৰ শক্তিৰ নিচিনা আছিল। সহায়ৰ কাৰণে চিঞৰিবলৈও তাইক ভয় খুৱাইছিল চৌধুৰীৰ বলিষ্ঠ হাতৰ মুঠিটোৱে। সেইমুহূৰ্তত তাই কি ভাবিছিল তাই নিজেই কব নোৱাৰে। মাত্ৰ বোবা চাৱনিৰে তাই কিবা এটা চাই আছিল। আৰু লাহে লাহে চকুহাল মুদ খাই গৈছিল। এইদৰে কিমান সময় পাৰ হৈ গ'ল তাই কব নোৱাৰে। শেষত তাই বোবা চাৱনিৰে চৌধুৰীৰ মুখলৈ চাই শতেক প্ৰশ্ন কৰিছিল—এইয়া কি হ'ল? এইয়া কি হ'ল?? "শিয়াল খেদিবলৈ সিংহৰ আৱশ্যক নাই" চিন্তা নকৰিবা দিপ্তী। মই আছো। মুহূৰ্ততে সন্ধ্যাৰ ঘন আন্ধাৰত বিলীন হৈ গৈছিল মানুহ ৰূপী নাহৰ ফুটুকী বাঘটো......।

"অজাতিৰ ভাত এগৰাহ খোৱাও ছোৱা আৰু একাহী খোৱাও ছোৱা।" একেই কথা। পাপৰ সাগৰত এজাবুৰ মাৰিলেও পাপ আৰু শতবাৰ মাৰিলেও একেই পাপ। সব একে কথা। ইয়াৰ পাচতো সেই কাৰণেই সিহঁতৰ বহুতো সন্ধিয়া নীৰৱে পাৰ হৈ গৈছিল.........।

তেতিয়াৰ পৰাই দিপ্তীৰ মুখত কোনোৱে হাঁহি দেখা নাছিল। এইটো স্বাভাৱিক। তাইৰ আঁচল আগুৰি সেই সন্ধিয়াই মৃত্যু হৈছিল। জীৱনৰ সব ৰং তাইৰ শেষ হৈ গৈছিল। জীৱনটোৰ প্ৰতি তাইৰ নিজকে কিবা কিবা লাগিছিল। দেহ বিক্ৰি কৰি পেটৰ প্ৰবৃত্তাই

থকাটো তাইৰ বাবে সম্ভৱ নাছিল। কাৰণ তাইৰ মনে সহ্য নকৰে, বিবেকে বিদ্ৰোহ কৰে। এইয়া তাইৰ স্বভাৱৰ বিপৰীত। সেয়েহে তাইৰ জীৱন-টোৰ প্ৰতি অৱহেলা জন্মিছিল। নিজৰ জীৱন-টোকেই অত্যাচাৰ কৰিবৰ মন গ'ল। সেয়ে এসময়ত তাই নাইকীয়া হ'ল কোনেও কব নোৱাৰাকৈ। তাৰ বাবে দোষী যদি একমাত্ৰ চৌধুৰীহে। সেইটো কাৰণতেই চৌধুৰীক কোনোবাই নি পুলিচত দিপ্তীৰ মৰাৰ কাৰণে দোষী বুলি গতাই দিয়া হ'তেন মই খুব ভাল পালো হেতেন। এনেকুৱা, নিজ পত্নী থকাৰ উপৰিও উপ-পত্নী আকাঙ্ক্ষা কৰা মানুহৰূপী নাহৰ ফুটুকী বাঘবোৰ মোৰ ভাল নেলাগে। ভয়ও লাগে।

কপাহৰ মাজত ৰঙা জুই অঙঠা লুকুৱাই ৰাখিবলৈ কৰা ব্যৰ্থ চেষ্টাৰ নিচিনাকৈ দিপ্তীৰ চেষ্টাও ব্যৰ্থ হ'ল। ফলত তাই নিজৰ দেহটোৰ ফালে নিজে চাই চমকি উঠিল। এইয়া কি? মাকে ৰুদ্ৰস্বৰে সুধিলে তই কি কৰিলি দিপী? লগে লগে কথাটো চাৰিওফালে প্ৰচাৰ হৈ গ'ল। সমাজত তাই ধৰা দিলে—তাই অন্তঃসত্বা—অভি-সাৰিকা—মুখ খুলি কোনেও নকলেও বহুতে মুখৰ ভিতৰতে গুণ-গুণালে তাই অভিসাৰিকা। চৌধুৰীৰ উপ-পত্নী।

এইবোৰ গ্লানি তাইৰ সহ্যকৰ নাছিল। তাই নিজৰ জীৱনকেই ধিকাৰ দিলে। জীয়াই থকাৰ মোহ কাটি গ'ল। সেয়েহে এদিন কোনেও কব নোৱাৰাকৈ তাই নাইকীয়া হ'ল। তাইক কোনেও ৰক্ষা কৰিব নোৱাৰিলে। শিয়াল খেদি-বলৈ সিংহৰ ঠাইত কুকুৰ এটাও নোলাল। মাত্ৰ এটা নিশাৰ পাচত পুৱা তাইৰ মৃত দেহটোহে সকলোৱে দেখিলে। তাইক আন্ধাৰে হত্যা কৰিলে.........। তাৰ সাক্ষী আছিল এটা সন্ধিয়া, এটা নিশা।

সকলোৱে ভাবিছিল তাইৰ মৃত্যুৰ কাৰণে একমাত্ৰ দোষী বুলি চৌধুৰীক আঙুলিয়াই থৈ যাব। কিন্তু সব মিছা হল। তাই ভুল কৰিলে এই নাহৰ ফুটুকী বাঘবিলাকক ধৰা পেলাই নিদি। পুলিচৰ তদন্ত চলিল ; একো প্ৰমাণ উলিয়াব নোৱাৰিলে। তাই কাকো দোষী সাব্যস্ত নকৰিলে। মৃত্যুৰ ভাগ কাকো নিদিলে। তাই আন বিলাক ছোৱালীৰ দৰে "আপুনিয়েই মোৰ জীৱনৰ প্ৰথম ভালপোৱা পুৰুষ" বুলি কাকো ছলনা কৰা বিধৰ ছোৱালী নাছিল।

---

"আদৰ্শ যদি ম্লান নহয়, আত্মা যদি ভয়হীন হৈ থাকে ; তেনেহলে ব্যৰ্থতা আহিবই নোৱাৰে।"

—জৱাহৰলাল নেহৰু।

—ব্ৰজেন গগৈ
২য় বাৰ্ষিক কলা

# নিশাৰ প্ৰহৰে যদি

ঘৃণাত ভাৰাক্ৰান্ত হৈ পৰাৰ বাহিৰে অন্য উপায় মোৰো নাছিল ।

বিশ্বাস ময়ো কৰা নাছিলো ; কিন্তু বিশ্বাস নকৰাৰ অন্যকোনো পথো নাছিল । স্বচক্ষুৰে যি দেখিছে সি নিজেই এই জঘন্য প্ৰচাৰৰ সাক্ষী । এতিয়ামানে যদি এই ঘৃণনীয় প্ৰচাৰটো গৈ প্ৰফেচাৰ সকলৰ কাণতো··· ! নাই, আৰু ভাবিব নোৱাৰি ।

কিন্তু, নেভাবো নেভাবো বুলি বহুতবাৰ চেষ্টা কৰি প্ৰত্যেকবাৰেই মই ভাগৰি পৰিছো । কথাটো মনলৈ অহাৰ লগে লগে এক অনামী সশ্ৰদ্ধ ভাবে অন্তৰত প্ৰত্যয় জন্মাবলৈ আপ্ৰাণ চেষ্টা কৰি মনে মনে চিঞৰি উঠে "মিছাকৈয়ে এজন মেধাবী ছাত্ৰক অপমান কৰাৰ দুঃসাহস কত পালি ?"

কিন্তু, ইজানো অপমান ? এনে এজন ছাত্ৰও যে বেশ্যাৰ প্ৰেমত আসক্ত······ । তেন্তে ইয়াক অপমান ? সত্যৰ আত্মপ্ৰকাশ যদি অপমান হয় তেন্তে প্ৰকৃত সত্য কি বস্তু ? নাই, ই অপমান নহয়, অপমানেই কেৱল যথেষ্ট নহয় । অন্ততঃ এনে এজন ছাত্ৰৰ পক্ষে এই অপমানেই যথেষ্ট নহয় ; এই অপমানতকৈ যদি মানসিক আঘাত দিব পৰা অন্য কিবা গধুৰ শাস্তি আছে, সেই শাস্তিহে তেনে এজন ছাত্ৰৰ প্ৰাপ্য ।

কথাটো প্ৰথম যিদিনা ক্লাচৰ লৰা-ছোৱালীবিলাকৰ মাজত অবাঞ্চিতভাবে বিয়পি পৰিছিল সিদিনা মোৰো আত্মবিশ্বাস হেৰাই গৈছিল । কাৰণ যিজন ছাত্ৰক লৈ এই ঘৃণনীয় আলোচনা চলিব ধৰিছে সেইজন ছাত্ৰক মই বেচি গভীৰভাবে বুজিব নোৱাৰিলেও যিমানদূৰ উপলব্ধি কৰিব পাৰিছো সিয়ে মোক এই আলোচনাত অংশ গ্ৰহণ কৰাৰ পৰা বিৰত থাকিবলৈ যেন সকিয়াই দিছে কিন্তু, শেষত মৰ্ম্মাহতৰ দৰে মই অৱশ হৈ পৰিছিলো, কাৰণ বন্ধুৱাই নিজে বহুতবাৰ প্ৰমাণ পোৱা বুলি মোৰ আগতো প্ৰকাশ কৰিছে ।

এই কেইদিন শ্ৰেণীতো সম্পূৰ্ণ মনোযোগ দিব পৰা নাই । কথাষাৰ শুনাৰ লগে লগে মনটোও এক বিস্ময়, বেজাৰ আৰু ঘৃণাৰে ভৰি পৰিছে । কেৱল মোৰেই নহয়, মোৰদৰে শ্ৰেণীৰ অন্য বিশজনী ছোৱালীৰ মনতো সেই একেই বিস্ময় আৰু ঘৃণা । সকলো লৰা-ছোৱালীৰ অন্তৰতে লৰাজনৰ প্ৰাত অনাস্থা আৰু ঘৃণাৰ

ভাব এটা পৰিস্ফুট হৈ উঠা প্ৰত্যেকেই উপলব্ধি কৰিছে। প্ৰফেচাৰ শ্ৰেণীৰ পৰা ওলাই যোৱাৰ লগে লগে প্ৰত্যেকজনী ছোৱালীয়েই সেই কোৱা-ভাতুৰীয়া লৰাজনলৈ একোবাৰ তাচ্ছিল্যপূৰ্ণ দৃষ্টি নিক্ষেপ কৰে। কিন্তু লৰাজন আমাৰ এই দৃষ্টিত বিৱৰ্ণ হৈ পৰা মোৰ চকুত এদিনো ধৰা নপৰিল। আমাৰ প্ৰত্যেকজনীৰ ঘৃণাৰে উপচি পৰা অনুসন্ধিৎসু দৃষ্টিক মাথোন গৰ্ব্বেৰে আস্ফা-লন কৰি, সেই একেই গাম্ভীৰ্য্য আৰু একেই কৰুণতাৰে মিহলি ক্ষীণ হাঁহিটো ওঁঠত সানি লৈ লৰাজন ক্লাচত বহি থাকে, আৰু ক্লাচ শেষ হলে সেই একেই গহীন গহীন খোজেৰে গুচি যায়। যেন এই ঘৃণনীয় প্ৰচাৰ আৰু আলোচনাই লৰাজনৰ মনত একো প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পৰা নাই। তেওঁ যেন এই সমা-লোচনাত সম্পূৰ্ণ নিৰ্লিপ্ত। বাহিৰত এনে এক দেখিলে শ্ৰদ্ধা জন্মা সৌম্যমূৰ্ত্তি ধাৰণ কৰি অন্তৰত এক ঘৃণনীয় কুৎসিত ৰূপ ধাৰণ কৰাৰ প্ৰয়োজন কিয় তাক হয়তো কোনো ছাত্ৰ-ছাত্ৰী-য়েই বুজিলেহেঁতেন যদি গোলাপে এই কথা-ষাৰ প্ৰচাৰ নকৰি গোপনে ৰাখিলেহেঁতেন। কিন্তু যিটো সত্য, তাক মিছাতে গোপন কৰি ৰখাৰ ব্যৰ্থ চেষ্টাৰে অন্তৰক দুখ দিয়াৰ প্ৰয়ো-জন নাই। সত্যৰ আত্মপ্ৰকাশ সময়ত আপোনা আপুনি হবই।

ক্লাচত লৰাজনক লৈ হোৱা আলোচনা বিলোচনাবোৰে মোৰ অন্তৰতযে বৰ বেচিভাবে আঘাত কৰিছে তাক বেচ অনুভৱ কৰিছো। কিন্তু এই আঘাত উপলব্ধি অহেতুক; হয়তো হেতু থাকিলেও এই ঘৃণনীয় অপপ্ৰচাৰৰ পাছত এই আঘাত মোৰ কাৰণে অহেতুক হৈয়ে পৰিছে।

প্ৰথম বাৰ্ষিক কলাবিভাগৰ ছাত্ৰীহিচাবে ডিব্ৰুগড় কানৈ কলেজতে এড্‌মিশ্যনটো ললো। ধুনীয়া কলেজখনৰ নতুন কলেজীয়া আবেষ্টনী এটাৰ মাজত নিজকে সহজ কৰি তুলিবলৈ প্ৰথমে যথেষ্ট ভাবিব লগাত পৰিছিলো। ক্লাচৰ দুশ-ডেৰশ লৰা-ছোৱালীৰ মাজত নিজকে নতুন নতুন লাগিছিল। দিনবোৰ বাগৰি গৈছিল, লৰা-ছোৱালীবিলাকৰ মাজতো পঢ়া-শুনা, স্বভাৱ-চৰিত্ৰৰ সম্পৰ্কে কিছু কিছু বুজাপৰা হৈ গৈছিল। কলেজীয়া জীৱনৰ এক আমোদজনক পৰিবেশৰ মাজত মইও সোমাই পৰিছিলো। দিনবোৰ ৰঙ-ধেমালী, পঢ়া-শুনাৰ মাজেদি পাৰ হৈ যোৱাৰ লগে লগে মোৰ চকুত শেষলৈকে মাথো এজন লৰাই ধৰা দিছিল। সেইয়া, সেইজন লৰা মোৰ আগৰ ৰোল নম্বৰত আছিল। মেধাবী ছাত্ৰহিচাবে লৰাজনে মোৰ চকুত শেষলৈকে ধৰা দিয়াত লৰাজনৰ প্ৰতি মোৰ এক স্বাভা-বিক হেপাহ জাগিছিল। হেপাহ জাগিছিল লৰাজনৰ ওঁঠত বিয়পি থকা কৰুণ হাঁহিটোৰ অৰ্থ বুজিবলৈ। মই লক্ষ্য কৰিছিলো, ক'লা পেণ্ট, এখন বগা চাৰ্ট, এযোৰ সাধাৰণ জোতা আৰু মাজে সময়ে এযোৰ হাৱাই চেণ্ডেল ভৰিত পিন্ধি যিজন লৰা ক্লাচলৈ সদায় নিয়মিত সময়ৰ পাঁচ মিনিট আগে আগে আহে সেই লৰাজনৰ লগত কোনোদিন কোনো এজন ছাত্ৰকে ক্লাচলৈ একেলগে অহা মোৰ মনত নপৰে, কিন্তু মোৰ দৃষ্টিত পৰিছিল মাথো লৰাজনৰ এটি সঙ্গী-সেইয়া তেওঁৰ ওঁঠত সদায়েই বিৰিঙি থকা

গভীৰ আৰু করুণ হাঁহিটো। এই হাঁহিটো কোনোদিন ম্লান হৈ যোৱা মোৰ মনত নপৰে আৰু এই ঘৃণনীয় আলোচনা প্ৰচাৰ হোৱাৰ পাছতো সেই হাঁহিটো অম্লান হৈয়ে আছে। মোৰ দৃষ্টিত পৰিবৰ পৰা লৰাজনক ক্লাচতো সেই একেই হাঁহিমুখে বহিথকা দেখি আহিছো। কিন্তু লৰাজনৰ এটি বৈশিষ্ট্য মই সদায় লক্ষ্য কৰি আহিছো—সেইয়া হৈছে তেওঁ ক্লাচৰ অন্য কোনো লৰা ছোৱালীৰ লগত অতিমাত্ৰা হাঁহি-মাতি কোনো কথা-বতৰা নহয়। যি এযাৰ কথা কয় তাকে যেন অতি জুখি জুখিহে কয়। তৃতীয় বেঞ্চখনৰ একেবাৰে মূৰত বহি থকা এই শান্ত লৰাজনক সকলো লৰা-ছোৱালীয়েই শ্ৰদ্ধা আৰু মৰমৰ চকুৰে চাই আহিছিল। প্ৰফেচাৰ সকলেও লৰাজনক স্নেহৰ চকুৰে চাই আহিছে। মেধাবী ছাত্ৰ হিচাবে প্ৰফেচাৰৰ অন্তৰ আকৰ্ষণ কৰিব পৰা গুণ ছাত্ৰজনৰ নিশ্চয় আছে। অন্য কোনো লৰা-ছোৱালীৰ পৰা প্ৰফেচাৰে যেতিয়া তেখেতৰ প্ৰশ্নোত্তৰ নেপাই "Anybody in the class" বুলি চিঞৰি উঠে তেতিয়াহে সেই লৰাজনে প্ৰফেচাৰৰ প্ৰশ্নোত্তৰ দিয়ে। এইজন লৰা নিতান্তই লাজকুৰীয়া স্বভাৱৰ— ইয়াক ক্লাচৰ বাকীবোৰ ছোৱালীয়েও সমস্বৰে স্বীকাৰ কৰি আহিছে। লৰাজনৰ এই লাজকুৰীয়া স্বভাৱ চৰিত্ৰক লৈ আমাৰ ছোৱালীমহলতো বেচ গল্প জমে। স্বাভাৱিক দুৰ্ব্বলতাই হওক বা হৃদয়ৰ টানেই হওক, লৰাজনক লৈ চলা এই গল্পবোৰত মই যথেষ্ট তৃপ্তিবোধ কৰো। সঁচা কথা কবলৈ হ'লে লৰাজনৰ প্ৰতি মই কিছু আকৃষ্ট হৈ পৰিছিলো। যমুনাই এদিন মোৰ এই দুৰ্ব্বলতাকন বুজিব পাৰি চিঞৰি দিছিল "প্ৰেমৰ সপোন দেখুৱাব পাৰিব লাগিব। নহ'লে কালিদাসৰ দৰে আঁঠুৱাৰ ওপৰত জপিয়াই পৰিব পাৰে।" যমুনাৰ এই ঠাট্টামিশ্ৰিত কোমল বাক্যবানে মোক লৰাজনৰ প্ৰতি বেচি অনুসন্ধিৎসু আৰু আকৰ্ষিত কৰিহে তুলিছিল। ক্লাচলৈ সদায় নিয়মিতভাৱে গহীন গহীন খোজেৰে অহা-যোৱা কৰা এই শান্ত লৰাজনক আমি আমাৰ ওপৰৰ কমন ৰুমৰ পৰা সদায়েই অকলশৰীয়াভাৱে দেখা পাইছিলো। আৰু যমুনাই মোৰ গাত চিকুটি মনে মনে কৈছিল— "যোৱা ভাই, শাৰী পাতি আহাগৈ। মই ইয়াৰ পৰাই স্নেপ লম।" অন্তৰৰ বিপুল আনন্দক লুকাই ৰখাৰ বিফল প্ৰচেষ্টাৰে মই চিঞৰিছিলো— "পগলা নবকিবা ব'লা ক্লাচলৈ প্ৰফেচাৰ যাবৰ সময় হ'ল।" মৃদু হাঁহিৰ ৰোল তুলি আমি ক্লাচলৈ সোমাই গৈছিলো। ৰূপক চৌধুৰী নামৰ এই লৰাজনৰ ব্যক্তিত্বত মই সঁচাই মোহিত হৈছিলো। কেৱল মইয়ে নহয়, ক্লাচৰ প্ৰত্যেকজনী ছোৱালীৰে লৰাজনৰ প্ৰতি এটি আন্তৰিক দুৰ্ব্বলতা আছিল।

এই শান্ত ৰূপককে লৈ যিটো অপবাদ,— অপবাদ বুলিয়ে কব লাগিব, প্ৰচাৰ হৈছে তাত প্ৰত্যয় যোৱাৰ বাহিৰে মোৰ আজি অন্য উপায় নাই। কিন্তু মই আচৰিত হৈছো এই কাৰণেই যে ইমান অপমানৰ মাজতো ৰূপক কেনেকৈ ধৈৰ্য্য ধৰি থাকিব পাৰিছে। যদি কথাটো অসত্য তেন্তে কিয় ৰূপকে এই অপমানৰ প্ৰতিবাদ আৰু প্ৰতিকাৰৰ চেষ্টা নকৰে? এই মুকমৌন সম্মতি দেখি ৰূপকৰ প্ৰতি মোৰ ঘৃণা জন্মিছে। অন্ততঃ

এনে এক পৰিস্থিতিৰ মাজত ৰূপক ক্লাচত উপস্থিত নথকা হলেই মই শান্তিৰে মনোযোগ দিব পাৰিলোহেঁতেন। অন্তৰত সকলো সাহস গোটাই লৈ এদিন ৰূপকক এই বিষয়ে চিঞৰি চিঞৰি কৈ দিম বুলিও শেষত নিজে হতাশ হৈ পৰিছিলো। এক অজ্ঞাত দুৰ্ব্বলতাই মোক যেন একে ঠাইতে বৈ থাকিবলৈ বাধ্য কৰিলে। বেশ্যাৰ প্ৰেমত আসক্ত এই কুৎসিত চৰিত্ৰৰ লৰাটোৰ ওচৰত মোৰ সত্বাটো প্ৰকাশ পায় বুলি খুব ভয় হৈছিল। আৰু সেই কাৰণেই তাক অধঃপাতে যাবলৈ শাও দি দি ইমান দিনে অন্তৰত পুহিৰখা ঘৃণনীয় হেপাহ আৰু আশাত মোৰ সমস্ত মন-প্ৰাণ ভাৰাক্ৰান্ত হৈ উঠিল। ক্লাচলৈ যোৱাৰ আৰু ইচ্ছা নাই। ক্লাচত গৈ সেই কুৎসিতটোৰ আলোচনাৰে মনটো অপৱিত্ৰ কৰিবলৈ সাহস নহল।

আজিও ক্লাচলৈ যোৱা নাই। আজি তিনিদিন যোৱাই নাই। ভাবিছো, ৰূপক নামৰ সেই লৰাটোৰ ভবিষ্যত কি হব পাৰে। নিতান্ত নিৰ্জ্জু প্ৰকৃতিৰ লৰা এটাৰ জীৱনৰ ভবিষ্যতটো এনেভাৱে ম্লানহৈ যাব বুলি মনত আজি দুখ লাগিছে। ভাবিছো, ৰূপকক এই পঙ্কিল মোহৰ পৰা কেনেকৈ মুক্তি দিয়া হব। ৰূপকক এই অভিগমণৰ পৰা বিৰত ৰাখবই লাগিব। এনে এজন ছাত্ৰক সমাজ আৰু ব্যক্তিগত জীৱন সম্পৰ্কে সজাগ কৰি দিয়াটোও উচিত হব। ৰূপক মোৰ কোনো দিনৰ অন্তৰঙ্গ বন্ধু নহয়, কিন্তু মোৰ ক্লাচফ্ৰেণ্ড। অন্ততঃ ক্লাচফ্ৰেণ্ড হিচাবে ৰূপকক সজাগ কৰি দিয়াটো উচিত হব। কিন্তু মোৰ উপায় নাছিল। ৰূপকক মই কোনো দিন এযাৰ কথা কথা কোৱা নাছিলো।

"ছন্দিকা, হেল্লো' ছন্দিকা···।" পৰ্টিকৰ পৰাই পাগলীৰ দৰে যমুনা চিঞৰি চিঞৰি সোমাই আহিছিল। চিন্তাৰ আঁত হেৰাই গৈছিল। ক্ৰুদ্ধ দৃষ্টিৰে তাইলৈ ঘূৰি চাই কিবা এটা প্ৰশ্ন কৰাৰ আগতেই যমুনাই চিঞৰি উঠিল "You should prepare something।" যমুনাৰ পাগলামীয়ে মোক বিৰক্তি দিছিল।

"পাগলী কথাটো কি?"

"You should ask somethiny about your result,"

"Be serious ভাই?"

No 'ৰূপকৰ···'।

"বিদ্ৰূপ নকৰা ভাই। মইfired হৈছো।" এক অজ্ঞাত ভয়ত মোৰ মাতটো শেষৰ ফালে ডাঙৰকৈয়ে ওলাইছিল। ৰূপকৰ কথাকেই ভাবি ভাবি মনটোক মিছাতে কষ্ট দিছো, আৰু সেই ৰূপকৰ কথাকে কৈ মোক শাস্তি দিবলৈ যমুনা পাগলীৰ দৰে চিঞৰি আহিছে। খঙত নিৰ্ব্বিকাৰ ভাবে ভিতৰলৈ সোমাই যাব খোজোতেই যমুনাই মোৰ হাতত ধৰি চিঞৰিলে "তাৰ আগেয়ে এইয়া পঢ়ি চোৱা ভাই। মিছা কথা এনেয়ে প্ৰকাশ নেপায়। গোলাপ বৰুৱাই দেখি অহাটোৱে সত্য।"

ভয়, ঘৃণা আৰু লাজত মোৰ মেলাহাত তললৈ সৰি পৰিল। যমুনাৰ কথাবোৰ মই শুনা নাছিলো। লাজ আৰু খঙত কাণ দুখন যেন ৰঙা পৰি উঠিছিল। মই খঙত চিঞৰিছিলো— "প্ৰয়োজন নাই এইবোৰ পঢ়াৰ—।"

"প্ৰয়োজন আছে বাবেইতো দৌৰি আহিছো। তোমাৰ প্ৰয়োজনত নাহিলেও সমাজৰ প্ৰয়োজনত আহিব।" যমুনালৈ ঘূৰি চলো—এক পৰমতৃপ্তিৰে যমুনাই মোৰ মানসিক অৱস্থাটোলৈ চাই হাঁহিছে। তাইৰ ছুচকুত মোৰ প্ৰতিবিম্বটো কঁপি উঠিছে।

"পঢ়ানা ভাই। সোৱাদ আছেতো…।" একেই বিদ্ৰূপাত্মক ভঙ্গিৰে কলে যমুনাই।

পঢ়াৰ ক্ষমতা বা ধৈৰ্য্য মোৰ তেতিয়াও নাছিল। কোনো দ্বিধাবোধ নকৰাকৈ যমুনাই শেষলৈকে পঢ়ি গৈছিল—।

প্ৰিয় মৃদুল ;

কোনোবা ঔপন্যাসিকৰ উপন্যাস বা গল্প লিখকৰ কোনো গল্পৰ প্লট চুৰ কৰি আনাৰ আয়োজন কৰা নাই। কিন্তু যিটো উদ্দেশ্যে আজি এই দীঘলীয়া চিঠিখন তোমাৰ কাৰণে লিখিব লগা হৈছে সেইয়া পঢ়ি যোৱাৰ লগে লগে বুজি উঠিবা। পঢ়াৰ লগে লগে হয়তো তুমি তোমাৰ অজ্ঞাতেই চিঞৰি উঠিবা এইয়া নকল গল্প।" কিন্তু গল্পওতো সত্য ঘটনাৰেই নকল বা প্ৰতিচ্ছবি।

জানা? এদিন মোৰ মুখৰ করুণ হাঁহিটো দেখি তুমি মোৰ প্ৰতি যি এটা সন্দিহান দৃষ্টি প্ৰতি পদক্ষেপে নিক্ষেপ কৰি আহিছিলা সেই দৃষ্টিৰ সম্পূৰ্ণ বিপৰীত এক অসহনীয় দৃষ্টিয়ে মোক এইয়া আজি কলেজীয়া জীৱনত বিব্ৰত কৰি তুলিছে। কিন্তু কানৈ কলেজখন মোৰ সমূলি বেয়া লগা নাই। বিশেষতঃ প্ৰফেচাৰ সকলক মোৰ ভাল লাগে। শ্ৰদ্ধা আৰু সততে ভক্তি জন্মে।

মৃদুল; অপবাদে ৰামচন্দ্ৰৰ সুখৰ ৰাজ্যত কেনেকৈ তীব্ৰহলাহল ঢালি দিছিল? আৰু আজি মই…… ? নাই ঃ তুমি মোৰ চিঠিখন কোনোবা আলোচনীলৈ প্ৰকাশৰ কাৰণে পঠাই দিবা। এখন অন্ধ সমাজে মোক ভাগৰি যোৱাকৈ ঘৃণা কৰিবলৈ সমল গোটাই লওক। কাৰণ মোৰ পিতৃয়েও এই অপমান আৰু ঘৃণা বহন কৰিব লগাত পৰিছিল। পিতৃৰ জন্ম হৈছিল উকীলৰ ঘৰত গেৰাৰী খাটি এক মিছা কলঙ্ক বহন কৰিবলৈ আৰু মোৰ জন্ম পিতৃৰ পৰিচয় দিবলৈ। কলেজীয়া ছাত্ৰ যদিও মই আজি বিপথগামী……। তুমি প্ৰথম পঢ়া; তাৰ পাছত নিশ্চয় কোনোবা আলোচনীলৈ চিঠিখন প্ৰকাশ কৰিবৰ কাৰণে পঠাবা।

নাগৰিক মিচিলৰ মাজলৈ সন্ধ্যাৰ এক ব্যস্ততামুখৰ আন্ধাৰবোৰ নামি আহিছিল। অৰোৰা বংঘৰৰ সন্মুখ নাগৰিক ব্যস্ততাৰে উপচি পৰিছিল। এই ব্যস্তমিচিলৰ মাজত ভাহি আহিছিল এটি প্ৰায় ৭।৮ বছৰীয়া নৰকঙ্কাল। গাত এখন বুকুফটা মলিয়ন কামিজ; ককালত এটা ফটা চুটি পেণ্ট! চুলিত হয়তো কোনোদিন তেল আৰু ফণিৰ পৰশ পৰা নাই। এগাতে এটা মামৰে ধৰা ফুটা কন্‌ডে [illegible]ৰটেমা আৰু অন্যখনহাতেৰে পেটৰ পৰা খহি পৰিব খোজা ফটা পেণ্টটো ওপৰলৈ টানি টানি লৰাটিয়ে সৰু সৰু মাতেৰে "বাবু ভিক্ষা বাবু ভিক্ষা" কৰি চিঞৰি ফুৰিছিল। মই লক্ষ্য কৰিছিলো টেমাটোৰ তলিখনত কেইটামান ৰঙা পইচাতকৈ বেচি ভিক্ষা নাছিল। লৰাটিৰ প্ৰতি মই আকৰ্ষিত হৈছিলো। তাৰ ছুইহাতত ধৰি মই চকুলৈ চালো। ক্ষীণ চকু

চুটিৰ মাজেদি এখন চিনাকী মুখৰ প্ৰতিচ্ছবি মোৰ সন্মুখত ভাহি উঠিছিল। সি তলমূৰ কৰিছিল। প্ৰশ্ন হৈছিল তাৰ ঘৰ কত? মাক-বাপেক আছেনে নাই? কোনো শঙ্কা বা দ্বিধাবোধ নকৰাকৈ সি উত্তৰ দিছিল তাৰ ঘৰ গুৱাহাটীত, বাপেক যুদ্ধত মৰিল, বেজাৰত মাকে ৰেলৰ চিৰিত পৰি মৃত্যুবৰণ কৰে। আৰু সেই কণমান লৰাটোৱে গুৱাহাটীৰ পৰা ৰেলেৰে আহি ডিব্ৰুগড় ওলালহি। এতিয়া তাৰ আপোন কোনো নাই। ৰাতিটো য'তে ত'তে পৰি থাকে, দিনটো এইদৰে ভিক্ষা কৰি ফুৰে। কিছুমান এভাৰ প্ৰিপেয়াৰ্ড প্ৰশ্নোত্তৰহে যেন লৰাটোৱে মুখস্থ কৰি গৈছিল। জ্বলন্ত মিছা কথাৰ বেপাৰী (?) এই সৰু লৰাটোৰ প্ৰতি মোৰ ঘৃণাই উপজিছিল। কিন্তু তাৰ শুকান মুখৰ ভোকাতুৰ ছবিখনে অন্ত-ৰৰ কোনোবা কোণত মোৰ মানৱতাবোধকণ সজাগ কৰি তুলিলে। লগে লগে লৰাটোৰ কথাবোৰৰ সত্যতাৰ ওপৰতো মোৰ অনুসন্ধিৎসা বাঢ়িল।

এখন সাধাৰণ হোটেলত সুমুৱাই দি তাক এটা শিঙ্গাৰা আৰু একাপ চাহ কিনি দিলো। অতি আগ্ৰহেৰে চাহ শিঙ্গাৰা খাই লৰাটোৱে 'বাবু মই খাওঁ, বুলি আঁতৰি গৈছিল। ৰবলৈ কৈছিলো— তাৰবোলে সময় কম। এনেকৈ ভিক্ষা নকৰিলে পাছত তাৰ খোৱাৰ পথো বন্ধ! মই আচৰিত হৈছিলো। সি সন্ধ্যাৰ নগৰত মিহলি হৈ গৈছিল। সেইটো দিন আছিল পোন্ধৰ ফেব্ৰুৱাৰী। ১৯৬৫

তাৰ পাছতো দুটামাহ চহৰীয়া স্কুলস্কুলৰ মাজেদি পাৰ হৈ গৈছিল। কিন্তু পাৰ হৈ গৈছিল। কিন্তু পাৰ হৈ যোৱা নাছিল সেই সৰু লৰাটোৰ চিনাকী চিনাকী মুখখন। যিমান দিনেই লৰাটোক মই দেখি আহিছো; সিমান দিনেই তাৰ প্ৰতি মোৰ এক কৌতুহল আৰু আকৰ্ষণ বাঢ়িহে আহিছিল। এই কৌতুহল দমাব নোৱাৰি এদিন মই লৰাটোক অনুসৰণ কৰিলো। অন্যদিনাৰ দৰেই ভিক্ষা খুজি খুজি শেষত লৰাটো লাহে লাহে আঁতৰি গৈছিল। মই মাত্ৰ তাক দূৰে দূৰে অনুসৰণ কৰিছিলো। দেখিছিলো এটা আন্ধাৰ গলি-য়েদি লৰাটো আগ বাঢ়ি গৈছিল। পাছে পাছে মইয়ো। ঘন আন্ধাৰৰ মাজেদি চুপি গৈ দেখিলো লৰাটো ৰৈ গৈছে আৰু সৰু সৰু মাতেৰে দুৱাৰ খন খুলি দিবলৈ কৈছে। প্ৰায় আধাঘণ্টাৰ পাছত দুৱাৰখন খুলি গ'ল। খোলা দুৱাৰেদি ওলাই অহা উজ্বল পোহৰত মই দেখিছিলো কোনোবা এজন ভদ্ৰলোক বেগেৰে ওলাই আহিছে আৰু লৰাটো সোমাই যোৱাৰ লগে লগে দুৱাৰখন বন্ধ হৈ গৈছে। মোৰ গাৰ কাষেদিয়ে ভো-ভোকৈ পাৰ হৈ যোৱা ভদ্ৰলোকজনক চিনিব পাৰি সনম্ৰে চিঞৰিছিলো "নমস্কাৰ চাৰ। আপুনি!" মোৰ অনুমান ভুল হ'ল। কোনোবা অচিনাকী ভদ্ৰলোক, কোনো উত্তৰ দিয়াৰ প্ৰয়োজনবোধ নকৰাকৈয়ে আন্ধাৰৰ মাজেদি গুচি গ'ল। লাজ পাইছিলো ভীষণ! নিজৰ জিভা নিজেই কামুৰি ধৰিছিলো। দুৱাৰকাষ চাপিছিলো মই। শুনিলো ভিতৰত লৰাটোৱে মাকৰ সৈতে সৰু সৰুকৈ কথা পাতিছে। মাজে মাজে মোৰ বিষয়েও। মাকৰ কথা মই আজিও তাক সুধিছিলোনেকি লৰাটোক প্ৰশ্ন কৰিছে। এতিয়া

আৰু বাহিৰত এনেদৰে থিয় হৈ থকাটো যুক্তি-সঙ্গত নহয়বুলিয়ে মই দুৱাৰত টুকৰ দিলো । ভিতৰত নিস্তব্ধতাই বিৰাজ কৰিছিল । প্ৰায় পোন্ধৰ মিনিটমানৰ মূৰত দুৱাৰখন মেল খালে । কোনো অনুমতি নবিচৰাকৈয়ে মই সোমাই গৈছিলো । দেখিছিলো গালে মুখে দাৰিদ্ৰ্যৰ প্ৰলেপ পৰা এজনী গাভৰু থিয় দি আছে মোক সন্মুখত দেখি তেওঁ অলপ চক্ চকি গ'ল । কিন্তু প্ৰকৃতিস্থ হৈ মোক বহিবৰ কাৰণ এখন পুৰণা চকি আগবঢ়াই দি দুৱাৰখন বন্ধ কৰি দিছিল । মই লক্ষ্য কৰিছিলো গাভৰুগৰাকীৰ পিন্ধা কাপোৰত মুঠেই পাৰিপাট্য নাছিল । পৰিবেশটো বৰ লজ্জাজনক হৈ উঠাত মইয়ে টপৰাই সুধিলো "এইয়া তোমালোকৰ ঘৰ ? ঘৰবুলি প্ৰশ্ন কৰা বাবেই হয়তো গাভৰু গৰাকী অপ্ৰস্তুত হৈ পৰিছিল । কাৰণ যিটো কোঠালিৰ ভিতৰত গাভৰু গৰাকীৰ পৰিয়াল বাস কৰিছে সেইটো কোঠালিত সুস্থ মগজৰ মানুহ এক মিনিটো জীয়াই থাকিব নোৱাৰে । উৎকট মদৰ গোন্ধ এটাও কোঠালিটোৰ বন্ধ বতাহত ভাহি ফুৰিছিল । অচিনাকী ডেকা এজনৰ আগত এজনী গাভৰু ছোৱালীৰ এই ঘৰুৱা অৱস্থাটো লুকাব নোৱাৰাকৈ ওলাই পৰাত ছোৱালীজনীয়ে মনত মৰ্মান্তিক আঘাত পাইছে তাক বুজিবলৈ মোৰ বেচি সময় নহল । পৰিস্থিতিটো সহজ কৰি তুলিবলৈ মই পুনৰ সুধিলো "তোমাৰ মাৰ আৰু ভাইটি ক'ত ? প্ৰশ্নটোত ছোৱালজনী আচৰিত হোৱাযেন লাগিল । কিবা এটা কবলৈ মুখমেলিও পুনৰ তলমুৰ কৰিলে । "তোমাৰ দেউতাৰা সম্ভৱ এইমাত্ৰ ওলাই যোৱাজন নহয়নে ? অৱশ্যে তোমাৰ ভাইটিয়েৰাক মই বহুতদিনৰ পৰাই চিনি পাওঁ । কিন্তু তেওঁ তোমালোকৰ কথা কোনোদিন কোৱা নাছিল ।"

"কোন লৰাৰ কথা কৈছে ?"

"এইমাত্ৰ যে লৰা এটা সোমাই আহিছিল ?

"মোৰ কোনোৱে নাই··· ।" গাভৰুৰ কণ্ঠত কঁপনি !

'কিয় তোমাৰ মা-দেউতা আৰু ভাইটিয়েৰা ?

"বুজিছো বাৰু তুমি বৰ্ত্তমান মোৰ আগত লাজ কৰাবো কোনো প্ৰয়োজন নাই । মইয়ো তোমালোকৰ দৰেই দুখীয়া ঘৰৰে লৰা । গতিকে ঘৰুৱা অৱস্থাৰ প্ৰতি মোৰ বিচাৰ বা অবিচাৰ কৰাৰ ক্ষমতাও নাই । কিন্তু মই তোমালোকৰ কিঞ্চিৎ উপকাৰ কৰিব পাৰিলেও ধন্য মানিম । কাৰণ, সদায় সৰু লৰা এটাক এনেভাৱে পইচা খুজি ফুৰা দেখিলে মোৰো ভাল নেলাগে । তেওঁৰ লগৰ কত লৰাই দুবেলা দুসাজ মহাতৃপ্তিৰে খাই স্কুল-কলেজত পঢ়িছে । আৰু এই সৰু লৰাটোৱে দিন-ৰাতি ভিক্ষা মাগি মাগি নিজৰ জীৱনটোক এটা অচিন যন্ত্ৰত পৰিণত কৰি তুলিছে । তেওঁ নিজেই নেজানে নিজৰ জীৱনত কি কাৰ্য্য কৰি গৈছে । গতিকে মই ভাবিছো লৰাটোক অন্ততঃ পঢ়াব পাৰিলে ভাল হয় । এই কাৰণেই মই তোমাৰ মা দেউতাৰক লগ পাব বিচাৰো । দেউতাৰক সেইয়া ওলাই যোৱা দেখিছো ; গতিকে মাৰাক লগপাব পাৰিলে ভাল হয় । অন্ততঃ তুমি মাৰাক জানিবলৈ দিলে সুখী হম ।" কথাষাৰ কৈয়ে মূৰ তুলি চাওঁ যে ছোৱালীজনী অদৃশ্য হৈ গ'ল । মই বিমূৰত পৰিলো । মদ আৰু উৎকট অনাথী দুৰ্গন্ধই তাত বহি থকাটো অসহ্য কৰি

তুলিছিল । যাবলৈ থিয় দিছিলো । বিদায় যাওঁ, বুলি মই ভিতৰফালে চুখোজ আগবাঢ়ি দেখিছিলো ছোৱালীজনীয়ে সেই সৰু লৰাটোক বুকুত সাৱটি এখন মলিয়ণ বিচনাত পৰি উচুপি আছে । মনটোত দুখ লাগিছিল । ঘৰুৱা পৰিবেশ আৰু পৰিস্থিতিটোৰ মাজত আন্ধাৰেদি ওলাই যোৱা ভদ্ৰলোকবেশী গাভৰু গৰাকীৰ দেউতাকৰ ছবি এখন চুচকুত ভাহি উঠিল । ঘৃণা উপজিছিল মানুহজনৰ প্ৰতি ! ঘৰৰ এই অৱস্থাটোক প্ৰলেপ দিবলৈ গৈ নিজকে ভদ্ৰ সজাইছে, কিন্তু লৰা-ছোৱালীৰ কাৰণে সমূলি চিন্তা নকৰে । বোধহয় মদৰ বাগীত সকলোৰে বিভ্ৰম ঘটে । গাভৰুজনীলৈ মোৰ পুতৌ জন্মিছিল । তেওঁ হয়তো দেউতাকৰ উদ্ধতালিবোৰত মৰ্মান্তিক বেজাৰ পাইছিল । সেইবাবেই তেওঁৰ কোনোৱে নাইবুলি কৈছিল । সহানুভূতিৰ সুৰত কৈছিলো "কান্দিছা কিয় ? মই সকলো বুজিছো । তোমাৰ দেউতাবাইতো তোমালোকৰ প্ৰতি এইয়া অন্যায় কৰিছে তাক বুজিছো । মই চেষ্টা কৰিম তেখেতক লগ কৰিবলৈ । কিন্তু এই সৰুলৰাটোক মোৰ লগত দিবা । মই তেওঁক মানুহ কৰি তুলিবলৈ চেষ্টা কৰিম ।" "আপুনি সোণকালে আঁতৰি যাওক ‥ ! নহলে‥‥।" ছোৱালীজনীৰ কান্দোনত মুখৰ মাত ৰুদ্ধ হৈ গৈছিল । মই দুঃখিতবোধ কৰিছিলো । ছোৱালীজনীক হয়তো মোৰ প্ৰতাকযাৰ কথাই গভীৰ আঘাত দিছিল । তেওঁ হয়তো উপলব্ধি কৰিছিল এজন অচিনাকী ডেকাৰ এই আচহুৱা আশ্বাস প্ৰবঞ্চনাৰ বাহিৰে একো নহয় ! কাৰণ স্বয়ং পিতৃয়েও যাৰ প্ৰতি অবিচাৰ কৰিব পাৰে (?) তাৰ প্ৰতি এই মোৰ নতুন আশ্বাস অতি দুৰ্ব্বোধ্য । নিজকে বৰ কথাৰ মানুহযেন বোধ হৈছিল । কাৰ্য্যত হয়তো মোৰ অৱতীৰ্ন হোৱাৰ ক্ষমতা নহব । গতিকে ছোৱালীজনীৰ অন্তৰত বেচি আঘাত দি নিজকে দোষীসাব্যস্ত নকৰি খৰধৰকৈ বিদায় লৈ গুচি আহিছিলো । মনে মনে দৃঢ় প্ৰতিজ্ঞ হৈছিলো এই সংসাৰখনক পোহৰলৈ এদিন আনিবই লাগিব ।

দুখোজমান আহিয়ে মই ৰৈ গৈছিলো । মোৰ চকুত টৰ্চৰ পোহৰ পেলাই কোনোবা এজনে চিঞৰিলে "হেল্লো ৰূপক ; You a e also enjoyiag ? বৰ ভাল ভাই । This is the prime of life‥ ।" মইও চিঞৰিলো "বৰুৱা ক'ত যাব ইমান ৰাতি ?" "হাঃ হাঃ হাঃ ; That means তোমাৰ কাৰণে এইয়া পূৰ্ণিমাৰ জোনাক নহয় ? মোৰ কাৰণে কিন্তু আন্ধাৰেই ভাল । I have fifty rupees this night. Thanks ভাই ; Good night !" অস্থিৰ খোজেৰে গোলাপ বৰুৱা গভীৰ আন্ধাৰেদি গুচি গ'ল । মই বৰুৱাৰ এই ব্যৱহাৰত আঘাত পাইছিলো । বৰুৱাৰ কথাবোৰে মোৰ মনত বহুত খেলিমেলি প্ৰশ্নৰ সৃষ্টি কৰিছিল । মই ক্ষুব্ধ আৰু আহত হৈ পৰিছিলো । শ্ৰেণীত যিজন লৰাই এষাৰ মাত মাতিবলৈ সাহস নকৰে সেইজন লৰাই আজি ৰাতি পঞ্চাচটা টকা লৈ মোক এনেদৰে বিদ্ৰূপ কৰাৰ কাৰণটো বিচাৰি পোৱা নাছিলো । মদে মানুহৰ মনুষ্যত্ব এনেকৈয়ে ধ্বংস কৰিব পাৰে তাকে ভাবিব পৰাৰ লগে লগে মোৰ সমস্ত শৰীৰ এক অনামী ভয়ত কঁপি উঠিছিল । কিছুমান বুজা নুবুজা সন্দিহান

ভাব মনত লৈ ৰাতি প্ৰায় ডেৰ বজাত মই শুই পৰিছিলো।

কিন্তু, পাছদিনা কলেজলৈ গৈ শ্ৰেণীত যি এক সমস্যাৰ সন্মুখীন হব লগা হ'ল ই মোৰ জীৱনত অবিস্মৰণীয় হৈ ৰব। গোলাপ বৰুৱাই প্ৰচাৰ কৰিছে; 'ৰূপক চৌধুৰী এক অখ্যাত গলিৰ বেশ্যাৰ প্ৰেমত আসক্ত' এই ৰহস্য উদ্ঘাটন কৰিয়েযে গোলাপ বৰুৱাই কালি ৰাতি পঞ্চাশটকাৰ ক্ষমতাৰে সেই বিদ্ৰূপাত্মক হাঁহিটো মাৰিছিল মোৰ বুজিবলৈ এতিয়া অকণো পলম নহ'ল। আৰু মই ভালদৰে বুজি উঠিলো, যাক উদ্ধাৰ কৰিবলৈ গৈ আজি অপমানিত সেইয়া এক বেশ্যাৰে অবৈধ সন্তান। লগে লগেই মোৰ মনত এক অজ্ঞাত প্ৰশ্ন হৈছিল 'বেশ্যাৰ আৰু' পুত্ৰৰ কি প্ৰয়োজন ? বেশ্যালয়ত ৰাতি মোৰ প্ৰবেশ গোলাপ বৰুৱাই নিজে দেখা সত্য। তাক মই অস্বীকাৰ কৰিলে পাপ হব। কিন্তু বেশ্যালয়ত মোৰ প্ৰবেশ ৰহস্য আৰু উদ্দেশ্য সমূলি বুজিব নোৱাৰাকৈ বেশ্যাৰ প্ৰতি মোৰ আসক্তি থকাবুলি অপপ্ৰচাৰ কৰাটো কেতিয়াও সত্য হব নোৱাৰে। সত্য নহলেও আজি মই এই অপমানৰ ভাগী হবই লাগিব। কাৰণ এই অপমানৰ পৰা ৰক্ষা পৰাৰ একমাত্ৰ উপায় হৈছে প্ৰত্যেকজন লৰা-ছোৱালীকে মোৰ উদ্দেশ্য সম্পৰ্কে বুজাই দিয়াটো। কিন্তু গোলাপ বৰুৱাৰ দৰে এটা দলক মই কেনেকৈ প্ৰত্যয় জন্মাম ? ক্লাচৰ সকলো লৰা ছোৱালীৰে অন্তৰ মোৰ প্ৰতি এক গভীৰ অৱজ্ঞা, ঘৃণা, বিদ্বেষ আৰু অশ্ৰদ্ধাৰে ভৰি পৰিছে। এতিয়া মোৰ বাকচাতুৰ্য্যৰ নিষ্প্ৰয়োজন।

অৱশেষত এই সমস্যা সমাধানৰ মাত্ৰ এটাইহে উপায় আছিল। সেয়ে হৈছে মই বেশ্যাৰ ওচৰত দি অহা প্ৰতিশ্ৰুতিৰ সত্যতা ৰক্ষা কৰা – সেই কুখ্যাত আন্ধাৰ গলিৰ বহুপিতৃৰ ঔৰসত কোনো এক অনামী পতিতাৰ গৰ্ভত জন্মলাভ কৰা অবৈধ সন্তানটোক মানুহ কৰি তুলিবলৈ দায়িত্ব বহন কৰাটো। সন্তানটোক মানুহ কৰি তুলিমবুলি মই দৃঢ়প্ৰতিজ্ঞ হৈছিলো। পতিতা হলেও সেই পতিতাৰো মাতৃত্ব-স্নেহেৰে অন্তৰ ভৰি আছে। অন্য দহজনী তিৰোতাৰ দৰেই তাইৰো পুত্ৰমুখ দেখিবলৈ এখন অপত্যস্নেহাকুল হৃদয় আছে। জানা মৃদুল; যিখন পতিত হৃদয়েৰে পতিতাই ৰাতিৰ গ্ৰাহকক শুশ্ৰূষা কৰে সেইখন হৃদয়েৰে পতিতাই মোক আহ্বান বা শুশ্ৰূষা কৰা নাছিল। সেই পতিতাৰ জীৱন বুৰঞ্জী এখনি মানৱীয় হৃদয়ৰ পৰা কিমান বঞ্চিতা, লাঞ্ছিতা আৰু উপেক্ষিতা তাক মই অজিহে উপলব্ধি কৰিছো। আন্ধাৰ ৰাতিৰ যিবিলাক আতিথিক পতিতাই দেহদানেৰে শুশ্ৰূষা কৰিব লগা হয় সেইবিলাকেই দিনত অফিচ আদালত, দোকান বজাৰ আৰু স্কুল কলেজত ভৰি থাকে দিনত যিবিলাকে নিজৰ পৰ্দাভৰণা চন্দ্ৰবদনীহঁতৰ লগত ভোগ্যগুঞ্জনৰ তৃপ্তি সাধন কৰে, আৰু ৰাতিৰ আশ্ৰয় লৈ পচাদ্ৰব্য পান আৰু কামৰিপু চৰিতাৰ্থ কৰে পতিতাৰ লগত কোনো কুখ্যাত গলিৰ দুৰ্গন্ধময় আদিম উলঙ্গ বিছনাত পৰি। এইখন নাগৰিক ভদ্ৰসমাজলৈ মোৰ কোনো আশঙ্কা বা আস্থা নাই। অন্ততঃ, যিজন পতিতাৰ প্ৰেম ভিক্ষাৰী ভদ্ৰলোকক মই আন্ধাৰ গলিত লগ পাইছিলো, যিজন ছাত্ৰই পঞ্চাশ

কাইল কলেজ

টকাৰ ক্ষমতাৰে মোক বিদ্ৰূপ কৰি নিজৰ বিৰূপটো ঢাকি ৰখাৰ প্ৰচেষ্টা চলাইছে আৰু যিখন ছাত্ৰ-ছাত্ৰীৰ সমাজে মোক হীন চৰিত্ৰৰ কুৰূচবুলি ঘৃণাত নাক কোচাইছে সেই সকলোকে মোৰ অন্তৰাত্মাত লুকাই থকা মানুহটোক দেখুৱাব খুজিছিলো। প্ৰকৃত মানৱপ্ৰেমৰ চাঁতয়ে পতিতাযো প্ৰাণত অপৰিসীম তৃপ্তি লভিব পাৰে তাকেই মই সকলোৰে আগত প্ৰমান কৰি মোৰ এই অপমানৰ প্ৰতিশোধ লমবুলি আজি দুদিনৰ আগতে পুনৰ সেই আন্ধাৰ গলিলৈ সোমাই গৈছিলো। মই আচৰিত হৈছিলো— কোঁঠালিটোত সিদিনা কোনো নাছিল। শূন্য কোঁঠালিটোত মাত্ৰ উদং খাটতখন আৰু পুৰণা চকিখন পৰি আছে। কোঠালিটোৰ প্ৰতিটো কোণ মই তন্ন তন্নকৈ লক্ষ্য কৰিলো। নিৰুপায! পতিতাৰ অন্তৰ্দ্ধান অজ্ঞাত। মই হতাশ হৈ পৰিছিলো। ঘূৰি আহিছিলো— এখন মলিযন পুৰণা কাগজ বুটলি লৈ। লিখা আছিল— "তুমি এই নৰকলৈ ঘূৰি নাহিবা ৰূপক। মোক অলপ জিৱণি লবলৈ দিয়া—। তোমাৰ পতিতা পদুমী।" মোৰ সমস্ত দেহ এক প্ৰবল উত্তেজনাত কঁপি উঠিছিল। পদুমীক মই কেতিয়াবাই হেৰুৱালো বন্ধু? ডিব্ৰুগড়ৰ আন্ধাৰ গলিত মই এইয়া মৃত পদুমীৰ প্ৰেতাত্মা দেখি বিভ্ৰম হৈ পৰিছিলো।

... ... ... ...

মটৰ কাৰখানাত কাম এটা যোগাৰ কৰাৰ লগে লগে দেউতা উত্তৰ লক্ষীমপুৰলৈ গুচি গৈছিল। উকীল ডাঙৰীয়া যাদৱ বৰুৱাৰ ঘৰত পাঁচ বছৰদিন লগুৱা খাটি খাটি দেউতাই গোটেই ঘৰখন আপোন কৰি তুলিছিল। পাঁচ বছৰৰ মূৰত উকীলৰ ঘৰ আৰু নিজৰ জন্মভূমি যোৰহাট নগৰখন এৰি আহিব লগাত দেউতাৰ অন্তৰে গোপনে কান্দিছিল। মই কান্দিছিলো পদুমীক সদায়েই উকীলৰ ঘৰত চাকৰণীভাৱে এৰি আহিব লগা হোৱাত। পদুমীয়েও উচুপিছিল। মোৰ হাতত এখন ফুলাম ৰুমাল গুজি দি তাই কৈছিল— "ৰূপকদা; তুমি মানুহ হৈ যাবা। মোৰ উদ্ধাৰৰ উপায় নাই। নাপাহৰিবা কিন্তু...... ! চকুলোৰ ভাৰ বৈ দুয়ো দুকালে আঁতৰি পৰিছিলো। দুটা বছৰ পাৰ হৈ গৈছিল। পদুমীৰ খবৰ মাজে সময়ে পাইছিলো। মোৰ মেট্ৰিক পৰীক্ষাৰ খবৰ পাই পদুমীয়ে লিখিছিল— "Congratulation. তুমি মানুহ হবাই!" এদিন শুনিছিলো কোনোবা কামাতুৰৰ অবৈধ প্ৰণয়ৰ পৰিণতিত গাভৰু চাকৰণী পদুমী অন্তঃসত্বা। মই ভাগৰি পৰিৰিলো। পদুমীয়ে আত্মহত্যা কৰা বাতৰিটোৰ কাৰণে মই উদ্ধাউল হৈ পৰিছিলো। কিন্তু সেই বাতৰি নাহিল। শুনিছিলো—উকীল ডাঙৰীয়াৰ মান-মৰ্যাদা বংশ গৌৰৱ ৰক্ষা কৰিবৰ কাৰণে পদুমী নিৰুদ্দেশ হৈ গৈছিল। মই কিছু সকাহ পাইছিলো। এখন কুৰি শতিকাৰ সভ্য সমাজৰ পৰা পদুমী জীয়াই জীয়াই শেষ হৈ গৈছিল। উকীল ডাঙৰীয়াৰ ভদ্ৰসমাজে চশমাৰ ফাকেৰে সমাজখনৰ ওপৰত ব্যঙ্গচিত্ৰ অঙ্কণ কৰিছিল আৰু এইখন সমাজৰ ওপৰত যদি প্ৰতিশোধ লবলৈ মই পদুমীক আজি মোৰ কাষত আশ্ৰয় দিব পাৰিলোহেঁতেন তেতিয়াওতো মই এখন সমাজৰ এই গঞ্জনাৰ পৰা অব্যাহতি নেপালো-

হেঁতেন। পদুমীৰ উদ্ধাৰ কোনদিনা হব বন্ধু ?

ইতি—

—ৰূপক—

মোৰ চকুৰ পতাদুটা অলসভাৱে নামি আহিছিল। ৰূপকৰ সেই গভীৰ করুণ হাঁহিৰ ৰহস্য যেন মই উপলব্ধি কৰিব পাৰিলো। সেই হাঁহিটোৱে কেৱল মোকেই উপহাস কৰা নাই, গোটেই ভদ্র সমাজখনকে বিদ্রূপ কৰিছে। আৰু ৰূপকে সেই দীঘল দীঘল গহীন খোজ কেইটাযেন এখন সমাজৰ বুকুৰ ওপৰতহে পেলাই গৈছে। ৰূপকক মই কেৱল মেধাবী ছাত্ৰহিচাবেহে বুজিবলৈ চেষ্টা কৰিছিলো, কিন্তু এখন সমাজৰ ওপৰত এনে নিৰ্ভীকভাৱে প্ৰতিশোধ লব খোজা এই দুঃসাহসিক ছাত্ৰজনৰ অন্তৰদন্দৰ সন্ধান হয়তো ক্লাচৰ কোনো প্ৰফেচাৰ আৰু লৰা-ছোৱালীয়েও বুজি নেপালেহেতেন।

যমুনালৈ অতি ব্যগ্ৰভাৱে ঘূৰি চাই দেখিছিলো খিৰিকিৰ পৰ্দাৰ ফাকেৰে তাই আকাশৰ জোনটোলৈ একেৰাহে চাই আছে। মোৰ ভয় হৈছিল যমুনালৈ। সুধিছিলো – "কালিলৈ জেনেৰেল ক্লাচ দহটাত আছে নহয় ?"

"কিয় ? ৰূপকক ক্ষমা খুজিবা ? সেই পৰ্ব্ব তোমাৰহে।" গহীন অথচ বিদ্রূপৰ সুৰত কৈছিল যমুনাই। মই এক দুৰ্ব্বোধ্য আকৰ্ষণত আকৰ্ষিত হৈ পৰিছিলো।

— ০::০ —

"বাস্তৱতে, উচ্চ ভাৱৰ ভাবুক আৰু ওখ দৰৰ কাৰ্য্যকাৰক সকলেই পৃথিৱীৰ বুৰঞ্জীবো ঘাই ভেঁটি সেইসকলৰ মহান ভাৱ আৰু কাৰ্য্যৰ চিন্ আঁকিবৰ কাৰণেই বুৰঞ্জীৰ প্ৰথম সৃষ্টি হয় বুলি কব পাৰি।

— পদ্মনাথ গোহাঁঞি বৰুৱা

# এটি ক্ষণিকৰ দূৰ্ব্বলতা

গোটেই দিনটো চিন্তা কৰি কৰি মই এটা সিদ্ধান্ততেই উপনিত হৈছিলো যে — মই বিয়া সোনকালেই সোমাম, তেহেলৈ লাগিলে যিনহওক ।...... কিন্তু...... মা'ৰ............ ।

আজি ৰাতিপুৱাৰ অলপ পাচৰ পৰাই মোৰ মনৰ অৱস্থা বেয়া । আগডোখৰ ভালেই আছিলো । চাহখোৱাৰ সময়লৈকে ; ছোৱালী-বোৰৰ লগত বহি একেলগেই ডাইনিং ৰুমত চাহ খাইছিলো । চাহখোৱাৰ অলপ পাচতেই মই একেবাৰে বদলি হৈ গ'লো । কি হৈ গল জানো মোৰ !

অন্যদিনাৰ দৰে ছোৱালীবোৰৰ লগত একেলগেই চাহ খাবলৈ গলো । গতানুগতিক ভাবেই বহিলো, অন্যদিনাৰ দৰে দুই-এজনীৰ লগত ধেমালিও কৰিলো, কিন্তু, বন্তি, ৰাণী, ৰুমিহঁতৰ এবাৰ কথাই মোক আৰু বিব্ৰত কৰি দিলে । মই গুচি আহিলো প্ৰায় দৌৰাৰ দৰে । অন্য দিনাৰ দৰে ছোৱালীবোৰৰ আগত গহীন হোৱাৰ কথা পাহৰি গলো, দুই-এজনীয়ে বোধ-মোলৈ থৰ হৈ চাই ৰল— । বন্তিয়ে বোধ-হয় ভয়েই পালে । মই অহাৰ অলপ পাছতেই মোৰ অনুপস্থিতিৰ সুবিধা পাই সিহঁতৰ হাঁহি খিকিন্দালি আৰম্ভ হল । পোনে পোনে দৌৰি আহি মোৰ ৰুমৰ দুৱাৰ খন বন্ধ কৰি শুই, উঠি সোতমোচ হৈ থকা বিচনা খনত বাগৰি পৰিলো । মোৰ বুকুখন ধপধপাই উঠিল । মই যেন এটা বিৰাট ভুলৰ সমষ্টি । পৃথিবীত যেন মোৰ নিচিনা নিজকে প্ৰবঞ্চনা কৰা লোক নাই । মই যেন কিবা এটাৰ প্ৰতি একে বাবে অনা-সক্ত—যিটো আজি মোৰ কাৰণে অতি প্ৰয়োজন, বৰ দৰকাৰ । মোৰ কাণত মাত্ৰ এই কেই-ষাৰ কথাই বাজি ৰল— "উনৈশ বছৰ মান হল আৰু বিয়া নিদিব কিয় ? — মাইকীৰ কুৰিতে বুঢ়ী আৰু !— স্নেৰ' দৰা পালে ঘৰতে বুঢ়ী কৰি থব নেকি । দৰা নেপালেহে সুকীয়া কথা । তাৰ উপৰি চৰিত্ৰও ভাল দেখোন তাইৰ" ইত্যাদি । অন্য দিনা হোৱা হলে একো কথাই নাই । মইও লগতে দুই এটা কথাকৈ চুপতি কৰিলোঁ হেতেন । কিন্তু আজি দেখোন মোৰ পক্ষে কথা কোৱা বাদেই তাত থকাটোৱেই টান হল ।

...... চাহ খাই শেষ হওঁতে নৌহওঁতেই

বন্তিয়ে কথাষাৰ উলিয়ালে। মোক সম্বোধন কৰিয়েই তাই কলে—"বাইদেউ আজি আমাক ৰীতাৰ বিয়ালৈ যাবলৈ অনুমতি লাগে!" মই কলো— "ৰীতা!— 'অ' কি ৰীতাৰ বিয়াৰ দিন আজিয়েই নেকি? মোকো মাতিছে; বাৰু একেলগে যাম। পিছে ৰীতাৰ জানো বিয়া দিবৰ হৈছে?" তাৰ পাছতেই বন্তি, ৰাণী কমি হঁতৰ উক্তি থিনি।

বিচনাত পৰি পৰি মোৰ চকুপানী ওলাই আহিল। মই কান্দি দিলো, পাছত হুক-হুকাই। কিন্তু মোক যে নিচুকাওঁতা মানুহ নাই। কিছু পৰৰ পাছত নিজে নিজেই কান্দোন বন্ধ হৈ আহিল। গাৰুটোক সাবটি ধৰি ওপৰলৈ মুখকৰি শুই পৰিলো। মনত পৰিল একুৰি ছবছৰীয়া কেঁচা জীৱনৰ সঁচা সঁচা জীয়া কাহিনী বোৰলৈ। মনত পৰিলে দেউতালৈ, মইও কলেজত পঢ়িছিলো। ধুনীয়া ধুনীয়া লৰা বোৰক আপোন কৰি পাবলৈ মইও কামনা কৰিছিলো। মইও ভাল পাইছিলো মোৰ জীৱনটোক। ময়ো নানা সুন্দৰ সুন্দৰ সপোন দেখিছিলো। কিন্তু মই যে কাকো ভাল পাবলৈ নিশিকিলো। দেউতাই মোক ডাঙৰ কিবা এটা কৰাৰ চিন্তা কৰিছিল—। কাৰণ মইয়ে ঘৰ খনৰ সকলোতকৈ ডাঙৰ। ৰাতুল, মৃদুল জিষ্ণু মোতকৈ বহুত সৰু। দেউতা আছিল সাধাৰণ শ্ৰেণীৰ এজন কেৰেণী। তেওঁৰ সেই সৰু আয়ৰ দ্বাৰাই মোক এম. এ লৈকে পঢ়াই-ছিল বৰ কষ্টেৰে। কিন্তু দেউতাই সেই সুখ নেদেখিলে। মোৰ এম্ এ পৰীক্ষাৰ ৰিজাল্ট ওলোৱাৰ আগতেই তেওঁ এই সংসাৰ ত্যাগ কৰিলে। তেওঁৰ কল্পনা বাস্তৱত তেওঁ ৰূপ দিব নোৱাৰিলে।...... মোৰ কাৰণে হেনো তেওঁ তলে তলে দৰাও বিচাৰিছিল। কিন্তু...

দেউতা ঢুকুৱাৰ পাছতেই ঘৰখনলৈ এটা পৰিৱৰ্ত্তন আহিল। অভাবৰ সংসাৰ এখন এৰি থৈ যোৱাৰ বাহিৰে তেওঁ আমালৈ একোৱেই থৈ যোৱা নাছিল— সচৰাচৰ মধ্যবিত্ত কেৰেণী পৰিয়াল বোৰৰ নিচিনাকৈ। কিন্তু ঈশ্বৰৰ ইচ্ছা মই সুখ্যাতিৰে এম. এ পাছ কৰিলো আৰু মই চেপাখোৱা কলেজত অধ্যাপনা কামত যোগ দিলো: মই অধ্যাপিকা হলো। ছোৱালী আৰু লৰা বোৰে মোক 'বাইদেউ' বুলি মাতিবলৈ ধৰিলে। লাহে লাহে ছোৱালী বোৰৰ মাজত মই ভালকৈ খোপনি পুতি ললো। মোক ছোৱালী হোষ্টেলৰ চুপাৰিনটেণ্ডেন্ট পাতি দিলে। মোৰ উপাৰ্জ্জন ভালেই হবলৈ ধৰিলে। ডাঙৰ ভাই ৰাতুলে গুৱাহাটীৰ কলেজ এখনত প্ৰি-ইউনিভাৰচিটি পঢ়ে। বাকী কেইটা গুৱাহাটীতেই হাইস্কুলত। সিহঁত আটাই কেইটা মাৰ লগতেই থাকে। দৰমহাৰ দুই তৃতীয়াংশ মই সিহঁতলৈ পঠাওঁ অথচ জোৰা নমৰে। পুনৰ চিঠি আহে। ধাৰ ঋণ কৰি আকৌ পঠাওঁ। মোৰ মাত্ৰ একেটাই উদ্দেশ্য— যে ৰাতুল মৃদুল হঁতক মানুহ কৰা। মায়ে দুই এবাৰ মোৰ বিয়াৰ কথা উল্লেখ কৰি চিঠি দিছিল। কিন্তু মই সেইবোৰ কথা লিখিবলৈ মানা কৰি দিলো। তেওঁ আৰু নিলিখা হল। কাৰণ মায়েও বুজে মোৰ অবিহনে ঘৰ নচলে, মোক বিয়া দিয়া মানে চাৰিটা প্ৰাণীৰ জীৱনত বিকল সৃষ্টি হোৱা

ইত্যাদি ইত্যাদি ।

মাহঁতৰ ওপৰতে মোৰ খং উঠি গল । সিহঁত স্বাৰ্থপৰ । সিহঁতে নিজে বাচি থাকিবৰ কাৰণে, নিজৰ স্বাৰ্থৰ কাৰণে মোৰ যৌৱনটোক তিলতিলকৈ হত্যা কৰিছে । মোৰ জীৱনৰ ভৰা সুঁতি টোক চেৰা সুঁতি সৃষ্টি কৰিছে । ভাবি ভাবি মই বিচনাৰ পৰা উঠি পৰিলো । আৰু খিৰিকি খনৰ কাষলৈ গলো, মেলখাই থকা খিৰিকি খনেদি দূৰলৈ চাই পঠিয়ালো । কৰ-ধাত যেন মেঘ বোৰে মাটি চুইছে । ৰ'দ অকণ অকণ ওলাই আকৌ নাইকীয়া হয় । খিৰিকিৰ ৰদ ( Rod ) দুডালত জোৰেৰে দুই হাতেৰে চেপি ধৰিলো । নিয়ৰ অলপ অলপ হাতত লাগিল । ঠাণ্ডা ঠাণ্ডা অনুভৱ কৰিলো । খিৰিকিখনৰ পোনে পোনে ফুলনি ডৰা । জাৰ কালিৰ ফুল দুই এপাহ ফুলিছে । দুই এজনী ছোৱালীয়ে ফুলনিত এপাক দুপাক সদায় ৰাতি-পুৱা মৰাৰ দৰেই ইফালে সিফালে অহাযোৱা কৰি আছে । সিহঁতে মোৰ ফাললৈ চোৱা নাই । সিহঁত নিজতেই ব্যস্ত । কলেজ গেটেদি লৰা কইটামান কলেজত সোমোৱা দেখিলো হাতত দিচেক্টিং বক্স লৈ । বোধহয় সিহঁত প্ৰেক্টিকেল ক্লাচ কৰিবলৈ আহিছে । কিন্তু মই আজি সকলোতে এটা কথা লক্ষ্য কৰিছো যে সকলো নিজক নিজক লৈয়েই ব্যস্ত । আনৰ কথা ভাবিবলৈ যেন কাৰো অৱকাশ নাই । পৃথিবীখনেই যেন স্বাৰ্থপৰ । অ' আজি··· ভিজিটিং ( Visiting date ) ডেট্ নহয় আগ বেলা । Visiting Roomৰ ফালে চাই দেখো মানুহ বহুত হৈ আছে । তাৰ ভিত-ৰত সৰহ ভাগেই ডেকা. ঠাণ্ডাত কোট পেণ্ট লগোৱা । মনত মোৰ ভাৱ হল সিহঁত প্ৰতিটোৱেই যেন প্ৰেমিক । সিহঁতে যেন প্ৰেয়সী বোৰকেহে লগ কৰিবলৈ আহিছে । তাৰ পাছত দেখিলো এজাক ছোৱালী ওলাই গৈছে হাঁহি হাঁহি Visiting Roomৰ ফালে । তাহাঁতৰ মনত প্ৰবল অফুৰন্ত হেপাহ আৰু আনন্দ । প্ৰতি জনীয়েই যেন মই নেপোৱা কিবা এটা পাইছে । মোৰ কলেজ কৰ্তৃ পক্ষৰ ওপৰতেই খং উঠি গল ইমান কম বয়সীয়া ছেৱালীবোৰক Admission দিয়াৰ কাৰণে । সিহঁতৰ প্ৰতি মনতেই ইৰ্ষা লাগি গল । এতি-য়াই যেন Order এটা Pass কৰি দিম আজি কোনেও কাকো লগ কৰিব নোৱাৰে । নাই মই এইবোৰ কি ভাবিছো. মই জানো সিহঁতৰ মৰমৰ ইকনমিক্সৰ পুৰবী বাইদেউ নহয় তাহাঁত মোৰ ছাত্ৰী— সিহঁতৰ মই অধ্যাপিকা । মই মনত তেনে ভাব পোষণ কৰা অন্যায় । কিন্তু নোৱাৰো দেখোন, আজি চোন ময়ো সিহঁতৰ নিচিনা হবলৈ মন গৈছে । মোৰো যি-কোনো ডেকাৰলগত প্ৰাণ খুলি হাঁহি মাতি কথা পাতিবলৈ মন গৈছে । পুনৰ বিচনাত পৰিলোগৈ । চিন্তা বেছি হৈহে আহিল । কিন্তু ঘৰিটোৱে দেখোন আজান দিলেই । নটা বাজিলেই । কলেজলৈ যাবৰ সময়েই হল । কাপোৰ কানি পিন্ধি যাবলৈ সাজু হলো । কিন্তু আজি সকলো মোৰ অস্বাভাবিক অস্বা-ভাবিক লাগিল । মই যেন ভুৱা ভাও দিছো । কিন্তু কলেজলৈ নগলেও যে নহয় । কাৰো ফালে নোচোৱাকৈ কলেজলৈ কোবা কোবিকৈ গলোগৈ ! কমন ৰুমত সোমালো । কেই-

বাজনো অধ্যাপক অধাপিকা আছিছে। তেওঁলোক সকলোৱেই বিবাহিত। অসমীয়া বিভাগৰ অধ্যাপিকা লীনা দাসে তেওঁৰ ঘৰখনৰ কথা কৈয়েই অন্ত নাই। গিৰিয়েক, লৰা-ছোৱালী বোৰক লৈয়েই ব্যস্ত। সক লৰাটোৱে আহিবৰ সময়ত তেওঁক কেনেকৈ বিদায় দিলে, কেনেকৈ কথা কলে, সি কিমান দুষ্ট এইবোৰ কোৱাতেই লীনা দাস ব্যস্ত। ক্লাচলৈ যাবলৈ ওঁৱাৰ্নিং পৰিলেই তথাপিও কথাৰ যেন অন্তই নাই। মই আৰু তাত কথা শুনি থাকিবলৈ ধৈৰ্য্য ধৰি থাকিব নোৱাৰিলো। ক্লাচলৈ ওলাই গলো। মনে মনে ভাবিলো লীনা দাস যে বয়সত মোতকৈ বেছি ডাঙৰ নহয়। লীনা দাসৰ বিয়া হৈ গল ; স্বামী পালে, সন্তান পালে আৰু পালে বহুত কিবা কিবি। কিন্তু মই— মই যে এইবোৰ একো পোৱা নাই ! মোৰযে একো নাই ! মোৰ জানো স্বামী আৰু সন্তান পাবৰ যোগ্যতা নাই ? তেনেহলে মই ইমান নিষ্ঠুৰ কিয় ? লীনা দাসলৈ ঈৰ্ষা লাগি গল।

ক্লাচতো মন নবহিল। কিবাকিবি খন বকিলো, বুজা ছাত্ৰ বোৰে অলপ অলপ হাঁহিলে। সিহঁতে হয়তো ভাবিছে বাইদেৱে আজি Preparation কৰি নাহিলে ! কিন্তু পাছফালৰ বেঞ্চত বহা খিনিৰ একো খবৰেই নাই। তেওঁলোক ব্যস্ত মাত্ৰ সমুখৰ ছোৱালী বোৰৰ বেঞ্চলৈ চোৱাত। হয়তো এটি হাঁহি আৰু এটি চকুৰ পিৰিকনিৰ আশাত। সিহঁত যে ডেকা লৰা এইটো তাৰেই এটা প্ৰমান। ক্লাচত আৰু বেছি পৰ বব নোৱাৰিলো। কলো — 'Excuse me to day, donot wish to continue your class any longer ধীৰ পদ ক্ষেপেৰে ওলাই আহিলো। তাৰ পাছত স্পষ্ট কেইটামান ধ্বনি মোৰ কাণত পৰিলহি,— "হেৰ' বাইদেৱে কেলেই ক্লাচ নললে জান ? আৰে দোস্ত ! বাইদেউতো গাভৰু ছোৱালীহে।" বোধহয় এইবোৰ কথা ছোৱালীবোৰকে শুনাইছে। ...... আৰু মই শুনিব নোৱাৰিলো, কাণ দুখন জোৰেৰে হেঁচি ধৰিলো। কি পাপৰ ফলত আজি মোৰ এইবোৰ হৈছে।

কমন ৰুমত নবহিলো। ক্লাচ নকৰো আৰু। কাকো নোকোৱাকৈ হোষ্টেলৰ ফালে গলোগৈ। এইখন কলেজত কাৰোবাক কৈ যোৱাৰ প্ৰয়োজন বোধ নকৰো। 'কাৰণ'... । হোষ্টেল পায়েই কাপোৰ কানি বোৰ নোখোলাকৈয়ে বিচনাত পৰিলো। ভাত খোৱাৰ কথা মনতেই নাহিল। মোক নানা চিন্তাই জুমুৰি দি ধৰিলেহি। বহুত মানুহৰ ছবি মোৰ চকুৰ পতাত ভাহি উঠিলেহি। মনত পৰিল জয়ন্ত বৰুৱাৰ ছবিখন। বেচেৰাই মোৰ কাৰণে বহুত আশা কৰিছিল। সি মোক কেইবাদিনো কেন্টিনত চাহ খাবলৈ লগ ধৰিছিল। কিন্তু মই স্পষ্ট ভাবে তাক প্ৰত্যাখ্যান কৰিছিলো। সি পাছত তাৰ লগৰ লৰা বোৰৰ লগত মোক কাট্ মাৰিছিল— 'বৰ সতী-সাধবী নেদেখিছা। বৰ Exceptional। মানুহক মানুহ যেন নেদেখে। হেজাৰ হলেও তিৰী পুৰুষৰ বশ। নিশ্চয় এদিন প্ৰতিফল পাব।" মই গৰম হৈছিলো খঙত। স্পষ্ট ভাবে কৈছিলো 'Non sense, idiot লাজ নালাগে ছোৱালীক কাট্ মাৰিবলৈ।" বেচেৰা ৰঙা চঙা

পৰি ল'ৰা বোৰৰ লগত আঁতৰি গৈছিল। আৰু ছোৱালী বোৰে গিৰ্জনি পাৰি হাঁহিছিল। মইও লাজ পাইছিলো। নাই—আজি মই অনুতপ্ত, মই ভুল কৰিলো - মই জয়ন্ত বৰুৱাক প্ৰত্যাখ্যান কৰি মহা ভুল কৰিলো। সি এতিয়া নগাওঁ কৰ্টৰ 1st Class E. A. C. অলপতে বিয়া হৈ গৈছে। মোৰ চিঞৰি চিঞৰি কান্দি দিবৰ মন গল—জয়ন্ত বৰুৱাই কোৱাৰ দৰেই মই সতী সাধ্বী হৈ থাকিলে নচলে। মই যৌৱন প্ৰাপ্ত গাভৰু। মই—ময়ো মতা মানুহৰ বশ।

ময়ে পঢ়োৱা ছোৱালী ৰীতা। তাইৰ আজি বিয়া। আজিৰ পৰা পাব তাই নতুন সংসাৰ যাত্ৰাৰ এক অভিনৱ আনন্দ। তাই মোৰ ছাত্ৰী হৈ সিমান খিনি তাই উপযুক্ত। আৰু মই—ৰীতাৰ বাইদেউ হৈ সংসাৰত ৰীতাতকৈ অসুখী। চকীদাৰণী জনীয়ে মোক ভাত খাবলৈ জাননী দিলে। মই অসুখৰ অজুহাত দেখুৱাই ভাত নেখাওঁ বুলি কলো। বেচেৰী বুঢ়ী চকিদাৰণীজনী গুচি গলগৈ। তেতিয়া তলৰ ছোৱালী বোৰে হাঁহি খিকিন্দালিত ব্যস্ত, বোধহয় ক্লাচ অফ আছে। মই দুৱাৰখনৰ হুকটো মাৰি শুবলৈ বুলি লেপ খন টানি ললো। আকৌ দেখোন কোনোবাই দুৱাৰখন ঢকিয়াইছেহি। ভীষণ খং উঠি গল। কিহৰ ধেমালি। সকলোৱে মোক আজি ইতিকিং কৰাতেই ব্যস্ত নেকি? জোৰেৰে দুৱাৰখন খুলি দিলো। দেখো যে হোষ্টেলৰ মনিটৰ মনিমালা বৰুৱা। অহাৰ কাৰণ সোধাত বিয়ালৈ যোৱাৰ কথা কলে। ভদ্ৰতাৰ খাতিৰত মোকো ওলাবলৈ তেওঁ অনুৰোধ কৰিলে। মোৰ অন জুইত ঘিঁউ ঢলাৰ দৰে ভমক্ কৰে খংটো উ গল, কিন্তু নিজকে চম্ভালি কলো— "মো গা অসুখ মই যাব নোৱাৰো। তোমালো যোৱা।" তাই বিশেষ আপত্তি নদৰ্শালে বোধহয় ভালেই পালে। মই গলে সিহঁত বহুত অসুবিধাহে। তাই গলগৈ, মই তা যোৱাৰ ফালে চাই থাকিলো। ধুনীয়া ছোৱাল মণিমালা বৰুৱা Love ও কৰিছে, কাৰ এবাৰ চিঠি এখন ধৰা পেলাই তাইক ম শিক্ষয়িত্ৰীৰ দায়িত্বত বহুত কিবা কিবি কৈছোও কিন্তু মণিমালাই জানো ভুল কৰিছে সে তাই ভুল কৰা নাই। তাই ঠিকেই কৰিছে তাই এজনী ছোৱালীয়ে যি বিচাৰিব লা তাতকৈ একো বেছি বিচৰা নাই। তাই খট খটি য়েদি তললৈ নামি গ'ল। আৰু মই সেইফাল চাই নিৰ্ব্বাক হৈ থাকিলো।

……প্ৰায়বোৰ ছোৱালী বিয়ালৈ গ'লৈ বঙালী ছোৱালী কেইজনীৰ বাহিৰে। মই ভালো পালো, গোটেই দিনটো বিচনাত পৰি প মই একেটা কথাই চিন্তা কৰি আছো; সে চিন্তা আজি মোৰ ঘৰখনৰ কাৰণে নহ কলেজৰ কাৰণে নহয়, হোষ্টেলৰ কাৰণে নহয় ই পুৰামাত্ৰাই মোৰ নিজৰ কাৰণে। মই আজি একেবাৰে ব্যক্তি কেন্দ্ৰিক। মোক বা দি মই কোনো কথাই ভাবিব নোৱাৰো আজি মই--আই-বোপাই, ককাই-ভাই, ছাত্ৰ-ছাত্ৰী সমাজ আদিৰ পৰা যি পাইছো— সি এবে নহয়—সি মাত্ৰ স্বাৰ্থ। মোৰ ঘৰখন, কলেজ খন, হোষ্টেলটো লৈয়েই মই সদায় ব্যস্ত থাকি

নোৱাৰা, মোৰো এটা ভৱিষ্যত আছে। মোৰ আশা আছে বহুত কিবা কিবি আছে। মোৰ মাত্র এটা কথা—মই সোনকালেই বিয়া সোমাম। ময়ো সুখী হম। মোক কোনেও ইতিকিং, ঠাট্টা বিদ্রূপ কৰিব নোৱাৰা হম। তাৰোপৰি মই পাম গাৰ্হস্থ্য জীৱনৰ সুখ— নোপোৱা পোৱাৰ আনন্দ। নিজে নিজেই সান্ত্বনা লভিম।

বুঢ়ী চকীদাৰণীজনী আকৌ আহিল। হাতত এখন চিঠি। মোক তাই চিঠিখন দি নিঃশব্দে ওলাই গ'ল। মই খামটো ফালি চিঠিখন উলিয়ালো। লিখিছে মায়ে, —

শ্রীহৰি

কল্যাণীয়া পুৰবী,

আশীৰ্ব্বাদ লবা। বৰ্ত্তমান আমাৰ দিনান ভাল নহয়। কাৰণ গুৱাহাটীত চাউল ডাইল পাবলৈ বৰ টান। বস্তুৰ যিহে জুই- চাই দাম। তাৰোপৰি টকাও নাই। মাহত তুবাৰ পঠোৱা টকায়েও নুজুৰিলে। কাৰণ ইহঁত আটাইবোৰৰে পৰীক্ষা। চিঠি পোৱা মাত্রে টকা ১০০৲ (এশ) T. M. O. কৰিবা। নহ'লে আমাৰ বৰ বিপদ হব।

তোমাৰ গুণ ৰাতুলহঁতে নিশ্চয় এদিন সুৰঁৰিব। তুমি মোৰ নিজৰ সন্তান যদিও মই কবলৈ বাধ্য যে তুমি বৰ মহান। তুমি সকলো বাদ দি ভায়েৰহঁতৰ প্রতি যি ত্যাগ কৰিছা তাক কোনেও পাহৰিব নোৱাৰে। বিশেষ নাই। পুনৰ মৰম আৰু আশীৰ্ব্বাদেৰে—

ইতি—

'মাৰা'

—এইয়া অৰ্দ্ধশিক্ষিতা মাৰ লিখনি। এই লিখনিয়ে যে মোক আকৌ দিক্‌ভ্ৰষ্ট কৰি দিলে। মই কি কৰিম! নাই মই মোৰ নিজৰ কাৰণে, চাৰিটা প্ৰাণীৰ— যি মোৰ তেজ মঙ্গহৰ লগত সম্বন্ধ— সিহঁতৰ প্রতি মই অবিচাৰ কৰিব নোৱাৰো। মই— মই বিয়া নোসোমাওঁ।

তেতিয়া চাৰেপাঁচ বাজিবৰ হৈছিল। লাইটটো বুঢ়ীজনীয়ে জ্বলাই দিলত ৰুমটো পোহৰ হৈ পৰিল। তলত দেখিলো প্রতি ৰুমরে লাইটবোৰ জ্বলি উঠিছে। বোধহয় ছোৱালীবোৰ বিয়াৰ পৰা আহিল। মনটো পাতল পাতল লাগি গ'ল।

— ০ —

শ্ৰীমুকুট সিংহ ফুকন
স্নাতক মহলা ( বিজ্ঞান শাখা )

# –⋆ শেহ ৰাতিৰ চকুলো ⋆–

—কাপোৰখন বুকুলৈ টানি এক দীঘল নিশ্বাস পেলাই তাই শুবলৈ চেষ্টা কৰে। নাই নোৱাৰে-- তাইৰ চকুৰ তন্দ্ৰা আজি আঁতৰি গৈছে। অতীতৰ কলেজীয়া ৰোমন্থন দিনবোৰ আজি আৰু তাইৰ বাবে বৈ থকা নাই — ভাবি ভাবি তাইৰ মনটো কিবা এক অজানিত আসক্তিৱে আৱৰি ধৰিলে। ৰাতিৰ আন্ধাৰতকৈ তাই আৰু আন্ধাৰ দেখিবলৈ ধৰিলে।

দূৰৈৰ কাকলিজান বাগিছাৰ ঘণ্টাত টং টং কৈ নিশা দুই বজাৰ সঙ্কেতধ্বনি তেতিয়া ভাঁহি আহিছে। আৰু অলপ পিছতেই গোটেই পৃথিৱীখন নিজান নিস্তব্ধতাৰ পৰা সাৰ পাব। তুই এটা চৰাইয়ে ৰাতিপুৱাৰ আগমনত উত্তাৰল হৈ কুৰুলি পাৰিছে।

নাম তাইৰ মালবিকা। সঁচাকৈয়ে মালবিকা অতীৱ ধুনীয়া আৰু কলেজৰ ছোৱালী-জাকৰ মাজত আকৰ্ষণীয়া ছোৱালী আছিল। যেতিয়া কলেজৰ অফ্ পিৰিয়দ বিলাকত তাই কলেজ কেণ্টিনত চাহ খাবলৈ যায় তেতিয়া লৰাবোৰে মালবিকাৰ ৰূপ সৌন্দৰ্য্যৰ প্ৰতি দৃষ্টিপাত নকৰাকৈ নেথাকে। চঞ্চল জীৱনৰ উত্তাল তৰঙ্গমালাৰ প্লাৱিত সোঁতে দি যায় লৰাই ছোৱালীৰ, ছোৱালীয়ে লৰাৰ প্ৰতি উন্মাদ পৰিবেশ। জাকে জাকে লৰা, জাকে জাকে ছোৱালী ঘূৰি ফুৰে কলেজৰ চাৰিবেৰৰ মাজত। সিহঁতৰ আশা, সিহঁতৰ ভৱিষ্যত কেৱল কলেজৰ চাৰিবেৰৰ মাজতে আবদ্ধ নহয়। সময়ৰ সোঁতে সিহঁতৰ জীৱনৰ কথা হয়তো এদিন সলাই দিব।

❋ ❋ ❋

--কলেজ হোষ্টেলৰ সন্মুখত এড়বা ঘাঁহনিৰে আবৃত এখন আহলাহল পথাৰ। আবেলি তাত প্ৰায় ছোৱালীবোৰে বেডমিণ্টন আদি নানা খেল খেলে। যিবিলাকে খেলত যোগ নিদিয়ে সিহঁতে এনেয়ে বাৰিদত ফুৰেহি।— জীৱনৰ মধুময় দিনবিলাক এইদৰে পাৰ কৰি দিয়ে এদিন ছুদিনকৈ। বছৰে বাগৰ সলোৱাৰ লগে লগে কত নতুন ছোৱালী আহে যায় তাৰ লেখ কোনে ৰাখে। হোষ্টেলৰ পৰিবেশ বছৰি বদলি হয়। তথাপি ভাল লাগে হোষ্টেলৰ লাইফ্। প্ৰাণ উচ্ছ্বাসভৰা হেপাহেঁৰে সকলোৱে নিজৰ অধ্যয়নত লাগি যায় ভৱিষ্যতৰ বাবে— হিয়াভৰা ৰঙীণ আশা-সপোন আৰু কল্পনা—যেন অনাগত ভৱিষ্যতে। নোপোৱালৈকে সিহঁতৰ মাজত শান্তি নাই, আজৰি নাই। সেইটোৱেই সিহঁতৰ পাথেয়— ।

ক্লাচত প্ৰফেচাৰৰ লেকচাৰ। একান্ত াধ্য ৰূপে সিহঁতে ক্লাচ কৰে নতুনক জনাৰ, বুজাক বুজাৰ চেষ্টা কৰি। এক অদম্য হেঁপাহ ল সিহঁতে দিনৌ ক্লাচলৈ আহে-যায়। মাজে াজে অৰণ্যে তাকো আমনি লাগে। মনবোৰ ৰবালৈ উৰি যায়; কব নোৱাৰা, বুজাব নোৱাৰা কল্পনা বাগৰৈ।

কলেজৰ ফাংচনবোৰত বহুত ছোৱালীৰ ৰে মালবিকাই ভাগ লয়। গান গায়, খেলাধূলাত যোগ দিয়ে নহলে লগৰ ছোৱালী-বোৰক সহায় কৰি দিয়ে। বেচ নাম মালবিকাৰ ৰা-ছোৱালী, প্ৰফেচৰ সকলোৰে মাজত। এনে এখন কলেজৰ ফাংচন নাই যত মালবিকাৰ উপস্থিতি নাই। একে লেঠাৰিয়ে তাই দুবাৰো কলেজৰ বছেৰেকীয়া খেলত "বেডমিণ্টনৰ" উপাধি লাভ কৰিছিল। নাম আছিল – তাইৰ কলেজৰ দিনবোৰত। এড্ভান্স ছোৱালী আছিল মালবিকা কাকতি।

* * *

তাই ভাবি ভাবি তন্ময় হৈ যায়। তথাপি ইমান এড্ভান্স, ইমান সুখ্যাতি ৰাখিও আজি মালবিকাৰ একো নাই। এবা, তাইৰ জীৱনৰ কোমল কোমল ধুনীয়া সুৰবোৰ যেন তাইৰ বাবে ছন্দহাৰা হৈ গল। নিজকে ঠগি জীৱনত তাই বহুত ডাঙৰ ভুলেই কৰি পেলালে।

* * *

এদিনাখনৰ কথা। সেইদিনা তৃতীয় বাৰ্ষিকৰ ছাত্ৰ ভূপেন বৰুৱাৰ সৈতে চকুৰে চকুৰে পৰাত ক্ষন্তেকৰ বাবে হলেও সেই চাৰি চকুৰ মিলনত কিবা এক অনামী মাধুৰিমা বিয়াৰি পাইছিল দুয়োৰে মাজত। বহুত বাৰেই ভূপেনক মালবিকাই লগ পাইছে বা দেখিছে কলেজ কেণ্টিন্ নতুবা বাহিৰত। [illegible] বগা গোল মুখখনেৰে কেকোৰা চুলিৰে আবৃত শীতল মস্তিষ্ক লৈ ভূপেন বৰুৱাৰ, ছোৱালীৰ মাজত প্ৰিয় পৰিচয় আছে। কিন্তু সেইদিনাৰ পৰাহে দুয়োৰে আকুলতা বাঢ়ি গল ইটোৰ প্ৰতি সিটোক জনাৰ। তেতিয়াৰে পৰা মালবিকা আৰু ভূপেনৰ কল্পনাৰ সোণালী ৰথৰ চকৰিয়ে বোলসানি নতুন উছাহেৰে আগুৱাবলৈ সাহস পালে। দুয়োৰে হৃদয়ত বহুতো বুজাব নোৱাৰা কথা, কব নোৱাৰা কথাই থৌকিবাথৌ লগাবলৈ ধৰিলে। সিহঁতে বিচাৰি পালে এখন নতুন জগতৰ সন্ধান। সপোনবোৰে নানা ৰূপ লৈ সিহঁতৰ আশাবোৰত পুষ্পবৃষ্টি কৰিবলৈ লাগিল। মালবিকাই ভূপেনক ভূপেনে মালবিকাক আপোন কৰি পোৱাৰ সান্নিধ্যতাৰ বেগণিয়ে দপ্ দপ্ কৈ জ্বলি উঠিল। কলেজত ক্লাচ বহাৰ আগে আগে নহলে ছুটি হোৱাৰ পিছত দুয়োৰে দুয়োক দেখাৰ ইচ্ছা তীব্ৰতৰ হৈ উঠিল দিন আগ-বঢ়াৰ লগে লগে।

এদিন কলেজৰ বন্ধদিনত সিহঁতে লগ হোৱাৰ কথা জনায়। দুয়োটাই এদিন মুকলিমূৰীয়া ভাবে কথাপতাৰ প্ৰস্তাৱ ৰখিলে। সেই মতেই মালবিকাই ভূপেনক লগ ধৰিলে কোনো এক ফাগুণৰ মন উকৰাই নিয়া দিনতে। দুয়োটাই লগ লাগি প্ৰচুৰ কথা পাতিলে—ফুৰিলে—। কাষতে থকা বৰলুইতৰ ৰূপোৱালী বালিতো ক্ষন্তেকৰ বাবে হলেও ভৰি দিলেগৈ। হাঁহি—হাঁহি—কেৱল হাঁহি ভূপেনে সেইদিনা মনৰ মানুহ-

জনীক চাই লবৰ বাবে বহুতো সুযুধিব লগীয়া কথাই সুধি পেলালে। মালবিকাইও খু-উ-ব সহজ ভাৱেই সকলো প্ৰশ্নৰে উত্তৰ যথাযথ ভাৱে দিবলৈ যত্ন কৰিলে। ইমানদিনে ভাবি নোপোৱা কথাবোৰে তা'ৰ মনত ভুমুকি মাৰি-বলৈ ধৰিলে। খুউব সন্তৰ্পণে মালবিকাই ধৰা দিলে সেইদিনা ভূপেনৰ কাষত। বৰলুইতৰ ৰূপালী বালিতে ঠিয় হৈ ভূপেনে মালবিকাক কথা দিছিল "মালা, তোমাৰ কাৰণে মই জগতৰ সকলো বাধাকে নেওচিম— —।" জীৱনে মৰণে যেন চিৰদিন আমি দুয়ো লগৰী হৈয়ে থাকিম। তুমি মোৰ জীৱন, যৌৱনৰ প্ৰথম লগৰী। তুমি মোৰ জীৱনৰ আচনিৰ সাগৰত প্ৰথমে স্বাক্ষৰ কৰিহা—। এইয়া ভূপেনৰ মুখৰ কথা। মালবিকাই লাজ লাজকৈ তাৰ চকুলৈ বিশ্বাস ভৰা চাৱনিৰে চাই বৈছিল। তাইৰ গাল মুখ সম্পূৰ্ণ ৰঙা হৈ জিলিকি উঠিছিল। ভূপেনে নিজেই ওচৰৰ পৰা সেইদিনা মালবিকাক চাই ললে—হেপাঁহ পলুৱাই।

এইদৰে কেতিয়া সিহঁতৰ মন আপ্লুত কৰা সময়বোৰ পাৰ হৈ গল ধৰিবকে নোৱাৰিলে। পশ্চিম দিগন্তত সোণালী সুৰুজে বিদায় মাগিবৰ উপক্ৰম কৰিলে। ঘৰমুৱা চৰাই জাক উৰি যোৱাৰ পথত সিহঁতৰ পাখিত সুৰুজৰ শেষ ৰক্তিম আভা পৰি সৌন্দৰ্য্যময়ী হৈ উঠিল। দুই এটা নাৱৰীয়াই সন্ধিয়াৰ আগে আগে সিহঁতৰ নাও পাৰ চপোৱাৰ আশাত বাউসীৰ জোৰে বঠা মৰাত ব্যস্ত হৈ পৰিল। চাপৰিৰ পৰা উৰিঅহা বগা বগা জুইৰ ধোঁৱা ডাৱৰৰ সৈতে মিলিবলৈ আকাশলৈ উৰি গল।

★ ☆ ★

সিহঁত দুয়োটাই হঠাতে সাৰ পাই উঠা মানুহৰ দৰে মূৰ্ত্ত হৈ উঠিল। সিহঁতে যেন এতিয়াহে জানিলে যে সিহঁতৰ মনৰ পৃথিবীখনৰ বাহিৰেও আন এখন পৃথিবী আছে জীয়াই থকাৰ——। দুয়োটাই খৰখৰকৈ খোজ দিলে কলেজ হোষ্টেললৈ বুলি।

কলেজ হোষ্টেল পোৱাৰ লগে লগে ভূপেনে মালবিকাক বিদায় দি ঘৰলৈ বুলি আগবাঢ়িল। বাটত বহুতো ভাৱনাই তাৰ লগ এৰা নিদিলে।—— এইদৰে সিহঁতৰ দিনবোৰ পাৰ হৈ গৈছে।

কিন্তু কিছুদিন যোৱাৰ পিছত মালবিকা বহুত গহীন হৈ গল। তাই আগৰ দৰে ভূপেনৰ লগত বেছি কথা বতৰা পাতিবলৈ এৰি দিলে। আনকি তাক দেখিলেও তাৰ প্ৰতি কোনো আগ্ৰহ দেখুওৱাত আগবাঢ়ি নহা হল। ভূপেনৰ সন্দেহ আঘাত লাগে। সি ভাবে—কিয় বাৰু মালবিকাৰ ইমান পৰিবৰ্ত্তন। ইয়াৰ ৰহস্য কত? সি গভীৰভাৱে ভাবিবলৈ যত্ন কৰে—। কিন্তু তাৰ ওঁৰ সি বিচাৰি নাপায়। সেইয়া এক অন্য কাহিনী।

কলেজৰ ফাষ্ট ইয়েৰত পঢ়ি থাকোতেই ভূপেনৰ দৰে ঠিক এটা লৰাই মালবিকাক ভাল পাইছিল। দুয়োটাৰে মাজত বেছ প্ৰগাঢ় ভাৱে গঢ়ি উঠিছিল সিহঁতৰ ভালপোৱা খু-উব কম দিনৰ ভিতৰতে। বহুত নভবা কথা ভাবিবলৈও বাধ্য কৰোৱাইছিল কিন্তু এবছৰ নৌ হওঁতেই উচ্চশিক্ষাৰ বাবে গুচি গ'ল সি এক নামকৰা বিশ্ববিদ্যালয়লৈ··মালবিকাক নজনোৱাকৈয়ে। বহুত চিঠি দিও তাই আৰু তাৰ

পৰা কোনো খবৰকে নেপালে। তেতিয়াৰ পৰা তাই পুৰুষ—সেই জাতিটোৰ প্ৰতি আস্থা হেৰুৱাই পেলালে। প্ৰতিশোধ লোৱাৰ তীব্ৰ আকাঙ্ক্ষা তাইৰ মনত জাগি উঠিল। কিন্তু তাকে পাৰিলে জানো? সেই আস্থাকো নেওচি মালবিকাই এদিন ভাল পাই পেলালে ভূপেনক। ভূপেনেও অন্তৰ ভৰা শক্তিৰেই তাইক বিশ্বাস কৰিছিল। মালবিকাৰ মনত খেলালে যদি প্ৰদ্যুতৰ দৰে ভূপেনেও তাইক প্ৰত্যাখ্যান কৰে। সেইবাবে তাই ভূপেনৰ প্ৰতি আৰ্কষণ কমাই দিলে। কিন্তু যেতিয়া তাই ভাবি পালে ভূপেনে সঁচাকৈয়ে তাইক ভাল পাইছিল, বিশ্বাস ৰাখিছিল তেতিয়া তাইৰ বাবে বহুত পলম হৈ গল। ভূপেনো অভিমানী হৈ পৰিল। তাৰ মনটো বিদ্ৰোহী হৈ উঠিল। সি পুনৰ মালবিকাৰ প্ৰতি কোনো দুৰ্বলতা দেখুৱাবলৈ আগবাঢ়ি নাহিল। মালবিকাৰ চৰিত্ৰৰ কথা গম পাই সি মালবিকাৰ আগত কেতিয়াও মুখ নেদেখুৱাওঁ বুলি প্ৰতিজ্ঞা কৰিলে। সঁচাই তাৰ প্ৰতিজ্ঞা ৰাখিলে। তেতিয়াৰ পৰা সি আৰু সকলো কথা চিন্তা কৰিবলৈ বাদ দিলে। মালবিকাই ক্ষমা খুজিও তাৰ পৰা কোনো ফল নেপালে।

এইদৰে মালবিকাৰ কুৰিটা বসন্তৰ চাৰিটাই ভূপেন আৰু প্ৰদ্যুতৰ লগত তাচ পাতৰ দৰে খেল খেলি উকুৱাই দিলে। কিন্তু পালে কি?

বি, এ, ফাইনেল পৰীক্ষা হৈ যোৱাৰ পিছত মালবিকা ঘৰলৈ গুচি গ'ল (হয়তো জীৱনৰ বাবেও)। তাইৰ মনৰ অনুভূতিবোৰৰ ওপৰত একেবাহে চলি অহা বৈচিত্ৰহীন দিনবোৰৰ কথা ভাবি ভাবি, মনবোৰ ম্লান হৈ যায়—সেইবোৰ তাই পাহৰি যাবৰ চেষ্টা কৰে কিন্তু নোৱাৰে। হিয়া তাইৰ ভাগি যায়। হেৰাই যোৱাক পাবৰ কাৰণে কেতিয়াবা তাইৰ মনটোৱে হাঁহাকাৰ কৰি কান্দি উঠে। —তাই নিজকে নিজে শান্তনা দিয়াৰ প্ৰয়াস কৰে। নিজে কৰা ভুলৰ বাবে নিজৰে খং উঠে। চকুৰ পানীৰে তাইৰ গাল দুখন তিতি যায়—কব নোৱাৰাকৈয়ে।

আৰু আজি সেই একেবোৰ কথাকে ভাবিবলৈ মাজনিশাও সাৰ পাই উঠিছে। প্ৰশ্ন?— ই কাৰ অভিশাপ? প্ৰদ্যুত, ভূপেন নে তাইৰ নিজৰ—। মালবিকাৰ মনৰ ৰাজ্যখনৰ এবিধহা ভুলৰ কাহিনীৰ ছবি টেপ ৰেকৰ্ডৰ দৰে আজিও বাজি উঠে কিয়? তথাপি আশা আকাঙ্ক্ষা আৰু নেপোৱাৰ বেদনা লৈ তাই শেহ ৰাতি নীৰৱে চকুলো টোকে। সেয়ে তাইক দি যায় জীয়াই থাকিবলৈ—। সপোনৰ সাক্ষী স্বৰূপে—।

কাটন কলেজ

—০ঃ০—

পৰীক্ষিত হাজৰিকা,

# ॥ প্ৰশ্নোত্তৰ ॥

*ঃ – ঃ*

মৰম আৰু মৰমৰ চেনেহী,

তোমাৰ চেন্ট লগোৱা চিঠিখন পালোঁ। ভাগ্য ভাল যে চিঠিখন গাইপ নহ'ল। পৰীক্ষাৰ বহী চাই থাকোতে এজন সংসাৰ বিৰাগী বুঢ়া পিয়নে দি গৈছে। ডেকা অনুসন্ধিৎসু পিয়ন হলে হয়তো অসুবিধা আছিল। যি কি নহওঁক চিঠিৰ পৰা জানিলো তুমি ভালে আছা, আৰু ইয়াকো জানিলো যে মোক লগ পাবলৈ তুমি বাউলী হৈ পৰিছা। দুয়োটা কথাতে মই সুখী হলো বুলি ধৰিবা; পিছে, তৃতীয় কথাটোত বেছি হাঁহি উঠিল। মানে, তোমাৰ সখী গৰাকীক পৰীক্ষাৰ বহীত সৰহকৈ নম্বৰ দি মুঠতে তেওঁক পাছ কৰাব লাগে। অৱশ্যে ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত উত্তীৰ্ণ হলে আমি শিক্ষক হিচাবে আনন্দ পাওঁ। ছাত্ৰক নিয়মৰ মাজেৰে পাছ কৰোৱাটো আমাৰ ধৰ্ম্ম ; কিন্তু কবিৰাজী কৰি পাছ কৰাই দিয়াটোহে আমাৰ অধৰ্ম্ম। মই যে তেনে অধৰ্ম্ম কৰিবলৈ অপাৰগ! তুমি বেয়া পাবা নেকি চেনেহী ? মই মৰি যাম দেই কিন্তু,— তুমি বেয়া পালে!

তোমাৰ বান্ধবী আইবিণ চলিহাৰ লগত ব্যক্তিগত ভাবে মই কথা-বতৰা পতা নাই ; আৰু পাতিবলৈও প্ৰয়োজন বোধকৰা নাই। কাৰণ, তেওঁ মোৰ ছাত্ৰীহে ; দেখাত বেয়া লগা নাই ; আধুনিক বতাহ গাত লাগিছে। চুলিকোছা ওপৰমূৰাকৈ বান্ধিলৈ ব'ডিটো টাইট কৈ সজাই নাইলনৰ শাৰীখন ওলোমাই ৰাখি হাইহিল্‌ৰ চেণ্ডেল জোৰ কোবাই কলেজৰ বাৰাণ্ডাৰে পেৰেড কৰি অডিয়েন্সৰ এট্ৰাক্সন ড্ৰ কৰিবলৈ তেওঁ শিকিছে। এইবোৰ শিক্ষা কিন্তু আমাৰ কলেজত দিয়া নহয় ; আনক দেখি নিজে শিকিছে। আমি মাথোন পাঠ্যপুথিৰ কথাবোৰহে শিকাও। আজি কালিৰ অসমীয়া পাঠ্যপুথিত ধৰ্ম্ম, নৈতিকতা বা প্ৰকৃত আদৰ্শৰ কথা নাথাকে। কেবল যি কোনো এটা বিষয়ত নাম থকা মানুহ এজনে কিবা লিখিলেই সাহিত্য হৈ পৰে, আৰু তাকে পাঠ্যপুথিৰ অন্তৰ্ভুক্ত কৰে। পিছে, শ্ৰীমতী আইৰিণে পাঠ্য পুথি পঢ়িবলৈ সময় নাপায় সম্ভৱ।

আমাৰ বাছনি পৰীক্ষাত অসমীয়া প্ৰশ্নকাকতত ছয়টা প্ৰশ্নৰ ভিতৰত তেওঁ তিনিটাৰহে উত্তৰ কৰিছে। ব্যাকৰণত তেওঁৰ ৰাপ আছে যেন লাগিছে ; কাৰণ, ব্যাকৰণৰ এটা প্ৰশ্নও বাদ দিয়া নাই। উত্তৰ খিনি পঢ়ি বেছ আমোদ পাইছোঁ। যেনে ঃ—

৪ নং প্ৰশ্ন — তলৰ যি কোনো পাঁচটাৰ সূত্ৰ লিখি উদাহৰণেৰে সৈতে বুজাই দিয়া ;— নামধাতু, পাছনী ক্ৰিয়া,

উপসৰ্গ, অসমীয়া স্ত্ৰী প্ৰত্যয়, যৌগিক ক্ৰিয়া, দ্বিগু সমাস, তদ্ধিত প্ৰত্যয়, অনুৰূপ শব্দ, যুৰীয়া শব্দ ।

উত্তৰ ঃ— **উপসৰ্গ**— আকাশ খনক পুৰণি ভাষাত সৰ্গ বোলে ; সৰু আকাশক উপসৰ্গ বোলে । কোনো কোনোৱে আকস্মিক অসুবিধাকো উপসৰ্গ বোলা শুনা যায় । যেনে— কোনো উপসৰ্গ নোলালে ৰাতি হলেও আপোনাৰ ঘৰত যাম ।

**নামধাতু**— যিবোৰ ধাতুৰ নাম থাকে সেই-বোৰক নামধাতু বোলে । এই ধাতু আঠবিধ ; যেনে— সোণ, ৰূপ, তাম, ৰাং, পিতল, লো, তীখা আৰু সীহ । হেমকোষ অভিধানত এইবোৰক একেলগে 'অষ্টধাতু' বোলা হৈছে । উদাহৰণ ঃ— সোণাৰীয়ে খাটি সোণত ভেজাল দি ভাল অলঙ্কাৰ গঢ়ে ।

**পাচনী ক্ৰিয়া**—পাচনী এগৰাকী অতি গৰীব ছোৱালী আছিল । তাই পৰৰ ঘৰে ঘৰে ক্ৰিয়া-কাম কৰি পেট পুহিছিল । আৰু বহুত গুণ তাইৰ আছিল । মুঠতে, পাচনীয়ে কৰা কামকে 'পাচনী ক্ৰিয়া' বোলে । উদাহৰণ ঃ—পাচনীয়ে ভাত ৰান্ধিব নাজানে ।

**যৌগিক ক্ৰিয়া**— পাচনী ক্ৰিয়াৰ দৰেই যৌগিক ক্ৰিয়াও । কিন্তু দুয়ো-টাৰে পাৰ্থক্য ইমানেই যে পাচনীয়ে কামটো অকলে কৰে, আৰু আনহাতে যৌগিক ক্ৰিয়াৰ কামটো এজনতকৈ বেছিজনে কৰে ; অন্ততঃ দুজনে কৰিব লাগে । যেনে ঃ— ৰাম-সীতাই বনত হাতী ধৰে ।

**অসমীয়া স্ত্ৰী প্ৰত্যয়**— পুৰণি কালত স্ত্ৰী বিলাকে স্বামীৰ কথাত প্ৰত্যয় মানিছিল । সেই হিচাবে, অসমীয়া স্ত্ৰী বিলাকেও যদি অন্ততঃ গিৰিয়েকৰ কথাত প্ৰত্যয় মানে, তেনেহলে তাক অসমীয়া স্ত্ৰী প্ৰত্যয় বোলে । যেনে ঃ— হেৰা সোণ-জনী, মোৰ অহাত দেৰি হলেও তুমি ভাত খাবা । ( যদি সোণ-জনীয়ে খায়, আৰু সেই সোণজনী যদি বিবাহিতা অসমীয়া স্ত্ৰী হয় তেন্তে সেইটো খাটি অসমীয়া স্ত্ৰী প্ৰত্যয় হল )

৫ নং প্ৰশ্ন (ক) তলৰ যেই সেই পাঁচটা প্ৰত্যয়ৰ শব্দ গঠন কৰি একোটা শুৱলা বাক্য ৰচনা কৰা—তলি, আলু, কি, আলি, ইয়াল, চীয়া, উৱা, অৰুৱা ।

**তলি**— ( বাকচ + তলি = বাকচ-তলি ) ; মোৰ বাকচ-তলিত এটাও পইচা নাই ।

**আলু**— ( কেঁচা + আলু = কেঁচালু ) ; তৰকাৰী নহলে কেঁচালু পুৰিও ভাত খাব পাৰি ।

**আলি**— ( ইমৰাণ + আলি = ইমৰাণালি ) ইম-ৰাণালিয়ে গান গাব জানে ।

*কি*— ( ই এটি প্ৰশ্নবোধক প্ৰত্যয় ); কি, চিনেমা নেদেখুৱাব নেকি? যক, নামাতো।

*উৰা*— ( স্বতঃসিদ্ধ প্ৰত্যয় ); উৰা, এই ৰাতি-খন ক'ৰ পৰা ওলালহি ?

( খ ) তলৰ ইচ্ছানুযায়ী পাঁচটাৰ বাক্য সাজা— আকাশ-কুসুম, হোমৰ গোন্ধ নাপা, পিঠি দে, হাত দীঘল, মন পা, জয় ঢোল, কথা চহকী।

*আকাশ কুসুম* — ভবা জনৰ লগত মোৰ বিয়া হোৱা ***আকাশ-কুসুম*** কথা।

*হোমৰ গোন্ধ নাপা* — কাৰণ, কুৰি বছৰতো হোমৰ *গোন্ধ নাপালো*।

*পিঠি দে* — কোনোমতে বিয়াত সোমাব পাৰিলে সৰস্বতীক *পিঠি দিম*।

*হাত দীঘল* - ***হাত দীঘল মানুহ*** চুৰি কামত বৰ ওস্তাদ ; কাৰণ তেওঁ দূৰত থিয় দিয়ে লোকৰ বস্তু সৰকাব পাৰে।

*মন পা* — ***মনপা*** ককাইটিক ধৰিলো সাৰটি ( মই নহয়, ভুপেন হাজৰিকাই )।

৬ নং প্ৰশ্ন — তলৰ যি কোনো এটি বিষয়ৰ ওপৰত এখন ৰচনা লিখা—

( ক ) অসমীয়া প্ৰবন্ধ সাহিত্য (খ) অসমৰ অৰ্থনৈতিক সমস্যা, (গ) ভাৰতৰ জাতীয় ঐক্য আৰু দেশ-নিৰাপত্তা (ঘ) মন্ত্ৰীত্ব আৰু দায়িত্ব, (ঙ) পঞ্চশীল নীতি আৰু বিশ্ব-শান্তি।

( উত্তৰ ? ) N B. মোৰ বিশেষ পূজনীয় চাৰ, ওপৰৰ বিষয় কেইটিৰ এটাৰো মোৰ Preparation নাই। আগে-পিছে অহামতে মই 'এখন ভাল লগা কিতাপ' হে কেৱা-বাৰো পঢ়িছিলোঁ। অকল এখনেই নহয়, তেনে ভাল লগা কিতাপ ছাত্ৰী জীৱনত অলেখ পঢ়িছোঁ। তাৰে ভিতৰত দুখন উল্লেখযোগ্য। আধুনিক উপন্যাস সাহিত্যত সেই দুখন মাইলৰ খুটি; নাম—'অলকা' আৰু 'অঞ্জনা'। আমাৰ হোষ্টেলৰ ছোৱালীবোৰে গাৰুৰ তলে তলে ৰাখে। ইমান প'পুলাৰ কিতাপ ; কিন্তু সেই Important question টো নাহিল। চাৰ, মোৰেই দুৰ্ভাগ্য।

... .. ... ...

মৰমৰ চেনেহী, এতিয়া কোৱাচোন, তোমাৰ বান্ধৱী আইৰিণ চলিহাক কিমান নম্বৰ দিব লাগিব ?— পাৰিলে, বেচেৰীক ১০০ নম্বৰ দিবৰ মন যায় ; কিন্তু অধৰ্মত নামিবলৈ আমি ভয় কৰো। তথাপি সংখ্যা কেইটাৰ আকৃতি ঠিকে ৰাখি মাত্ৰ ১ টো শূন্য দুটাৰ সোঁহাতে বহুৱাই থৈছোঁ। তুমি তাঁৰ যোগে আইৰিণক জনাবা = 'Happy news.' লগতে সেইখন টেলিগ্ৰামতে ৰূপহী আইৰিণক জিৰণি লবলৈ অনুৰোধ জনাবা - 'One year rest requested'

বুইছা চেনেহী, অকল আইৰিণেহে যে পৰীক্ষাত এনে কৃতিত্ব দেখুৱাব পাৰিছে তেনে

নহয়, আইৰিণৰ সমকক্ষ মহা ধনুৰ্দ্ধৰ আৰু এজন লৰাক মাজে সময়ে শ্ৰেণীত দেখো। নাম— প্ৰাণেশ্বৰ। নামে-কামে লৰা জনৰ গাত প্ৰাণেশ্বৰ হোৱাৰ যোগ্যতা আছে। বগা, পাতল, ওখ, ধুনীয়া, ষ্টাইলিষ্ট। দেখিলে মৰম লগা লৰা। কিন্তু ডাঙৰ ছোৱালীয়ে প্ৰাণেশ্বৰক নাম কাঢ়ি 'দাদা' বোলাৰ সাহস নকৰে। কাৰণ, এদিন বেক্সোনা বৰুৱাই এওঁক 'প্ৰাণেশ্বৰদা' বুলি কলেজ-কম্পাউণ্ডত কিবা এটা সুধিব খুজিছিল। প্ৰাণেশ্বৰে অলপকৈ হাঁহি সৰুকৈ কলে— 'প্ৰাণেশ্বৰ' বুলি মাতি আকৌ 'দা' লগাইছা কেলৈ ?— ছুটাৰ এটা কৰিবা। কিন্তু 'প্ৰাণেশ্বৰ' বোলাৰ আগতে কামটো ৰেজিষ্টাৰ নকৰিলে নহব দেই ;— ছোৱালীৰ সজাত নাই।

এইজন প্ৰাণেশ্বৰে কেতিয়াও Terminal পৰীক্ষা নিদিয়ে ; হয়তো Test নতুবা Annual। আগৰ তিনিটা বছৰ প্ৰাণেশ্বৰে এক শ্ৰেণীতে Test কৰি চালে। যোৱা বেলি মেডিকেল চাৰ্টিফিকেট দিও চেষ্টা চলাইছিল ; পিছে ফল নধৰিল। এইবেলি আকৌ দিছে। যি কি নহওঁক, শ্ৰীমানে নিজৰ পাণ্ডিত্যৰ বলত প্ৰতি প্ৰশ্নৰে উত্তৰ কৰি গৈছে। তাৰে ছুটা উত্তৰৰ নমুনা তোমালৈ পঠালোঁ।

এটা প্ৰশ্ন ঃ— 'মহিমাময়ীক' চৰিত্ৰ প্ৰধান গল্প বুলিব পাৰিনে ? নিজৰ যুক্তি প্ৰদৰ্শন কৰা।

উত্তৰ ঃ— পাৰোতো। কাৰণ, মহিমাময়ী এটা প্ৰধান নাৰী চৰিত্ৰ। পিছে তেওঁ বৰ কৃপণ আছিল।

.... --- ... ---

হেৰা চেনেহী, আমাৰ শ্ৰীমানে সেইটো প্ৰশ্নৰ উত্তৰ সিমানতে এৰিলে। কিন্তু ছুটা পাত গেপ ৰাখিছে ; সম্ভৱ মনত পৰিলে পিছত লিখিব।

আন এটা প্ৰশ্ন আছিল ঃ—"'মিৰি-জীয়ৰীত' প্ৰেমৰ এটা ত্ৰিভুজ অঙ্কণ কৰা হৈছে"—বহলাই আলোচনা কৰা।

প্ৰাণেশ্বৰে সান্ত্বনয়ে পৰীক্ষকক জনাইছে যে তেওঁ হেনো কেতিয়াও কাৰো প্ৰেমত পৰা নাই ; প্ৰেমৰ ক্ষেত্ৰত তিনিভুজ কিয় এক ভুজেই আঁকিব নোৱাৰিব। গতিকে এনে প্ৰশ্নৰ উত্তৰ কিদৰে কৰিব ? তাৰোপৰি, তেওঁ কিনা নোটবুক খনত এইটো প্ৰশ্নৰ উত্তৰ নাই।

শেষত প্ৰাণেশ্বৰে লিখিছে— অতিকৈ পূজনীয় Revered Sir, মোৰ প্ৰাণৰ নিভৃত কোণৰ অন্তৰতম সেৱা লব। মোৰ Preparation মতে প্ৰশ্ন নাহিল। গতিকে আশাকৰা-মতে ভাল কৰিব নোৱাৰিলোঁ। তথাপি আপোনাৰ বিষয়টোত পাছ কৰাই দিয়ে যেন। নহলে অহাবছৰলৈ Syllabus change হব ; আৰু লগতে মোৰ জিন্দেগীৰ গতিও বদলি যাব পাৰে। দেউতাই থ্ৰিয়েটেনিং দিছে।... চাৰ, মই আপোনাক কথা দিছো। টেষ্টৰ Result ওলোৱাৰ পিছদিনাৰ পৰাই পঢ়াত লাগি যাম। গতিকে টেষ্টত যেন মোক দিটেন নকৰে। আৰু চাৰ আপোনাৰ সন্মানৰ কাৰনেই শেষৰ ছুটা পাতৰ মাজত দহটকীয়া নোট এখন গাঁথি দিলোঁ। গ্ৰহণ কৰে যেন।

* * *

অ' চেনেহী, মই আৰু কলেজত শিক্ষকতা নকৰোঁ। আইৰিণহঁতৰ 'হাঁহি' আৰু প্ৰাণেশ্বৰ হঁতৰ 'টকা'ও মোক নালাগে। তুমি বেয়া নেপাবা ; মই গাৱঁত গৈ খেতি কৰিম।

# প্রবন্ধ

# সাহিত্য চৰ্চ্চা আৰু অসমীয়া জাতি।

[ অসমীয়া সাহিত্যৰ জোনাকী যুগৰ পৰা বামধেনু যুগলৈকে একেধাৰে ভাষা সাহিত্য চৰ্চ্চা কৰা অসম হিতৈষী সিংহপুৰুষ সকলৰ ভিতৰত অগ্নিকবি ৺কমলাকান্ত ভট্টাচাৰ্য্য দেৱো এজন। প্ৰায় দুকুৰি বছৰ আগতে লিখা বেজবৰুৱাৰ 'বাঁহী' আলোচনীৰ পৰা এই প্ৰবন্ধটো তুলি দিয়া হৈছে। বৰ্ত্তমান অসম-হিতৈষী সকলে প্ৰবন্ধটো পঢ়ি নিশ্চয় ৰস পাব। ]

বুৰঞ্জীয়ে ফট্ফটীয়াকৈ দেখুৱায় জাতীয় উন্নতিৰ মূলত জ্ঞান বুদ্ধিৰ বল। মানুহৰ জ্ঞান বুদ্ধি বঢ়ায় কিহে? নিজ মাতৃ ভাষা চৰ্চ্চা কৰি তাকে জ্ঞানৰ ভঁৰাল পতাৰ দ্বাৰাই জাতীয় জ্ঞান বুদ্ধিৰ বৃদ্ধি হয়। অসমীয়া জাতিটি মাতৃ-ভাষালৈ শ্ৰদ্ধাহীন। মানুহক আশা আৰু উৎসাহ দিয়ে কিহে? সাহিত্যকহে গুৰিত দেখিবলৈ পাওঁ। যি দেশ বা জাতি যিমান সভ্য তাৰ মাতৃ-ভাষা সাহিত্যও সিমান উন্নত।

সময়ে সময়ে যেই কোনো জাতিৰ অভাৱ, স্বভাৱ, অৱস্থা আৰু ব্যৱস্থা সহিত লেখা কথাবিলাকেই সাহিত্য। বৰ্ত্তমান জ্ঞান বিজ্ঞানৰ যুগ, এই যুগত মানুহৰ আকাঙ্ক্ষা, অভাৱ, স্বভাৱ লৈ যি দৰে জোটাপুটি Struggle for existence কৰিব লাগে তাক এৰি সাহিত্যই নহয়। মাতৃ ভাষাৰে সাহিত্য চৰ্চ্চা কৰি আমাৰ দেশত জ্ঞান নবঢ়ালে আমি উধাব নোৱাৰি চিৰকাল তল পৰি থাকিম। অসমীয়া মানুহক এই চেষ্টাৰ প্ৰতি উদাসীন দেখি মনত বৰ দুখ লাগে। আজিকালি প্ৰায় সভ্য দেশবিলাক সমূহ ৰাইজৰ মতত চলে, বাতৰি আৰু আলোচনী কাকতবিলাকেই ৰাইজৰ মুখপত্ৰ বুলি ধৰা যায়, অসমীয়াই ইয়াকো নুবুজে। আমাৰ নিজ মাতৃ-ভাষা আৰু বাতৰি আলোচনী কাকতৰ প্ৰতি আদৰ কিমান?

আমাৰ শিক্ষিত সকলৰ সাহিত্যৰ প্ৰতি আদৰেই মাতৃ-ভাষাৰ উন্নতিৰ বতৰা দিব। আজি কালি কোনো কোনো শিক্ষিত ডেকাই নানা বিষয়ৰ সাহিত্য পুথি লেখিছে আৰু লেখি ছপাইছে; কিন্তু কিতাপ হলে বিক্ৰি নহয়, আনকি ছপাৰ খৰচ খিনিয়েই নুঠে। সাহিত্যিক মাত্ৰেই প্ৰায় দুখীয়া, অনেকৰ পুথি হাতৰ লেখাতে পৰি আছে। আমাৰ দেশ দুখীয়া, এই হেতুকে ধনৰ অভাৱে সকলোপিনে এই দেশৰ উন্নতি

তললৈ হেচি ৰাখিছে বুলি অনেকে কয়। কিন্তু মনেই ধন আনে আৰু ধনেও মন টানে। "যেতেকে পাৰৈ ধন তেতেকে বাঢ়ে মন" ধনে ধন ধন কৰিহে গৈ থাকে। মনে অৰ্থাৎ জ্ঞানেহে মানুহক ডাঙৰ কৰি তোলে। এই জ্ঞানৰ উন্নতিৰ লগে লগে ধন, ঐশ্বৰ্য্য, ক্ষমতা সকলো হৈ আহে। ইয়াৰ পিছত ধন ঐশ্বৰ্য্য ক্ষমতাৰে যেতিয়া কোনো মানুহ বা জাতি পূৰ হৈ পৰে তেতিয়া তাৰ পকি সৰিবৰ দিন চমু চাপে। প্ৰকৃতিৰ বিধানেই— পকিলে সৰিব লাগে। কিন্তু কলি অৱস্থাত যদি গোটটিক পোকে ধৰে তেনেহলে সি অপৈনত অৱস্থাতে পকাৰ দৰে হৈ সৰি পৰে। আমাৰ অসমীয়া মানুহৰ গাতো ইউৰোপৰ ধন, সুখ আদি বিলাসিতা পোকে নিচেষ্ট কলি অৱস্থাতে ধৰিব ধৰিছে. আমাৰ ই বৰ সঙ্কত অৱস্থা। বৰ্ত্তমান এপিনে ভাব হৈ উঠিছে অসম বৰ দুখীয়া দেশ, আগ গুৰি নেচাই নিচিন্তি এনে কথা কৈ অনেকে মানুহৰ মন হতাশ কৰে— ইয়াৰ মানে কি? আন পিনে দেখি পোৱা যায় অসমত ধনী মনুহৰ সংখ্যা আগতকৈ লাহে লাহে বাঢ়ি আহিছে। এনেস্থলত স্বদেশৰ জ্ঞান সাহিত্য আৰু আন আন প্ৰকাৰে লগ বান্ধি উন্নতিজনক কাৰ্য্যলৈ ধনেৰে সহায় কৰি দেশক পোহৰাবলৈ আমাৰ মানুহৰ মন বৰ কৃশা কিয়? আগৰ আৰু পিছৰ দুটি প্ৰশ্নৰ মানে একে কথাতে খাটে। মানুহে যিমান সোনকালে কু অভ্যাস শিকে আৰু বেয়া আৰ্হি গ্ৰহণ কৰে সু-অভ্যাস আৰু সু-আৰ্হি গ্ৰহণ কৰাবলৈ বহুযত্ন আৰু প্ৰবন্ধ কৰিব লগাত পৰে। কু-অভ্যাস আৰু কু আৰ্হিৰ চেকা এবাৰ লাগিলে পৃথিবীৰ গোটেই জ্ঞান ভঁৰাল লাইব্ৰেৰিবিলাক পঢ়া তথাপি তাক সতকাই সঁচ মাৰি গুচুৱা টান। আমাৰ দেশখনৰ মানুহ এসময়ত বৰ হোজা আছিল, হোজা মানে হোলাৰ ভাই মোলা সৰল প্ৰকৃতিৰ। বিদেশী মানুহবিলাকে যেতিয়া বেপাৰ বাণিজ্য আৰু চাহ খেতি কৰি এই মাটিৰপৰা ধন উলিয়াই ধন ঐশ্বৰ্য্যৰে ওফন্দি উঠি ভাল ভাল ঘৰ সাজি অনেক বন্দুৱা চাকৰ ৰাখি আমাৰ চকুৰ আগত লাহ বিলাহ লগাই ফুৰিব ধৰিলে আৰু মাৰোৱাৰীসকলে বেপাৰৰ ফাকি লগাই ধন ঘটি এই দেশক ধনৰ মোহ দেখাব ধৰিলে আৰু সৰু কামলৈ প্ৰায় পইছা এটা সৰকি নপৰা আৰ্হি কৰি তুলিলে আমিও ধাৰে ঋণে সুখে থাকিবলৈ বিলাসিতা শিক্ষা কৰিলোঁ আৰু কেঞা দস্তুৰ ধৰি সুদ্ খোৱা অভ্যাস লৈ ধনী হবলৈ চেষ্টা কৰিব ধৰিলোঁ। এই দেশ বিদেশী ধন ঘটা বিলাকৰ নহয়. আমাৰ কিন্তু, আমি সিহঁতৰ আৰ্হি লৈ নিজ দেশক পৰ পাতি পেলাইছোঁ। "ফোপ্ দাং ধান নাইকীয়া সুদা চাং" আমিও ফোপ্‌জহী হবলৈ ধৰোতে ধন খাব জীৱ পৰাকৈ আঁটা হলেও নটা হৈ উঠিছে। উন্নতিলৈ আগবাঢ়িব ধৰা কলি অৱস্থাতে যদি আমাৰ এনে বিলাক সাংঘাতিক স্বভাৱ হৈ উঠিল তেনেহলে এই দেশত বিদেশীয়ে প্ৰভূত্ব নাপাতি কোনে পাতে? মিছা কথাত ধন খৰচ কৰা পিনে আমি কৃপণ নহওঁ, কৃপণ হওঁ কিহত? বাতৰি আৰু আলোচনী বাকতৰ বৰঙণি ফেৰি দিয়াৰ বেলিকা। এই দেশখন নানা বৰ্ণৰ বিদেশী মানুহে ভৰিল, অসমীয়াই বিদেশীৰ কু-আৰ্হি আৰু বিদেশী ধৰ্ম্ম গ্ৰহণ কৰি নিজ অস্তিত্বৰ শিপাডালি উঘলাব

লগীয়া কৰি পেলাইছে। সু-আৰ্হি হলে আমি কাৰো গ্ৰহণ নকৰোঁ। ভাৰতবৰ্ষ এখন দেশ নহয়, ই বিভিন্ন মাটিৰ গুণ অনুসাৰে, ভিন ভিন স্বভাৱ আৰু ধৰ্ম্ম অনুসাৰে নানা জাতি, নানা প্ৰদেশযুক্ত এখনি মহাদেশ। প্ৰত্যেক প্ৰদেশৰ ভাষা, ধৰ্ম্ম, স্বভাৱ প্ৰায় কাৰো লগত নিমিলে। ভোদা অসমীয়াই নিজ ধৰ্ম্ম, স্বভাৱ, আৰু মহা- পুৰুষসকলৰ আৰ্হি এৰি বিদেশী আৰ্হি ধৰি নিগমে তললৈ যাব ধৰিছে। আমাৰ ওপৰত গুৰু হয়হি আহি বিদেশী, আমাক অসভ্য বুলি নিন্দা কৰি বাবুৱানা আৰ্হি দেখায়হি বিদেশীয়ে। আমি মোটা কাপোৰ পিন্ধো, আমাৰ ভিতৰত ভদ্ৰলোকৰ চিন নাই, ঘৰে ঘৰে আমি তাঁত বোৱা তাঁতী, আমি দূৰ্গা পূজা নকৰোঁ, আমাৰ ছোৱালী ব্ৰাহ্মণক এৰি যৌৱন বিয়া দিওঁ, বিধবা বিয়া দিওঁ—এইবিলাক নিন্দা অতীজতে বিদেশী বিলাকে কৰিব ধৰা দিনৰেপৰা আমি অসমীয়াই নিজা ভাল দস্তুৰ সুপিকে এৰি বিদেশীক গুৰু মানি বিদেশী দস্তুৰ শিক্ষা কৰি পৈণত হৈ উঠিলোঁ। আমাৰ মাতৃ-ভাষাৰ প্ৰতিও পোনতে বিদেশীসকলে হেয় জ্ঞান জন্মাই নিজ ভাষা চলাবলৈ ধৰি অনেক বছৰ তাকে চলাইছিল। মাতৃ-ভাষাৰ প্ৰতি আমাৰ যে পোনতে অশ্ৰদ্ধা উৎপত্তি হল, এতিয়া জ্বৰে এৰিলেও কৰপটীয়ে নেৰা দৰে আমাক সি এতিয়াও এৰা নাই, এই কাৰণে অসমীয়াই মাতৃ-ভাষাৰ উন্নতিৰ পিনে পিঠি দি এই পৰ্য্যন্ত বহি আছে। এতিয়াও দেখি শুনি আমাৰ জ্ঞানৰ উদয় হোৱা নাই যে পৃথিবীত কোন সভ্য দেশ আছে যি মাতৃ- ভাষাৰে শিক্ষা নকৰাকৈ জ্ঞানৰ উন্নতি সাধিব পাৰিছে। আৰু কওকছোন শিক্ষিতসকলে মাতৃ- ভাষাৰ সাহিত্য এৰি কোন জাতিয়ে উন্নতি সাধিব পাৰিছে? অসম দেশ দুখীয়া, কিহৰ দুখীয়া বাৰুকৈ গমি কোৱাচোন? মানৱ চৰিত্ৰ পঢ়ি আগৰ পৰা গুৰিলৈ চালে দেখা যায় যেই সেই জাতি ধনৰ দুখীয়া হোৱাতকৈ মনৰ দুখীয়া হলেহে আৰোগ্য কৰিব নোৱাৰা অতি- পাত টান ৰোগত পৰে। এই ৰোগত যি কোনো জাতি ঐশ্বৰ্য্য বিভৱে যেতিয়া আঢ্যৱন্ত হৈ উঠে তেতিয়াহে পৰে। আমি অসমীয়া মানুহ ধন নোহোৱা অৱস্থাতো মনৰ দুখীয়া হৈ উঠিছোঁ ইহে বৰ আচৰিত কথা। পৃথিবীত যিমান জাতিৰ সাহিত্য উন্নতি হৈছে মানে ধন লোভী অৱস্থা নথকা সময়তহে। ইউৰোপ আদিয়ে নিধনী অৱস্থাতহে জ্ঞানে, ধৰ্ম্মে আৰু সাহিত্য কেউপ্ৰকাৰে চহকী হৈ পৰিছিল। ইংলণ্ড, ফ্ৰান্স, জাৰ্ম্মাণী প্ৰভৃতি দেশৰ মানুহ মধ্য যুগত বৰ ধাৰ্ম্মিক, নিঃস্বাৰ্থপৰ আৰু সৎ- সাহসী আছিল, সেই যুগত তাৰ মানুহবিলাক পেটে ভাতে খোৱা দুখীয়াহে আছিল। সেই কালতে যেই সেই দেশৰ যি উচ্চ সাহিত্যৰ উদ্ভৱ হৈছিল বৰ্ত্তমান তেনে সাহিত্য নাই। সেই কালত কবি, দাৰ্শনিক আদি সেইবিলাক দেশত যিবিলাক অগাধ পণ্ডিতৰ আবিৰ্ভাৱ হৈছিল এতিয়া তেনে নাই। সেই কালৰ সাহিত্যই ইউৰোপক প্ৰচণ্ড প্ৰতাপী কৰি তুলিলে। আনৰ কথা কেলৈ লাগিছে আজি ৫০০ বছৰৰ আদিতে অসম দেশ যেতিয়া ধনৰ একো ভু নাপাইছিল, তেতিয়া অসম যে বৰ পৰাক্ৰমী দেশ আছিল বুৰঞ্জীয়ে কয়। সেই কালত বহু সাধু পণ্ডিতে জন্ম গ্ৰহণ কৰিছিল, সকলোৰে ভিতৰত ভূঞাৰ পো শ্ৰীশঙ্কৰদেৱ আগৰণুৱা

আছিল। এৰেঁই শ্ৰীদামোদৰদেৱ, ৰাম সৰস্বতী, অনন্ত কন্দলী প্ৰভৃতি পণ্ডিত ব্ৰাহ্মণসকলক লৈ যিটি বৈষ্ণৱ ধৰ্ম্ম সজ্ঘ পতিছিল তাৰ দ্বাৰাই অসমক পশু অৱস্থাৰপৰা মানুহৰ অৱস্থালৈ আনিলে। সেই দিনত অসমীয়া ভাষাৰে অকল বৈষ্ণৱ সাহিত্যইহে প্ৰচাৰ হৈছিল এনে নহয়, সংস্কৃতৰপৰা অনুবাদ কৰি ১৮ খন পুৰাণকে ধৰি গীতা ভাগৱত সমন্বিতে অলেখ পুথি অসমীয়া ভাষাত গদ্য পদ্যৰে প্ৰকাশ হব ধৰিলে। এনে পুথি প্ৰায় নাই যি সংস্কৃতৰপৰা ভাঙনি নোহোৱাকৈ অসমীয়া ভাষাত প্ৰকাশ হোৱা নাছিল। অসমীয়া ভাষাৰ শকত ভেটি যিটি সেই দিনতে থাপনা হল তাকে লৈহে এতিয়া আমি অসমীয়াই জাতীয় গৌৰৱ কৰোঁ। তাৰে পৰা এই মৰা দেশে বৰ্ত্তমান যুগৰ উপযোগী কৰি কোনো সাহিত্য সৃষ্টি কৰিব পৰা নাই। এই সমূহ বিপদৰ পৰা কি প্ৰকাৰে উদ্ধাৰ পাব পাৰি তাৰ বিষয় আমি চিন্তা কৰোঁনে? চিন্তা কৰিলেই নতুন অসমীয়া সাহিত্যৰ সৃষ্টি হব। সাহিত্যই আমাক একতা ডোলেৰে বান্ধিব, আমাৰ উন্নতি অনিবাৰ্য্য হব। ব্যক্তিত্ব এৰি জাতীয়ত্ব নধৰিলে আমাৰ ঘোৰ বিপদ। *

---

"মুকলি মনেৰে দিম মেলি নাওখনি
পিচলৈ নেচাওঁ ঘূনাই।
অনন্তত বই থকা সুৰৰ সোতঁত
নাওখনি যাব ভটিয়াই।"

যতীন দুৱৰা—

---

* *বাঁহী* ১৩শ বছৰ, ১২শ সংখ্যা, ১৮৪৫ শক, চ'ত।

শ্ৰীখগেশ্বৰ গগৈ
২য় বাৰ্ষিক বি, এ

# অসমীয়া ফকৰা-যোজনাৰ চমু জৰিপ

অসমীয়া ভাষাত মুখে মুখে চলি অহা এবিধ কথা সাহিত্য আছে ; ই হৈছে ফকৰা যোজনা । সাহিত্যত ইয়াৰ বিশেষ লিখিত ৰূপ নাই, মাত্ৰ ই নিতৌ ব্যৱহাৰ হোৱা কথাৰ মূৰত কবলগীয়া কথাহে । এই ফকৰা-যোজনা বিলাক ব্যৱহাৰ কৰিলে ভাষাৰ সৌষ্ঠৱ বাঢ়ে আৰু বক্তাৰ কথাবাৰো অৰ্থপূৰ্ণ হৈ পৰে ।

অসমীয়া ভাষাৰ ফকৰা-যোজনাৰদৰে অন্যান্য ভাষাতো কথাৰ মূৰত কবলগীয়া ফকৰা-যোজনা, পটন্তৰ আদি আছে । ই সকলো ভাষাৰে এটা অবিচ্ছেদ্য অলঙ্কাৰ । এনে অলঙ্কাৰে সকলো জাতিৰে নিজৰ ভাষাত নিতৌ ব্যৱহাৰ কৰি কথাৰ গভীৰতা আৰু প্ৰকাশভঙ্গী স্পষ্ট হিচাবে দাঙি ধৰে । অন্যান্য ভাষাৰ ফকৰা যোজনাৰ বহল ব্যৱহাৰৰ দৰে আমাৰ অসমীয়া সমাজতো যে অসমীয়া ভাষাৰ ফকৰা-যোজনাৰ ব্যৱহাৰ আছে আৰু লগতে আমাৰ ভাষাৰো অবিচ্ছেদ্য অংশ হিচাবে সৌষ্ঠৱ বঢ়াইছে, ইয়াক কেতিয়াও আমি নুই কৰিব নোৱাৰো । আমাৰ বহুতে এই পুৰণি ফকৰা-যোজনাক কথিত পটন্তৰ বুলিয়েই বিশ্বাস কৰিবলৈ টান পায় ; আৰু বৰ্ত্তমান ভাষা-সাহিত্যতো ইয়াৰ স্থান নাইকীয়া হৈ পৰিছে । অসমীয়া ফকৰা-যোজনাত যে সম্পূৰ্ণ পুৰণিয়েই বা নতুনেই এটা বিশেষ গুঢ় অৰ্থ সোমাই থাকে তাৰে উদাহৰণ স্বৰূপে কেইটিমান নিতৌ অসমীয়া জন সমাজত চলি অহা ফকৰা-যোজনাৰ চমু আলোচনা দাঙি ধৰা হ'ল ।

"দুখৰ উপৰি দুখ ; কুকুৰে কামোৰে
ছৰালে দলিয়াই, ক'তো নিমিলে সুখ ॥"

এই যোজনাটিৰ থুল-মুল অৰ্থ হৈছে এয়ে যে কোনো সাধাৰণ নিঠৰুৱা লোক হলে সকলোৱে তাক লেই-লেই, চেই-চেই কৰে । তেনেলোকক কুকুৰে যে কামোৰেই, ছৰালেও অৰ্থাৎ লৰাইও অৱমাননা কৰে । আৰু ক'তো সুখৰ ঠাই বিচাৰি নাপায় । ঠিক এই যোজনাটিৰ সুৰৰ আৰু যোজনা আছে যেনে :—

"কাক কম কোনে পতিয়াব ?
যেয়ে শুনিব সেয়ে লঠিয়াব ।"

"গছৰ কঠাল, ওঁঠত তেল,
নৌ খাওঁ তই চেল বেল।"

অর্থাৎ,— কোনো লোকে গছত লাগি থকা কঠাল খাবলৈ ওঁঠত তেল সানি লয়, কিন্তু কথাপাতি চেলবেল ই কঠাল গোৱা সময় অবাবত কটাই দিয়ে। এই কথাৰ দ্বাৰা ইয়াকে বুজাইছে যে কোনো সৰু কাম কৰিবলৈ হলে আমাৰ মানুহে মনতে জল্পনা-কল্পনা কৰে কিন্তু তাক উচিত সময়ত সমাধা কৰাতকৈ মিছা আলোচনাতেই সময়ৰ সীমা চেৰাই যায়।

"জেওঁৰা বেৰাদি বেঢ়ো
এই কথাষাৰি নোকোৰা মানে,
ৰাতি পুৱালৈকে নেৰো।

আমাৰ জন সমাজত কিছুমান নেৰানেপেৰা-লোক দেখা যায়। তেওঁলোকে কোনো কামেই বা কোনো মানুহৰ পৰা গুপুত কথা উলিয়াবলৈ হলে নেৰানেপেৰাকৈ ধৰে। উক্ত যোজনাটিয়ে ইয়াকে থুল মূল অর্থ ক.ৰ।

"বেটীয়ে ভাঙিলে কতঁৰা।
গড়গাওঁ পালেগৈ বতৰা॥"

অর্থাৎ,— জীয়েকে যদি ঢেঁকীৰ কঁতৰা ভাঙে তেতিয়া তাৰ বতৰা সুদূৰ গড়গাওঁ নামৰ ঠাই পায়গৈ। সাধাৰণ এটি কথাকে বহুদূৰলৈকে জনাজাত হোৱা।

"ছকুৰি ৰূপৰ ধাৰ,
তেও নেখায় পচলাৰ খাৰ।"

এই যোজনাটি আমাৰ সাধাৰণ দুখীয়া শ্রেণীৰ মানুহৰ ওপৰত খাটে। সাধাৰণতে দুখীয়া মানুহৰ ছকুৰি ৰূপ অর্থাৎ বহুত টকাৰ ধাৰ থাকিলেও সাধাৰণ পচলা শাকেৰে খাৰ নেখায়। বৰঞ্চ মাছ মাংস আদি ভাল বস্তুহে খাব। এনেবিলাক দৰিদ্রতাৰ লক্ষণ আমাৰ সমাজত প্ৰায়েই দেখা যায়। দুখীয়া বুলিও অধিক খৰচ কৰিবলৈ নেৰে। ধনীলোকৰ সৈতে সমানে নিজৰ আর্থিক সমর্থতা দেখুওৱাটো দুখীয়া সমাজতো দেখা যায়। দুখীয়া বুলিও অধিক খৰচ কৰিবলৈ নেৰে। ধনীলোকৰ সৈতে সমানে নিজৰ আর্থিক সমর্থতা দেখুওৱাটো দুখীয়া সমাজতো দেখা যায়। এই যোজনাটিৰ দৰে একে সুৰৰ অর্থ কথা অন্য কেইটিমান যোজনা আমি শুনিবলৈ পাওঁ যেনেঃ—

"দেখাক দেখি কুকুৰেও কৰে একাদশী।"

০ ০ ০

"গাত নাই ছাল বাকলি,
মদ খাই তিন টেকেলি।"

০ ০ ০

"হাতত নাই কণ। বৰ সবাহলৈ মন।"

০ ০ ০

"অলপ অর্জ্জন বিস্তৰ ভোজন
সেই পুৰুষৰ দৰিদ্ৰ লক্ষণ।" ইত্যাদি

০ ০ ০

"শালক শিঙিয়ে হাঁহে।
এয়ো একাজী ময়ো একাজী
ভালেতো গৰাকী নাহে॥"

অর্থাৎ,— এই যোজনাটিত থকা শালক শিঙিয়ে হাঁহে মানে শ্রেষ্ঠ লোকে সাধাৰণলোকক ঠাট্টা মস্কৰা, ঘৃণা আদি কৰা বুজাইছে। কিন্তু শ্রেষ্ঠ লোকে সাধাৰণ লোকক ঠাট্টা মস্কৰা আদি কৰে যদিও শ্রেষ্ঠ লোকৰা বহুতো আঁসোৱাহ হাতে হাতে ধৰা পৰে আৰু

সিহঁতো সমাজত অলায়ক হৈ পৰে। আৰু 'তয়ো একাজী ময়ো একাজী' কথাষাৰিৰ পৰা আমি সাধাৰণতে তিৰোতা সমাজৰ পৰাই জানিব পাৰো যে ইজনীয়ে সিজনীক একাজী অৰ্থাৎ কাম কাজ কৰিব নজনা এলাই জাবৰি বুলি হাঁহে। কিন্তু সৰ্ব্বসাধাৰণৰ চকুত কাজীৰ কাজী গুণ দেখা নিদিয়াত পুৰুষৰ সৈতে বিবাহৰ কাৰণে কাজী একাজী কোনোজনীয়েই যোগ্য নহয়। সেয়েহে ছোৱালী বিলাকৰ মাজতে প্ৰচলিত "তয়ো একাজী ময়ো একাজী ভালেতো গৰাকী নাহে" বোলা যোজনাটি আমি সৰ্ব্বসাধাৰণে জানিবলৈ পাওঁ।

"খাবলৈ নোহোৱাৰ পেট ডাঙৰ।
পিন্ধিবলৈ নোহোৱাৰ ককাল ডাঙৰ"

অৰ্থাৎ — এই যোজনাটিৰ পৰা আমি থূল মূল হিচাপে ইয়াকে বজো যে খাবলৈ নোহোৱা ছাল ছিগা ভিকহুৰ খাৱন বেছি। বেছি খায়, কিন্তু সেই অনুপাতে খাবলৈ নাপায় আৰু গাৰ কোনো অঙ্গ ডাঙৰ হোৱা বাবে গাৰ জোখত পিন্ধিবলৈও কাপোৰ নোপোৱা হয়। তাৰমানে তৃথীয়াবহে ভুখ বা অভাৱ আদিয়ে চাৰিওফালে বেৰি ধৰা দেখা যায়।

'অতি ভক্তি চোৰৰ লক্ষণ।"

জনসাধাৰণৰ বিশ্বাস যে, যি মানুহে নিয়মিত ভক্তিতকৈ বেছি ভক্তি দেখুৱায়, সেই মানুহৰ শৰীৰত চোৰৰ লক্ষণ থাকে। অৰ্থাৎ সেই মানুহ প্ৰকৃততে দুষ্ট স্বভাৱযুক্ত। এতেকে অতি ভাল বুজালে প্ৰকৃততে দুষ্ট স্বভাৱযুক্ত হোৱা বুজায়।

"মাউথে উটিলে গুড়ি পৰুৱাৰো মৰণ নাই।"

মাউথে উটা মানে হৈছে একগোট হৈ থুপ বান্ধি পানীত উটি যোৱা। গুৰি পৰুৱা সাধাৰণ প্ৰাণী। ইহঁতে থুপ বান্ধি একগোট হৈ দ' পানীত ওপঙি ফুৰি নিজৰ নিজৰ প্ৰাণ ৰক্ষা কৰে। ঠিক তেনেকৈ মানুহেও এক গোট হৈ আগন্তুক বিপদৰ পৰা ৰক্ষা পাব পাৰে আৰু অন্যান্য মহান কাৰ্য্য সাধনতো সুবিধা হয়। কিন্তু গাইগুটিয়াভাৱে মহান কাৰ্য্য সাধন কৰিব নোৱাৰি; আনকি নিজক বিপদৰ পৰা ৰক্ষা কৰাও টান হৈ পৰে। সেয়েহে কয়;

০ ০ ০

"ৰাইজে নথ জোকাৰিলে নৈ বয়।" ইত্যাদি

০ ০ ০

"গৰু চাবা গধূলি, বোৱা চাবা পুৱা।
জাকৈ বাওঁতে ছোৱালী চাবা,
কোন কেনেকুৱা।"

এই পটন্তৰটিৰ পৰা আমি সঠিক ফল দেখা পাওঁ। কাৰণ দিনৰ দিনটো চৰি অহা গৰু গধূলি সময়ত বান্ধি থোৱা হয় আৰু এই সময়ত গৰুৰ চেহেৰা চাই ভাল বেয়া বাছিব পৰা হয়। সেইদৰেই ৰাতিপুৱা মুকলি মূৰে ৰতাহত হালি-জালি থকা পথাৰৰ বোৱা দেখিও বোৱাৰ ভাল বেয়াৰ চিন ধৰা পৰে। ঠিক তেনেকৈ জাকৈ বাই থকা অৱস্থাতো ছোৱালী চালে ছোৱালীৰ কোনো কামৰ ক্ষীপ্ৰতা গুণ আৰু তাৰ লগতে সজ-অসজ গুণ আৰু দেহৰ গঠন আদি ভালদৰে নীৰিক্ষণ কৰিব পৰা হয় বুলি আদিৰে পৰা বুঢ়া মেথাৰ মুখে মুখে চলি আহিছে।

এইদৰে আমাৰ অসমীয়া চিৰ প্ৰচলিত ফকৰা-যোজনা অনেক পাইছো। এই প্ৰতিটি

ফকৰা-যোজনাই মানবীয় জীৱন বোধৰ ৰূপকেই নহয়, অথবা কোনো এখন দেশৰ বিশেষ সমাজৰ ৰূপকেই নহয়, ই সমগ্র মানবীয় চিন্তাধাৰা. জীৱন প্রস্তুতিৰো ৰূপক ; সুখ দুখ, হৰ্ষ, বিষাদ, মানৱৰ আচাৰ-নীতি, কলা-কৌশল আদি সকলোৰে অর্থব্যঞ্জক ভাবে অতি পুৰণি কালৰে পৰা মুখ বাগৰি চলি অহা প্রত্যেক ভাষাৰ অলঙ্কাৰ স্বৰূপ । এই ফকৰা-যোজনাত সাধাৰণ ঘটিৰাম বাতিৰামৰ পৰা আৰম্ভ কৰি ৰজা-মহাৰজা আদিলৈকে সকলোৰে সমজুৱা, ব্যক্তিগত চৰিত্র, কোনো পৰিবেশ আদিৰ কথা ছবিৰ দৰে সার্থকভাবে ফুটি উঠে । মুঠতে ফকৰা-যোজনাই কোনো এখন সমাজৰ জীৱন-যাত্রা নীতি-নিয়ম, অর্থনৈতিক অৱস্থা, আহি-আদর্শ; আশা-আকাঙ্খা, উন্নতি-অৱনতি আদি সকলোকে একগোট কৰি সামৰি লোৱা দেখা যায় । প্রত্যেক ভাষাতে ফকৰা-যোজনা আছে যদিও ই প্রতিটো ভাষাৰে জাতিৰ নিজ নিজ বৈশিষ্ট্য ফট ফটিয়াকৈ দাঙি ধৰা দেখা নাযায় । নাট্য সাহিত্য, গল্প সাহিত্য, কবিতা আদিত যেনেকৈ অন্য ভাষা আৰু জাতিৰ আচাৰ নীতিৰ বৈশিষ্ট্য-মূলক প্রভাৱ পৰে তেনেকৈ ফকৰা-যোজনাত অন্য ভাষা আৰু জাতিৰ কোনো প্রভাৱ পোনপটীয়া হিচাপে পৰা দেখা নাযায় । অন্যান্য ভাষাৰ ফকৰা-যোজনাৰদৰে আমাৰ অসমীয়া ভাষাৰ ফকৰা-যোজনাও অসমীয়া ভাষা পূর্ণাঙ্গ-ৰূপে সৃষ্টি হোৱাৰে পৰা যুগ যুগ ধৰি চলি অহা কথাৰ মূৰত কবলগীয়া কথা মাথোন ।

যেইকি নহওক ফকৰা-যোজনাত থকা আচল অর্থটো জনা নাযায় যদিও, প্রতিটো শব্দৰ অৰ্থ জানিলেই আচল অর্থটো ফঁহিয়াই উলিয়াব পাৰি । পুৰণি ফকৰা-যোজনাবিলাকত থকা পুৰণি নিয়ম কানুনৰ কথাও বৰ্ত্তমান মানৱ সমাজে মানি চলাটো বাঞ্ছনীয় । ই মানৱ সমাজৰ কৰ্ত্তব্যত ভাষাৰ ইঙ্গিত স্বৰূপ ।

—০)(০—

"জ্ঞানপিপাসু আৰু সাধনাৰত লোকক কোনো বাহ্যিক দুখ-কষ্ট বা অভাৱ-অনাটনৰ চিন্তাই বিচলিত কৰিব নোৱাৰে ।"

—অতি মানৱ

শ্ৰীকৃষ্ণ গোপাল দাস (প্ৰাক্তন ছাত্ৰ)

# শৰত, বসন্ত আৰু ইতিহাস

প্ৰাকৃতিক পৰিবৰ্ত্তন তথা অৱস্থা অনুযায়ী এটা পূৰ্ণ বছৰক ছয়টা ঋতুৰে বিভক্ত কৰা হৈছে; আৰু এই ছয় ঋতুৰ প্ৰত্যেকৰে নিজস্ব বৈশিষ্ট্য ইয়াত সন্নিবিষ্ট কৰা হৈছে। এই ছয় ঋতু হৈছে যথাক্ৰমে গ্ৰীষ্ম, বৰ্ষা, শৰত, হেমন্ত, শীত আৰু বসন্ত। প্ৰভাৱ গুণাগুণৰ ফালৰ পৰা চালে দেখা যায় যে বসন্ত আৰু গ্ৰীষ্ম ঋতু সমসাময়িক আৰু একে গোষ্ঠীৰ; মাথো দুই এটা সৰুসুৰা ব্যৱধানেৰে এই দুই ঋতুক পাৰ্থক্য কৰি দেখুওৱা হয়। ঠিক সেইদৰে শৰত আৰু শীতকো আমি একে গোত্ৰতে পেলাব পাৰো। ঋতুৰ ভিতৰত প্ৰকৃততে হেমন্ত ঋতুৰ প্ৰভাৱ খুউব কম দেখা যায়। অৱশ্যে এই হিমঋতুৰ মূল্য নোহোৱা নহয়। আমাৰ আলোচ্য বিষয় হল বসন্ত আৰু শৰত ঋতুৱে ইতিহাস ৰচনাত কিমান ইন্ধন যোগাইছে তাকে চমুৱাই চোৱা। দৰাচলতে ইতিহাসতকৈ সাহিত্য আৰু কলাৰ ক্ষেত্ৰত এই দুই ঋতুৰ স্থান অতি বিশিষ্টপূৰ্ণ। সাহিত্য আৰু সৌন্দৰ্য্যৰ ফালৰ পৰা বসন্ত ঋতুক ঋতুৰাজ নামেৰে অভিহিত কৰা হৈছে। বসন্তৰ জৰিয়তে পৃথিবীৰ বহুতো আপুৰুগীয়া সাহিত্য সৃষ্টি হোৱা আমি দেখা পাওঁ। পুৰাতন ভাৰতৰ কাব্য সাহিত্য মেলি চালে দেখা পাম যে বসন্তই বহুতো স্থান আৱৰি ৰাখিছে। কালিদাসৰ সৃষ্টিত আমি বসন্তৰ সুকীয়া ৰূপ দেখা পাওঁ। ভাৰতীয় সঙ্গীত কলাতো বসন্তৰ প্ৰাদুৰ্ভাৱ লক্ষ্য কৰিবলগীয়া। সেইদৰে শৰতৰ ক্ষেত্ৰতো আমি একে কথাকে কব পাৰো। পৌৰানিক সাহিত্যৰ বেছিভাগেই আছিল প্ৰাকৃতিক সম্ভাৰেৰে ভৰা। এনে সাহিত্যত বস্তুবাদী ৰূপটো তেনেই অনুজ্জ্বল; আৰু প্ৰকৃতিগত সাহিত্য হোৱাৰ বাবেই এনে সাহিত্যই প্ৰাকৃতিক জগতখনৰ প্ৰতি বেছি সজাগ হোৱাটো সহজবোধ্য। পৌৰাণিক সাহিত্যত

বসন্ত আৰু শৰতৰ সৌন্দৰ্য্যত কবি শিল্পীসকল আনন্দত আত্মহাৰা হৈছিল ; আৰু তেওঁলোকৰ মন নিগৰি ওলাইছিল – যুগমীয়া স্বাক্ষৰ সাহিত্যৰ সম্ভাৰ। সেইদৰে শৰতৰ স্নিগ্ধ আকাশৰ তলত আছিল আলেখ সাহিত্য, সঙ্গীত, ক'লাৰ ঐশ্বৰ্য্য।

বসন্ত আৰু শৰত কালৰ সময়—নিৰ্দ্ধাৰণ ঠাই বিশেষে ব্যতিক্ৰম দেখা যায়। গ্ৰীষ্ম মণ্ডলত সাধাৰণতে বসন্তকাল ধৰা হয়, ফাগুন চ'ত আৰু বহাগ মাহত অৰ্থাৎ ইংৰাজী মাহৰ জানুৱাৰী, ফেব্ৰুৱাৰী মাৰ্চ্চ আৰু এপ্ৰিল। কিন্তু শীত মণ্ডলত বা তেনে দেশবোৰত বসন্ত কাল মাৰ্চ্চ মাহৰ পৰা জুন মাহৰ ভিতৰত আৰু মে' মাহ বা জেঠ আহাৰ মহীয়াৰ দোমোজাত বসন্তকালে ভৰপক দিয়ে। আৰু সেই বাবেই হয়তো পশ্চিমৰ শীত অঞ্চলৰ দেশ বোৰত মে' উৎসৱৰ দৰে উৎসৱৰ আয়োজন হয়। এনে মতানৈক্য হোৱাৰ কাৰণ জনাযায় আৰু ভৌগোলিক অৱস্থিতি বুলি কব পাৰি। অসম বঙ্গ আৰু উৰিষ্যাৰ পূৰ্ব্ব ভাৰতীয় দেশবোৰত শৰতকাল হৈছে ভাদ আৰু আহিন মাহত আৰু এনে হোৱাৰ কাৰণ হিমালয় আৰু বঙ্গোপসাগৰৰ যৌথ প্ৰভাৱ। আনহাতে দক্ষিণ আৰু পশ্চিমাঞ্চলৰ অঞ্চল বোৰত আহিন কাতি মাহক শৰতকাল হিচাবে গণ্য কৰা হয়। অমৰসিংহৰ মতে প্ৰকৃততে চ'ত আৰু বহাগ মাহ বসন্তকালত আৰু আহিন কাতি মাহ শৰতকালত পৰে। পৃথিবীৰ বয়সৰ লগে লগে আজিকালি ঋতুবিলাকৰো 'কালভেদ' হোৱা যেন অনুমান কৰা হৈছে। শঙ্কৰদেৱৰ লিখনিতো আহিন কাতিমাহতে শৰতকাল বুলি ঠাৱৰ কৰা হৈছে। পৌৰাণিক গণনা আৰু পুথি পাজিৰ গণনাক অতিক্ৰমি আজিকালিৰ ঋতুবিলাকৰ লক্ষণৰ পৰা পূৰ্ব্বৰ আৰু বৰ্ত্তমান মাজত সময়ৰ তাৰতম্য হোৱাটো একো আচৰিত কথা নহয়। সি যিকি নহওক, গ্ৰাগৰীৰ পঞ্জিকা অনুযায়ী আগষ্ট, চেপ্তেম্বৰ, অক্টোবৰ, নৱেম্বৰ এই চাৰিমাহ ব্যাপি শৰত আৰু ফেব্ৰুৱাৰী, মাৰ্চ্চ এপ্ৰিল, মে' এই চাৰিমাহ ব্যাপি এপ্ৰিল বুলি ধৰিলেই সাধাৰণতে সময় বিষয়ত আমাৰ সমস্যাৰ ওৰ পৰে।

সাহিত্য, ক'লা, সঙ্গীতৰ বাদেও ইতিহাস ৰচনাত শৰত আৰু বসন্তৰ প্ৰভাৱ মন কৰিবলগীয়া। অৱশ্যে এই ক্ষেত্ৰত অন্য ঋতুবোৰক বাদদিলে হয়তো বুৰঞ্জী আধাৰুৱা হৈ থাকিব। তথাপিও শৰত আৰু বসন্ত ঋতুতে বেছি ইতিহাস ৰচনা কৰা হৈছে বুলি ডাঠি কব পৰা যাব যদিহে আমি অলপ গমি পিতি বুৰঞ্জী অধ্যয়ন কৰো। অসম বা ভাৰত কিয় পৃথিবীৰ বুৰঞ্জীয়ে ইয়াৰ সাক্ষী দিব। অৱশ্যে যদি শৰত আৰু বসন্তকে ইতিহাসৰ সমল বুলি ধৰো তেন্তে দেখিম বিশ্ব ইতিহাসৰ বহুতো পাত শূন্য হৈ আছে। আমি মাথো শৰত আৰু বসন্তৰ মাধ্যমেহে বুৰঞ্জীৰ পম খেদিম। অন্যান্য দেশৰ বুৰঞ্জীও ঋতুৱে কেনেভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে তাক পুংখানুপুংখভাৱে নেজানিলেও ভাৰতৰ প্ৰাচীন সাহিত্য বোৰত ইয়াৰ কিছু ইঙ্গিত পোৱা যায়। কাব্য সাহিত্যবোৰত দেখিবলৈ পাওঁ যে শৰতৰ শুকুলা মেঘ যেতিয়া গগনে গগনে পৱনে পৱনে দেশে বিদেশে ভ্ৰমি

ফুৰে সেই সময়তে ভাৰতৰ ৰজা সকলৰ মনত দেশ জয়ৰ বাসনা জাগ্ৰত হয় আৰু ৰজাসকল দেশ জয়ৰ বাবে যাত্ৰা কৰে দূৰ দূৰনিলৈ। এনে ঋতুত ৰজাসকলে দেশ বিদেশ জয় কৰি ইতিহাসৰ পাতত নতুন সমল যোগায়। আধুনিক সমৰ বিজ্ঞানী সকলেও এই দুই ঋতুকে যুদ্ধৰ অনুকূল বতৰ বুলি বিবেচনা কৰে তাৰ মূলতে হল বতৰ আৰু জলবায়ুৰ অৱস্থা। সাধাৰণ দুই এটা উদাহৰণ আমি ভাৰতৰ ভূমিতে দেখিবলৈ পাওঁ; যেনে চীনৰ ভাৰত আক্ৰমন হৈছিল শৰত কালৰ আৰম্ভনীত। বসন্ত কালতে পাকিস্থানে ভাৰত আক্ৰমন আৰম্ভ কৰিছিল। সেইদৰে কোৰিয়া যুদ্ধও শৰতকালত আৰম্ভ হৈছিল স্মৃতিপুৰাণকাৰ সকলেও শৰত আৰু বসন্ত ঋতুক সমৰ-ঋতু বুলি আখ্যা দিছে। ৰামায়ণ মহাকাব্যত পোৱা যায় যে অকাল-বোধনৰ পাছত অযোধ্যাৰ ৰজা ৰামচন্দ্ৰই লঙ্কাৰ ৰজা ৰাৱনক পৰাজয় কৰিছিল শৰত কালত। মনুৰ নিৰ্দ্দেশমতে মাৰ্গশীৰ মাহত বা আঘোণ মাহত যদি যুদ্ধ কৰা হয় তেন্তে খাদ্যবস্তুৰ অভাৱৰ পৰা ৰক্ষা পোৱা যায়—। ফাগুণ চ'ত মাহতো যুদ্ধ অভিযান কৰা ফলপ্ৰসূ।

ভাৰত বুৰঞ্জীৰ কেতবোৰ উল্লেখযোগ্য ঘটনা শৰত আৰু বসন্ত কালত সংঘটিত হোৱা দেখিবলৈ পোৱা যায়। ভাস্কোদিগামাৰ ভাৰত পদাৰ্পণ হয় ১৪৯৮ খৃষ্টাব্দৰ বসন্ত কালত। তেওঁৰ সমুদ্ৰ অভিযানৰ দলটোৱে যদিও প্ৰথমতে পশ্চিম ভাৰতত পদাৰ্পণ কৰিছিল তথাপিও প্ৰকৃততে তেওঁলোকে এইখনেই ভাৰত বুলি কলিকতা বন্দৰত ছেউনী পতাৰ পাছতহে জানিব পাৰিছিল। তেওঁলোকে প্ৰথম কলিকতা বন্দৰত পদাৰ্পণ কৰে ১৪৯৮ খৃষ্টাব্দৰ মে' মাহত। ১৪৯৮ খৃষ্টাব্দৰ ২ বছৰৰ পাছতে পঞ্চদশ শতাব্দিৰ সমাপ্ত হয়। ইয়াৰ পাছত ষষ্ঠদশ শতাব্দিৰ ১৫২৬ চনত ২১ এপ্ৰিল বসন্তকালত বাবৰৰ দ্বাৰা পানিপথৰ প্ৰথম যুদ্ধত জয়লাভ কৰি দিল্লীত মোগল সিংহাসন স্থাপন কৰা হৈছিল। তাৰ পৰৱৰ্ত্তী বছৰত ১৫২৩ খৃষ্টাব্দত বাবৰৰ হাতত খানুৱাৰ যুদ্ধত ১৬ মাৰ্চ্চৰ দিনা ৰাজপুত সকলে হাৰ মানিলে। ১৫২৯ খৃষ্টাব্দৰ বসন্ত কালতে আফগান সকলো বাবৰৰ হাতত পৰাস্ত হয়। অন্যহাতে এনে এটা বসন্ত ঋতুতে ১৫৪০ খৃষ্টাব্দত হুমায়ুনে (বাবৰৰ পুত্ৰ) চেৰচাহৰ হাতত কনৌজৰ যুদ্ধত আত্মসমৰ্পন কৰে। সেই একে বছৰতে হুমায়ুনে ৰাজ্য এৰি পলাই যায়। ১৫৫৬ চনৰ ১৪ ফেব্ৰুৱাৰীৰ দিনা (বসন্ত ঋতুৰ আৰম্ভনিতে) মহান আকবৰক পাটত বহুওৱা হয় আৰু সেই বছৰৰে শৰত কালৰ নৱেম্বৰ মাহত পানিপথৰ ২য় যুদ্ধত আকবৰে দিল্লীৰ সিংহাসন পুনৰ উদ্ধাৰ কৰে। সিদিনা আছিল ৯ নৱেম্বৰ। মোগল সাম্ৰাজ্যৰ পতনৰ আৰম্ভ হয় ১৭৬৯ চনৰ মাৰ্চ্চমাহত আৰম্ভ হোৱা নাদিৰশ্বাহৰ দিল্লী আক্ৰমনৰ পৰাই।

কেৱল যুদ্ধবিগ্ৰহেই ইতিহাসৰ সমল নহয়, আজিৰ যুগৰ কেতবোৰ উল্লেখযোগ্য ঘটনা আৰু আবিস্কাৰো বুৰঞ্জীৰ অঙ্গ। আৰু আজিকালিৰ যুদ্ধ বিগ্ৰহবোৰো আগৰ দৰে চতুৰঙ্গবাহিনীৰ পৰিচালনাৰে নহয়। আজিৰ যুদ্ধবোৰ হয় আকাশ মাটি আৰু পানীৰ একেখন যুদ্ধক্ষেত্ৰই পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈকে ঘেৰি থাকিব

পাৰে। এনে যুদ্ধৰ উপৰিও কাগজ কলমৰ যুদ্ধ, বাকবিতৰ্কৰ যুদ্ধ আৰু অসহযোগৰ জৰিয়তে যুদ্ধ কৰা হয়। সন্ধি, সন্মিলন আৰু চুক্তি আজিৰ পৃথিৱীৰ এৰিব নোৱাৰা সমল। শান্তিৰ বাবে হাবাথুৰি খোৱা পৃথিৱীত এইবোৰ এপাত এপাত আপুৰুগীয়া অস্ত্ৰ। বিশ্বইতিহাসৰ উনবিংশ শতাব্দি আৰু বিংশশতাব্দিৰ শেষৰ কালে যুদ্ধ যিমান হৈছে তাৰ সমান স্থান অধিকাৰ কৰিছে চুক্তি আৰু শান্তি সন্মিলনবোৰে।

ইংৰাজ আমোলৰ ভাৰতৰ প্ৰথম ৰাজধানী কলিকতাত ১৬৯৮ চনৰ আগষ্ট মাহত প্ৰথম ইষ্ট ইণ্ডিয়া কোম্পানীৰ ফেক্টৰি স্থাপন হয়। ১৮৮৬ খৃষ্টাব্দত কলিকতা চহৰ প্ৰথম আৱিস্কাৰ হৈছিল। ভাৰতৰ ইতিহাসৰ এটি স্মৰণীয় দিন হৈছে ১৭৬৫ চনৰ ১২ আগষ্ট; সিদিনা কলিকতাত থকা সম্ৰাট শ্বাহ আলমে বঙ্গ বিহাৰ উৰিস্যাৰ দেৱানী অধিকাৰ আইন খন ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতত উপগাৰ স্বৰূপে প্ৰদান কৰে আৰু ইয়ে আছিল ভাৰতৰ মাটিত প্ৰথম বিদেশী জমিদাৰী প্ৰাপ্তি। ১৭৯৯ চনৰ ৪ মে, তাৰিখে শ্ৰীৰঙ্গপঞ্চমৰ পতনৰ ফলস্বৰূপে মহীশূৰৰ স্বাধীন চুলতানি ৰাষ্ট্ৰ বিলুপ্ত হয়। ১৮১৮ চনৰ ২০ ফেব্ৰুৱাৰীত মাৰাঠা ৰাষ্ট্ৰপঞ্চকৰ নেতা পেচুৱা আখাতবে ইংৰাজৰ হাতত শাৰমানি আত্মসমৰ্পন কৰে। ১৮৪৯ চনৰ ২১ ফেব্ৰুৱাৰীত গুজৰাটৰ যুদ্ধত শিখসকলৰ চৰম পৰাজয়ৰ ফলস্বৰূপে ইংৰাজে শিখ ৰাজ্য নিজৰ দখললৈ নিয়ে। ১৮৪৯ চনৰ ৩০ মাৰ্চত সমগ্ৰ পঞ্জাব ৰাজ্য ইংৰাজৰ পদানত হয়।

ভাৰত তথা পৃথিৱীৰ নিস্পেষিত জনতাৰ প্ৰথম আন্দোলন ৰূপে চিৰযুগমীয়া হৈ থকা ১৮৫৭ চনৰ ইতিহাস প্ৰসিদ্ধ দিনটো আছিল ২৯ মাৰ্চ। সিদিনা কলিকতাৰ কাষৰ বেৰেকপুৰত প্ৰথম চিপাহী বিদ্ৰোহৰ সূত্ৰপাত হয়। আৰু এই বিদ্ৰোহেই আছিল ইংৰাজ শাসনৰ বিৰুদ্ধে ভাৰতৰ প্ৰথম বিদ্ৰোহ। ১৮৫৭ চনৰে ১০ মে' তাৰিখে মিৰাটত ইংৰাজৰ বিৰুদ্ধে প্ৰথম গণবিপ্লৱে দেখা দিয়ে। ১৮৬৭ চনৰ ১৪ এপ্ৰিলৰ দিনাখন হিন্দুমেলা বা চৈত্ৰমেলা বহিছিল— এই মেলাৰ অন্তৰালত লুকাই আছিল— আত্মনিৰ্ভৰশীল ভাৰত গঢ়ি তোলাৰ অমোঘ মন্ত্ৰ। কুৰিশতিকাৰ আৰম্ভনীতে ১৯০৫ চনৰ ১৬ অক্টোবৰত বঙ্গ ভঙ্গ হয়। সিদিনাখন প্ৰথম বিদেশী বিলাতী কাপোৰ বৰ্জন কৰি বঙ্গ বাসী ৰাইজে স্বদেশী মন্ত্ৰ গ্ৰহণ কৰে। প্ৰথমবাৰৰ বাবে ১৯১৯ চনৰ ৬ এপ্ৰিলত গান্ধীজীৰ নেতৃত্বত ভাৰতত প্ৰথম সম্পূৰ্ণ ভাৰত হৰতাল পালন কৰা হয়। আৰু ইয়ে আছিল ভাৰতৰ মাটিত প্ৰথম অহিংসা আন্দোলন। ১৯৩০ চনৰ ৬ এপ্ৰিলত ডাণ্ডিত বিখ্যাত লোণ আইন অমান্য আন্দোলন আৰম্ভ কৰে গান্ধীজীয়ে। ১৯৪২ চনৰ ২১ আগষ্টৰ পৰা ভাৰতৰ বুকুত অসহযোগ আৰু ভাৰত ত্যাগ আন্দোলন আৰম্ভ হয়। আৰু ভাৰত বুৰঞ্জীৰ কালিমা স্বৰূপ দ্বিজাতিতত্বৰ প্ৰত্যক্ষ আন্দোলন আৰম্ভ কৰে মুছলীম লীগে ১৯৪৬ চনৰ ১৬ আগষ্টৰ পৰা। এই আন্দোলনে দাবী কৰে যে We want separate homelands for muslims, ১৯৪৭ চনৰ ১৪ আগষ্টত পাকিস্থানৰ জন্ম হয়; আৰু ১৫ আগষ্টত বিভক্ত ভাৰতৰ স্বাধীনতা ঘোষণা কৰে Indian dominion states.

কিন্তু ইতিহাসৰ জালিকটা সুকুঙাইদি ভুমুকি মাৰিলেও আমি শৰৎ আৰু বসন্তৰ প্ৰাদুৰ্ভাৱ দেখা পাওঁ— । ১৫২৭ চনৰ ১ নভেম্বৰত মাৰ্টিন লুথাৰে কেথলিক ধৰ্ম্মানুষ্ঠান-বোৰৰ অনাচাৰৰ বিৰুদ্ধে ৯৫ দফা প্ৰতিবাদ পত্ৰ উইনটনবাৰ্গ গীৰ্জ্জাৰ সন্মুখত আৰি দিছিল। আৰু ইয়াৰ পৰাই আৰম্ভ হৈছিল খৃষ্টান ধৰ্ম্মৰ প্ৰতিবাদী ধৰ্ম্মৰ নতুন বিপ্লৱ। ১৫৩৭ চনৰ ৩ নৱেম্বৰত অষ্টম হেনৰিয়ে ইংলণ্ডৰ ধৰ্ম্মৰ কাৰ্য্যবোৰত পোপৰ কতৃত্বৰ অৱসান ঘটাই আৰু নিজকে গীৰ্জ্জাৰ অধিকৰ্ত্তা বুলি ঘোষণা কৰে। ৩০ বছৰ দৈৰ্ঘ্য ম্যাদিৰ ধৰ্ম্মযুদ্ধৰ সমাপ্ত হৈছিল ১৬৫৮ চনৰ ২৪ অক্টোবৰত। এম্ পাণ্ডেস্কীয়ে কৈছিল যে "The crime of Poland's partition was the cause of the great war" আৰু সেয়ে যদি হয় তেন্তে আমি দেখা পাওঁ যে প্ৰধানমন্ত্ৰী পাণ্ডেস্কীয়ে ১৭৯৫ চনৰ অক্টোবৰ মাহত হোৱা পুৰ্শিয়া, ৰাশিয়া আৰু অষ্ট্ৰিয়া বিভাজনৰ কথাকে ইঙ্গিত দিয়ে। ১৭১৩ চনৰ ১১ এপ্ৰিলৰ ইউট্ৰেক্টৰ সন্ধিত ফৰাছী সম্ৰাট ৪ৰ্থ লুইয়ে তেওঁৰ মইমতালি মনোভাব ত্যাগ কৰিবলগীয়া হৈছিল।

১৬৬৩ চনৰ পেৰিচৰ সন্ধিমতে সুদীৰ্ঘ সাতবছৰৰ পাছত ইংলণ্ডৰ উপনিবেশ প্ৰধান্য ইউৰোপে স্বীকাৰ কৰিবলৈ বাধ্য হয়। আমেৰিকাৰ দৰে বৰ্ত্তমান পৃথিবীত শক্তিশালী ৰাষ্ট্ৰ-এখনৰো ইতিহাসত শৰত আৰু বসন্তৰ প্ৰভাৱ মন কৰিবলগীয়া। American war of independence বা আমেৰিকাৰ মুক্তিযুদ্ধ আৰম্ভ ১৭৭৫ চনৰ ১৯ এপ্ৰিলৰ পৰা লেক্সিংটন যুদ্ধক্ষেত্ৰত। ১৭৮৩ চনৰ ৩ চেপ্তেম্বৰৰ ভাৰ্চাই সন্ধিমতে আমেৰিকাই স্বাধীনতা লাভ কৰে। জৰ্জ্জ ৱাশ্বিংটন আমেৰিকাৰ প্ৰথম ৰাষ্ট্ৰপতি হয়—১৭৮৯ চনৰ ৩০ এপ্ৰিলত। ১ম আৰু ২য় মহাসমৰৰ ইতিহাসৰ পাত লুটিয়ালেও দেখিবলৈ পাম যে শৰত আৰু বসন্তই ইয়াত বেছি প্ৰাধান্য লাভ কৰিছে।

১৯১৪ চনৰ আগষ্টমাহৰ ৪ তাৰিখে প্ৰথম মহা-সমৰৰ সুত্ৰপাত হয়,।
১৯১৮ চনৰ ৫ অক্টোবৰত প্ৰথম জাৰ্ম্মানৰ শান্তিদূত পথোৱা হয় আমেৰিকালৈ।

২ য় মহাসমৰৰ সুত্ৰপাত হয় ১৯৩৯ চনৰ চেপ্তেম্বৰ মাহত জাৰ্ম্মানৰ দ্বাৰা পোলেণ্ডৰ ওপৰত কৰা আক্ৰমণৰ দ্বাৰা। ১৯৪২ চনৰ অক্টোবৰ মাহত এল লেমিনত মণ্টোগমাৰীয়ে ৰোমেলক পৰাজয় কৰে। ১৯৪২ চনৰ ১ চেপ্তেম্বৰৰ দিনা ৰাছিয়াই কৰা ষ্ট্ৰাক্‌বেক আক্ৰমণৰ দ্বাৰা জাৰ্ম্মান সকলৰ মূল ৩৩০,০০০ সৈন্যবাহিনীৰ সংখ্যা হঠাতে কমি আহি মাত্ৰ ১২,০০০ ত পৰিণত হৈছিল—আৰু ইয়ে জাৰ্ম্মানৰ পৰাজয়ৰ প্ৰথম সুত্ৰপাত কৰে। ১৯৪২ চনৰ অক্টোবৰ মাহতে জাপানৰ দ্বাৰা বিখ্যাত "Eastern gate of India and Nortthern gate of Australia hammer" আৰম্ভ হৈছিল। ১৯৪৩ চনৰ মে' মাহত আইছেনহাৱাৰৰ নেতৃত্বত টিউনিছিয়াত শত্ৰুপক্ষক আত্মসমৰ্পন কৰিবলৈ বাধ্য কৰে। ১৯৪৪ চনৰ মে' মাহত এন্টি-ফেচিষ্ট সকলৰ দ্বাৰা ইটালিৰ মুছুলিনিক গুলীয়াই হত্যা কৰা হৈছিল। ১৯৪৫ চনৰ ৭ মে'ৰ

দিনা বিনাচৰ্ত্তে জাৰ্মান সকলে বাৰ্লিনত আত্ম-সমৰ্পন কৰে। ১৯৪৫ চনৰ এপ্ৰিল মাহতে ট্ৰুমেনক আমেৰিকাৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত কৰা হয়। ১৯৪৫ চনৰ এপ্ৰিল মাহতে আমেৰিকাৰ যুদ্ধ কালীন ৰাষ্ট্ৰপতি ৰুজভেল্টৰ মৃত্যু হয়।

১৯৪৫ চনৰ আগষ্টমাহৰ ৬ তাৰিখে হিৰোছিমা চহৰত পৃথিবীত সৰ্ব্বপ্ৰথম আণবিক বোমা নিক্ষেপ কৰি জাপানৰ ৰাজহাড় ভাঙি চুৰমাৰ কৰে; পুনৰ নাগাছাকিতো তেনে এটা বোমা নিক্ষেপ কৰা হয় আৰু ফলস্বৰূপে ১৯৪৫ চনৰ ২ চেপ্তেম্বৰত জাপানে আত্মসমৰ্পন কৰে। ইয়াতে ২য় মহাসমৰৰ সামৰণি পৰে।

বৰ্ত্তমান ৰাজনীতি ইতিহাসৰ বহুতো ঘটনা আৰু উপনিবেশকতাৰ কবলৰ পৰা বন্ধন মুক্ত হোৱা বহুতো স্মৰণীয় ঘটনা শৰত আৰু বসন্ততে ঘটিছে। যেনে বসন্তকালত স্বাধীনতা ঘোষণা কৰা ৰাষ্ট্ৰসমূহ :—

২২ মে' ১৯৪৬ চন— জৰ্ডন।
১৪ মাৰ্চ্চ ১৯৪৮ ,,— ইজৰাইল।
১৩ ফেব্ৰুৱাৰী ১৯৫৬ ,,— ইন্দোনেশিয়া গণৰাষ্ট্ৰ
২ মাৰ্চ্চ ১৯৫৬ ,,— মৰক্কো।
৬ এপ্ৰিল ১৯৫৭ ,,— ঘানা।

শৰতকালত স্বাধীনতা লাভ কৰা ৰাষ্ট্ৰবোৰ।
১৯৪৭ চন ১৪ আগষ্ট পাকিস্থান।
১৯৪৭ ,, ১৫ ,, ভাৰত ৰাষ্ট্ৰ।
১৯৪৯ ,, — চেপ্তেম্বৰ পিপলচ ৰিপাব্লিক অব চাইনা।
১৯৫৭ চন ৩১ আগষ্ট মালয় ডমিনিয়ন।
১৯৬০ ,, — আগষ্ট নাইজেৰিয়া গণৰাষ্ট্ৰ।

ৰাজনীতি আৰু সামৰিক অভিযানৰ বাহি-ৰেও শৰত আৰু বসন্তৰ প্ৰভাৱ অন্যান্য কাৰ্য্য ক্ষেত্ৰতো বিয়পি আছে। ১ম এভাৰেষ্ট অভিযানৰ সাফল্যৰ দিনটো আছিল—২৯ মে' ১৯৫৩ চন (বসন্ত কাল) আৰু ২৪ মে' ১৯৬৫ চন বসন্তকালৰ পুৰা এটাতে পুনৰ ভাৰতীয় দলে ইতিহাস প্ৰসিদ্ধ গৌৰীশঙ্কৰ আৰোহনৰ সন্মান কঢ়িয়াই আনে। এনেকি চীনা এভাৰেষ্ট অভিযানকাৰী দলটোৱেও ১৯৬০ চনৰ ২৪ মে' তাৰিখে পৃথিবীৰ উচ্চচূড়াত আৰোহন কৰা বুলি দাবী কৰে। অৱশ্যে এই আৰোহনৰ কোনো সত্যাসত্য তথ্যৰ প্ৰমান পোৱা নেযায়। ১৯৬৫ চনৰ শৰতকালৰ চেপ্তেম্বৰ মাহত পুনৰ হিলাৰীয়ে এভাৰেষ্ট অভিযান আৰম্ভ কৰিছিল।

মহাকাশ অভিযানৰ বুৰঞ্জীত ভুমুকি মাৰি-লেও আমি শৰত আৰু বসন্তৰ প্ৰভাৱ দেখিবলৈ পাম।

মহাকাশ অভিযানৰ কেইটামান উল্লেখ-যোগ্য আৰু যুগান্তকাৰী তাৰিখ তলত দিয়া হল যাৰ দ্বাৰা সহজে অনুমান কৰিব পাৰি যে বসন্ত আৰু শৰত ঋতুৱে মহাকাশ অভিযানত কিমান সহায় কৰিছে—

১৯৫৭ চনৰ ৪ অক্টোবৰ প্ৰথম মহাকাশ স্পুটনিক শিশু জোন (Baby moon) আকাশত নিক্ষেপ কৰে ৰাচিয়াই—

১৯৫৭ চনৰ ৩ নভেম্বৰ— স্পুটনিক ২ নামৰ মহাকাশযানখনে "লাইকা" নামৰ কুকুৰ এটাৰে সৈতে আকাশ পৰিভ্ৰমণ কৰে। লাইকাক নিৰাপদে পুনৰ পৃথিবীলৈ ঘূৰাই অনা হয়।

১৯৫৮ চনৰ মে' মাহৰ ১৫ তাৰিখ— স্পুটনিক ৩ নামৰ যানখন নিক্ষেপ কৰা হয় ৰাচিয়াৰ দ্বাৰা।

১-১৪ চেপ্তেম্বৰ ১৯৫৮ চন—জেনেভাত বহা পৰমাণু বৈজ্ঞানিক সন্মিলনত আন্তৰ্জাতিক যৌথ মহাকাশ অভিযান আচনি গ্ৰহণ কৰা হয়।

১৫ নৱেম্বৰ ১৯৫৮ – ৱাশ্বিংটনত Cospar, নামৰ মহাকাশ অভিযানৰ এক সমিতি গঠন কৰা হয়।

১৯৫৯ চনৰ ১ মাৰ্চ – আমেৰিকাৰ দ্বাৰা ২য় উপগ্ৰহ এটা নিক্ষেপ কৰা হয়।

১৯৫৯ চনৰ ২৮ মে'—দুটা বান্দৰ সহ জীৱিত অৱস্থাত আমেৰিকা সৈন্যবাহিনীয়ে এটা ৰকেট নিক্ষেপ কৰি সাফল্য লাভ কৰে।

১৯৫৯ চনৰ ৪ অক্টোবৰ— লুনিক ৩ নামৰ পৃথিবী আৰু চন্দ্ৰ উভয়কে পৰিক্ৰম কৰি এটা দ্বৈত কাৰ্য্যকৰী ৰকেট নিক্ষেপ কৰে।

১৯৫৯ চনৰ ১৪ চেপ্তেম্বৰ চন্দ্ৰলোকত স্পুটনিক ২ নামৰ ৰকেট এটা অৱতৰণ কৰে।

১৯৫৯ চনৰ ২৬ অক্টোবৰ— চন্দ্ৰৰ পৃষ্ঠ ভাগৰ ছবি গ্ৰহণ।

১৯৬০ চনৰ ১৫ মে' প্ৰথম পৰীক্ষামূলক মানুহ কঢ়িয়াব পৰা মহাকাশ যানখন ৰাশিয়াৰ দ্বাৰা নিক্ষেপ কৰা হয়।

১৯৬০ চনৰ ১৯ আগষ্টত পৃথিবীৰ পৰা ২০০ মাইল উৰ্দ্ধত পুনৰ দুটা কুকুৰ সহ এখন যান নিক্ষেপ কৰা হয়।

১৯৬১ চনৰ ২১ এপ্ৰিলৰ দিনা পৃথিবীৰ প্ৰথম মানুহ য়ুৰি গেগাৰিণৰ দ্বাৰা মহাকাশ পৰিভ্ৰমণ।

১৯৬১ চনৰ ৫ মে'— আমেৰিকা নেভিৰ দ্বাৰা পৰিচালিত মহাকাশযানত চেফাৰ্দৰ আকাশ ভ্ৰমণ।

১৯৬১ চনৰ ৭ আগষ্ট— গেৰমান টিটোভৰ মহা আকাশ ভ্ৰমণ।

১৯৬১ চনৰ ১৪ আগষ্ট —চুইডেনৰ দ্বাৰা মহাকাশ অভিযানৰ ১ম ৰকেট নিক্ষেপ।

১৯৬১ চনৰ ৩ নভেম্বৰ— আমেৰিকাৰ দ্বাৰা বান্দৰ সহ ৰকেট নিক্ষেপ।

১৯৬২ চনৰ ২৬ এপ্ৰিল – আমেৰিকা আৰু বৃটেইনৰ যুটীয়া ৰকেট নিক্ষেপ।

১৯৬২ চনৰ ২৪ মে' কাৰ্পেণ্টাৰ মুঠৰ দ্বাৰা মহাকাশত বিচৰণ।

১৯৬৩ চনৰ অক্টোবৰ মাহত প্ৰথম মহিলা মহাকাশ চাৰিণী ভেলেন্টিনাৰ দ্বাৰা আকাশ পৰিভ্ৰমণ।

১৯৬৫ চনৰ মে' মাহত ৰাচিয়াৰ মহাকাশচাৰিণী শূন্যমাৰ্গত অৱতৰণ।

উপৰোক্ত সকলো ঘটনা বসন্ত আৰু শৰত কালতে সংঘটিত হৈছিল। এতেকে অতীতৰ উপৰিও অনাগত ভৱিষ্যতৰ বিষয়ে শৰত আৰু বসন্তই কি কৰে তাক মন কৰিলেই দেখা যাব।

দ্ৰঃ – প্ৰবন্ধটো যুগুত কৰোতে ৰমানিয়োগী আৰু D. M. KETELBEYৰ লিখনিৰ সহায় লোৱা হৈছে।

– ০★০ —

ফটিক চন্দ্ৰ গোহাঁই
২য় বাৰ্ষিক কলা (নৈশ শাখা)

# ৺গনেশ গগৈ : সোঁৱৰণী

৺গনেশ চন্দ্ৰ গগৈ মানুহজন আছিল অসমীয়া সাহিত্য সংস্কৃতিৰ প্ৰাতঃ স্মৰণীয় কবি। সাহিত্যিক সকলৰ ভিতৰত গগৈ মানুহজনক বিচাৰি পোৱা হয়, একেজন মানুহকেই কবি, সাহিত্যিক, নাটকাৰ হিচাবে,—ক্ষন্তেকীয়া জ্যোতিষ্মাণ ধুমকেতুৰ দৰে আবিৰ্ভাৱ হৈ আকৌ ধুমকেতুৰ দৰেই অদৃশ্য হৈ নাটকীয় দৃশ্যৰে সামৰণি মৰা ৺ গগৈ দেৱৰ জীৱনটো সঁচাকৈয়ে মন কৰিবলগীয়া।

১৯১০ চনত ৺গনেশ চন্দ্ৰ গগৈ দেৱৰ জন্ম হয় এক ধনী পৰিয়ালত। তেওঁৰ পিতাকৰ নাম আছিল ৺কনক চন্দ্ৰ গগৈ, ই এ, চি। তেওঁ সৰুৰে পৰাই অসাধাৰণ বুদ্ধি সম্পন্ন আৰু মেধাৱান ছাত্ৰ আছিল। সেয়েহে অতি কম সময়ৰ ভিতৰতে এজন ডাঙৰ সাহিত্যিক কবি হৈ উঠিব পাৰিছিল। সৰু কালত গগৈদেৱ বৰ চঞ্চল আৰু জেদি প্ৰকৃতিৰ লৰা আছিল। সেই কাৰণে দুষ্টও আছিল। কিন্তু তেওঁৰ দুষ্টালি বোৰ কাহানিও অসৎ আৰু অভদ্ৰ নাছিল। পঢ়া-শুনাতকৈ গগৈৰ খেলধেমালিতহে বেছি ধাপ আছিল। প্ৰকৃততে তেওঁ এজন সুন্দৰ খেলুৱৈ জীৱনৰ মাজেদি যি বিলাক পুৰস্কাৰেৰে পুৰস্কৃত হৈছিল সেই পুৰস্কাৰৰ বস্তুৰেই তেওঁৰ এটা ডাঙৰ বাকচ ভৰ্ত্তি হৈ গৈছিল। তাৰ উপৰিও ক্ৰমান্বয়ে গগৈ এজন তাকিক আৰু চিকাৰীও আছিল।

গগৈ মানুহজন আছিল আনন্দপ্ৰিয়। আনন্দৰ মাজেদি জীৱন অতিবাহিত কৰা তেওঁৰ জীৱনৰ প্ৰথম লক্ষ্য আছিল। অনেক দুখ বেজাৰৰ মাজতো হাঁহি মুখেৰে কথা পতা. ধেমালীৰ মাজেৰে সময় কটোৱা তেওঁৰ আছিল এটা প্ৰধান গুণ। উদাৰ স্বভাৱৰ কাৰণেই কাৰোবাৰ প্ৰতি টান কথা কলেও কোনেও বেয়া নাপাইছিল। সৰল সহজ জীৱন অতিবাহিত কৰা গগৈৰ জীৱন চৰিত্ৰ সঁচাকৈয়ে মনম লগা।

১৯২৬ চনত যোৰহাট গভৰ্ণমেণ্ট হাইস্কুলৰ পৰা দ্বিতীয় বিভাগত প্ৰবেশিকা পৰীক্ষা পাচ কৰি তেওঁ গুৱাহাটীৰ কটন কলেজলৈ যায়।

কিন্তু তাতো বেছিদিন নাথাকি 'বকুলবন'ৰ কৰি আনন্দ চন্দ্ৰ বৰুৱাৰ লগলাগি কাশী হিন্দু বিশ্ববিদ্যালয়লৈ যায়। স্কুলত শিক্ষা আহৰণ কৰি থকাৰ পৰাই গগৈ খুহুতীয়া কথা কোৱাত, খুহুতীয়া গল্প লিখাত আছিল অতি পাৰ্গত। তেতিয়াৰ পৰাই তেওঁ কৱিতা লিখিবলৈ শিকিছিল। লাহে লাহে তেওঁৰ কথাই কথাই খোজে কাটলে কৱিৰ ভাৱ ফুটি উঠিছিল। ক্ষীণ বদনৰ তীব্ৰ নয়ন যুৰিত আছিল অনেক ভাৱৰ স্বপ্ন। কাশীত থকা অৱস্থাতেই কেই-বাজনো বন্ধু গোটখাই 'জাহ্নবী' বুলি এখন হাতে লিখা অসমীয়া আলোচনী উলিয়ায়। তাতে গগৈৰ 'জাহ্নবী' আৰু 'জননী' বুলি দুটা অতি সুন্দৰ কৱিতা আৰু "তপাৰ সম্পাদক" নামৰ এটা দীঘলীয়া হাস্যৰসিক কৱিতা প্ৰকাশ হয়। এই সময়ত গগৈৰ কবিৰতাই আছিল সকলোৰে আমোদ প্ৰিয় বস্তু। গগৈয়ে হেনো কাৰোবাক ভৎৰ্সনা কৰিলেও হাঁহিত পেটুনাড়ী ছিঙিব লগীয়া হৈছিল। এনে অমায়িকতা, সৰল মৃদুভাষা আৰু হাস্য মধুৰ কথাৰ কাৰণেই অতি সহজে সকলোৰে প্ৰিয় হৈ উঠিছিল।

কাশীতো তেওঁ বেছিদিন থাকিবলৈ নাপালে। ঘৰুৱা জঞ্জালৰ কাৰণে পৰীক্ষা নিদিয়াকৈয়ে ১৯২৮ চনত নিজৰ ঘৰ যোৰহাটলৈ ঘূৰি আহে। তেওঁ অকল ঘৰলৈকে ঘূৰি অহা নাছিল। শিক্ষা জীৱনৰ পৰাও তেওঁ ঘূৰি আহিছিল এক নতুন ৰাজ্যলৈ। কলেজীয়া শিক্ষা সাং কৰি সেই সময়ত শিৱসাগৰৰ পৰা ওলোৱা অসমীয়া মহিলা মাহেকীয়া আলোচনী 'ঘৰ জেউতি'ৰ সৌষ্ঠৱ বঢ়োৱাত লাগে। লগে লগে অন্য এখন আলোচনী "বাঁহী"য়ে এজন সুযোগ্য লিখক হাততে লাভ কৰিলে। তেওঁৰ কৱিতা ৰমক জমক কৰি ওলাই আছিল দুয়োখন আলোচনীৰ যোগেদি, কিন্তু অলপ দিনৰ পিচতেই গগৈৰ জীৱনলৈ নামি আহিল দুৰ্ব্বাৰ ট্ৰেজেদি। ঘূৰি অহা দুই বছৰ নৌ হওঁতেই ১৯৩০ চনত পিতাকৰ মৃত্যুত ঘৰুৱা চিন্তাৰ গধুৰ ভাৰ আহি পৰিল অলক্ষিতে। সেয়ে হলেও মুকলি মূৰিয়া ৰঙাল মনক ঘৰুৱা বেমেজালিয়েও ম্লান কৰিব নোৱাৰিছিল। গগৈয়ে হেনো প্ৰায়েই তেওঁৰ অন্তৰঙ্গ বন্ধু সকলক কৈছিল "গগৈ হাঁহি হাঁহিয়েই আহিছিল; আকৌ হাঁহি হাঁহিয়েই যাবগৈ, গগৈয়ে নাকান্দে"। সচাঁকৈ গগৈয়ে নাকান্দিলে, আমাকহে কন্দুৱাই থৈ গল। এজন সুযোগ্য সন্তান, কৱি, সাহিত্যিক আই অসমীয়ে অসম বাসীয়ে চিৰ দিনলৈ আকালতে হেৰুৱালে। কিন্তু তেওঁৰ প্ৰবিত্ৰ দান, বুকুৰ ৰাঙলী তেজেৰে লিখা প্ৰেমৰ অৰ্ঘ্য 'পাপৰি'ক দি গল মুক্ত হস্তে পঢ়ুৱৈ সমাজলৈ আৰু দি গল 'সপ্তভঙ্গ', "কাশ্মীৰ কুমাৰী," "শকুনিৰ প্ৰতিশোধ' 'ৰূপজ্যাতি" আৰু 'লাচিত'ক।

আৰ্থিক অৱস্থাই বশীভূত কৰিব নোৱাৰা গগৈয়ে স্বাধীন মনে স্বাধীন বৃত্তি বাহি ললে কাঠৰ কাৰবাৰৰ জৰিয়তে। তাৰ পিছত মদৰ মহল। কিন্তু খবচি, উদাসীন গগৈয়ে কোনো-টোতেই লাভ কৰিব নোৱাৰিলে। ফলত পিতাকৰ সম্পত্তিও এপদ দুপদকৈ অন্ত পৰিল। সমাজৰ চকুত ৰুক্ষ হৈ পৰিল। কলেজীয়া জীৱনৰ প্ৰাৰম্ভনিতেই গগৈয়ে এগৰাকী কাণ যৌৱনা গাভৰুক ভাল পাইছিল। মনৰ কল্পনা কল্পনাতেই থাকিল। সপোনক আৰু দিঠকত ৰূপ দিব নোৱাৰিলে সকলোৰোৰ ব্যৰ্থ হৈ গল।

জীৱনৰ স্ফূৰ্তিয়ে ঢাল ললে অন্য ফালেদি বোধ হয় প্ৰেমিকাক লাভ কৰিব নোৱাৰাৰ কাৰণেই। যেই হওঁক তৰুণী মানবী মূৰ্ত্তিয়ে গগৈৰ কৱিৰ চিত্তটো সজাগ কৰি দিলে চিৰ দিনলৈ। কিন্তু তেওঁৰ কৱি মনৰ চকুযুৰিয়ে বিচাৰি ফুৰা "অপৰূপ ৰূপ ৰেখা" প্ৰাণে বিচাৰি ফুৰা "জীৱনৰ মোহ" আৰু "বুকুৱে আপোনসুৰে বিচাৰি ফুৰা মৌসনা চেনেহৰ কুমলীয়া কোঁহৰ" সন্ধান পাইছিল তেওঁ এই সৌন্দৰ্য্যৰ বুকুতেই। প্ৰেমৰ পোহৰত গগৈয়ে দেখিছিল বিশ্বৰ এটা নতুন ৰূপ; তেতিয়াৰ পৰাই ৰূপৰ পোহৰ খেদি গগৈ পাগল। পূৰ্ণিমাৰ জোনাক বিলাকত হেনো তেওঁ ঘিৰেৰে থাকিব নোৱাৰিছিল।

গগৈ এজন অভিনেতাও আছিল। যোৰহাট থিয়েটাৰ হলত দুৰ্গাপূজাৰ উপলক্ষে তেওঁ "শকুণিৰ প্ৰতিশোধ" আৰু "কাশ্মীৰ কুমাৰী" নাটক দুখন লিখে। তেওঁ অকল নাট্যকাৰ, অভিনেতাই নাছিল; আছিল এজন সুদক্ষ পৰিচালকো। এই সময়তেই তেওঁ "জেৰেঙাৰ সতী," "সীতা বনবাস" "দক্ষযজ্ঞ" আৰু 'লাচিত' আদি কেইবাখনো নাটক লিখে। ইয়াৰ বাহিৰেও ৰেকৰ্ডিং কৰিবৰ বাবে লিখা "জেৰেঙাৰ প্ৰতিশোধ' 'হৰিচন্দ্ৰ' 'কমলা কুঁৱৰী' আদি নাটকবোৰ এতিয়াও হেনো অপ্ৰকাশিত হৈয়ে আছে। তাৰে খন চেৰেক প্ৰকাশ হৈ গল। এই সৰু সৰু নাটকবোৰ হেনো গগৈয়ে দুই তিনি ঘণ্টাৰ ভিতৰতে লিখিছিল। ১৯৩৫ চনত গগৈৰ শ্ৰেষ্ঠ দান 'পাপৰি' প্ৰকাশ হয়। এই খনি গগৈয়ে একে লেঠাৰিয়ে তিনি ঘণ্টাৰ ভিতৰতে লিখা।

গগৈৰ জীৱনটো আছিল ৰহস্যবাদী আৰু নিৰাশাবাদী। "হই যাব, চলি যাবই" আছিল গগৈৰ অতীত ভৱিষ্যতৰ ভাৱনা, উঠাই দিয়া জীৱনৰ দৰ্শন। ভাল বেয়া পাপ পূণ্যৰ বিচাৰ গগৈৰ ওচৰত অতি কমেইহে আছিল। আনৰ কাৰণে ভাবিবলৈ তেওঁৰ সময় নাছিল। আনকি নিজৰ কাৰণে ভাবিবলৈও কোনো প্ৰয়োজন বোধ নকৰিছিল। যাৰ জীৱন যেনেকৈ নেযাওক তালৈ তেওঁ ভ্ৰূক্ষেপ নকৰিছিল। কৃত্ৰিম, গাম্ভীৰ্য্যপূৰ্ণ তথাকথিত ভদ্ৰ লোকৰ স্বভাৱটো গগৈৰ কাষত পাছলৈ তেনেই জঁয় পৰি গৈছিল। খুপি খেলিও তেওঁ দিনে ৬০।৭০ টকা উৰাইছিল। সেইবুলি তেওঁ এক মুহুৰ্ত্তও নেভাবিছিল যে তেওঁ এইটো বেয়া কাম কৰিছে। গগৈৰ লৰালি কালৰ পৰা শেষ পৰ্য্যন্ত মিঠাই খাই ভাল পোৱা স্বভাৱটো আছিল। তেওঁ মিঠাই খাই ভাল পাইছিল গতিকেই হবলা যোৰহাট গৰ্ভণমেণ্ট হাইস্কুলৰ আলোচনীত গগৈৰ প্ৰথম কৱিতা "ৰসগোল্লা" ওলাইছিল। বিপদ, আপদ, দুখ দৈন্য, অভাৱ অনাটনৰ প্ৰতি তেওঁ যেনে নিৰ্ব্বিকাৰ আছিল আনন্দৰ প্ৰতিও তেওঁ আছিল তেনে নিৰ্ব্বিকাৰ। জাৰকালি লেপৰ তলত সোমাই সদায়েই হেনো কৈছিল 'ভগৱান মোক ৰজা কৰা।" মুঠতে গগৈ জীয়াই আছিল দৃশ্যমান বৰ্ত্তমানৰ বুকুতেই। ভৱিষ্যতত তেওঁৰ আশা নাছিল, নাছিল তেওঁৰ বিশ্বাস বালিৰ ভেটাত। তেওঁৰ কৱিতা নানান কিতাপ পঢ়ি জ্ঞান আহৰণ কৰি লিখা নহয়। কোমল বুকৰ পৰা বহল অনুভূতিৰে বাগৰি অহা, নিজৰি অহা ব্যৰ্থপূৰ্ণ জীৱনৰ মূৰ্ত্তিয়েই

কৱিতা। এইটোৱেই আছিল ৺গনেশ চন্দ্ৰ গগৈ দেৱৰ সাহিত্যিক জীৱন।

ক্ষীণ তনু, সোমাই যোৱা গাল দুখনি, বহল কপাল, ধক্‌ধকীয়া তেজোময় মুখ খনিৰে, ভগা, দীঘল কেকোৰা চুলিৰে, ঈষৎ বেকাকৈ ৰখা মূৰটিৰে, মুখত প্ৰসন্ন মিচিকিয়া হাঁহিৰে গগৈ মানুহজন আছিল সঁচাকৈয়ে মৰম লগা। ভৱিৰ প্ৰত্যেক পদ ক্ষেপতে কৱিতাৰ মুকুতা সৰিছিল।

গগৈয়ে অন্তিম শয্যাত পৰিও এহাতে বুকু-হেচি যক্ষ্মা-ৰোগৰ যন্ত্ৰনাৰ উপশম বিচাৰি আনহাতে তেওঁৰ বুকুৰ ৰাঙলি তেজৰ কণিকা ঢালি লিখি গল, দি গল কত কৱিতা, গীত নাট, গল্প আৰু নাটিকা। আমাৰেই দুৰ্ভাগ্য ২৮ বছৰ বয়সতেই অন্তিম শয্যাত পৰি চিৰ দিনলৈ তেওঁ আঁতৰি গল আমাৰ পৰা। মৰিবৰ সময়ত হেনো কাহৰ লগত তেজ ওলালে গগৈয়ে নাটকীয় ভঙ্গিমাৰে কৈছিল— "তেজ! তই ধেমালী কৰিছ, কৰ কিমান কৰিবি!!" ভাব হয় গগৈক নাটকীয় কথাই আৰু কৱিতাই মৃত্যু পৰ্য্যন্ত লগ নেৰিছিল। গগৈ আছিল আৰু গ'ল, আমিও আছিছো— আমিও যাম। গগৈয়ে নিজেই অজানিতে কৱিতাত লিখিছে ঃ—

"অহা নাই কোন যোৱা নাই কোন
সকলো আছিছো সকলো যাম,
তুমিও আছিলা তুমিও গলাগৈ
তথাপি তোমাক ইয়াতে পাম।"

যদিও আজি ৺গগৈদেৱ আমাৰ মাজত নাই, তথাপি গগৈদেৱে আমালৈ এৰি যোৱা দান সমূহে গগৈক আমাৰ মাজত জীৱন্ত কৰি ৰাখিছে। আমি প্ৰত্যেক অসমীয়াই বিশেষকৈ উঠি অহা অসমীয়া ডেকা গাভৰুৱে কৰি, সাহিত্যিক, নাট্যকাৰ ৺গনেশ চন্দ্ৰ গগৈদেৱৰ মৃত আত্মালৈ শ্ৰদ্ধা জনাইছোঁ।

—০)(০—

—শান্তি এক অবাস্তৱ বস্তু আৰু যুদ্ধ অপৰিহাৰ্য্য— সেই কথা ভবাৰ প্ৰয়োজন নাই। আমাৰ লক্ষ্যহল পৃথিবীত শান্তি স্থাপন কৰা। আমি এনে এক শান্তিপূৰ্ণ বিশ্ব গঠনৰ চেষ্টা কৰিছোঁ, য'ত দুৰ্ব্বল নিৰাপদ থাকিব আৰু সবল হ'ব ন্যায়পৰায়ণ।

—জন কেনেডী—

জীৱন বৰা
দ্বিতীয় বাৰ্ষিক কলা

# শঙ্কৰদেৱৰ শিশুলীলাঃ এটি সমীক্ষা

অসমৰ ভাগৱতী বৈষ্ণৱ ধৰ্মৰ গুৰু মহাপুৰুষ শঙ্কৰদেৱ বহুমুখী প্ৰতিভাশালী পুৰুষ আছিল। ধৰ্ম্ম প্ৰচাৰেই আছিল গুৰু জনাৰ জীৱনৰ মুখ্য উদ্দেশ্য, আৰু জনসাধাৰণৰ মাজত ভক্তি ধৰ্ম্ম প্ৰচাৰ কৰি সমাজত শান্তি প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছিল। ধৰ্ম্ম প্ৰচাৰৰ প্ৰধান সম্বল আছিল তেৰাৰ সাহিত্য প্ৰতিভা। এহাতে যেনেকৈ পাঠকৰ হিয়াত ভক্তিভাব জগাই দি চিত্তনিৰ্ম্মল কৰাইছিল, আনহাতে সাহিত্যৰ ৰসেৰে পাঠকৰ হিয়া বুৰাই ৰাখিছিল। ধৰ্ম্মৰ ৰসেৰে যেনেকৈ পাঠকৰ মন সংস্কাৰ কৰিছিল, তেনেকৈ সাহিত্যৰ ৰসেৰে পাঠকৰ হিয়াত অনুভূতি জগাই তুলি, পাঠকৰ মন ধৰ্ম্মমুখী কৰি তুলিছিল।

পৃথিৱীৰ সকলো ধৰ্ম্ম আন্দোলনতেই দেখা যায় যে ধৰ্ম্ম প্ৰচাৰৰ প্ৰধান মাধ্যম আছিল সাহিত্য। সাহিত্যত মানৱ জীৱন প্ৰতিফলিত হয়। যি সাহিত্যত মানুহৰ জীৱনৰ কথা থাকে সেই সাহিত্যই মানুহক বেছি আনন্দ দিয়ে, এইয়া মানুহৰ স্বাভাৱিক প্ৰবৃত্তি, কিয়নো মানুহে নিজৰ কথা জানিবলৈ বেছি হেপাহ কৰে।

সম্ভৱতঃ এনে এটি দৃষ্টি ৰাখিয়েই শঙ্কৰদেৱে সাহিত্য সৃষ্টি কৰিছিল, আৰু এনে ৰসময়ী সাহিত্যৰ মাজেদি জনগণৰ মাজত ধৰ্ম্ম প্ৰচাৰ কৰি কৃতকাৰ্য্যতা লাভ কৰিছিল। শঙ্কৰদেৱৰ ৰচনা বিলাকৰ ভিতৰত "কীৰ্ত্তন ঘোষা" শ্ৰেষ্ঠতম। ইয়াত প্ৰধান নায়ক ভগৱান কৃষ্ণ। ভগৱান কৃষ্ণৰ চৰণত শৰণ লোৱাই আছিল তেৰাৰ ধৰ্ম্মৰ উদ্দেশ্য। মানৱ মনৰ সকলো প্ৰেমানুভূতিৰ মাজেৰে কীৰ্ত্তনে ঈশ্বৰ উপলব্ধি কৰাইছে। সেই কাৰণেই কীৰ্ত্তনত শান্ত, দাস্য, বাৎসল্য আদি ৰস বিৰাজমান।

মানৱ চৰিত্ৰ অঙ্কণত বৈষ্ণৱ কবি সকলৰ মাজত শঙ্কৰদেৱ অদ্বিতীয়। কীৰ্ত্তনৰ নায়ক কৃষ্ণক; এহাতে যেনেকৈ সৃষ্টিকৰ্ত্তা ৰূপে অঙ্কণ কৰিছে, আনহাতে তেৰাই সাধাৰণ মানৱ ৰূপেও ৰূপায়ণ কৰিছে। ইয়াৰ যথাযথ প্ৰমাণ কীৰ্ত্তনৰ শিশুলীলা খণ্ডত পোৱা যায়।

শঙ্কৰদেৱৰ শিশুলীলা খণ্ডত ভগৱান শিশু কৃষ্ণক দুটা ৰূপত দেখা যায়। এটা মানৱীয় আনটো অতি মানৱীয়। গুৰু জনাই ভগ-

কটন কলেজ

বান কৃষ্ণৰ মানবীয় চৰিত্ৰৰ যোগেদি যেনেকৈ সাহিত্যিক সৌন্দৰ্য্য ফুটাই তুলিছে, তেনেকৈ অতিমানৱীয় চৰিত্ৰৰ যোগেদি পাঠকৰ চিত্তত ভক্তিভাৱ জগাই সমাজৰ মাজত ভক্তি ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ সক্ষম হৈছে। এহাতে শিশু-ৰূপী ভগবান কৃষ্ণ নিজেই সৃষ্টিকৰ্ত্তা, আনহাতে তেওঁ সাধাৰণ মানুহ নন্দ-যশোদাৰ সন্তান। এহাতে তেওঁ আন আন মানৱ শিশুৰ দৰেই সাধাৰণ বোকাৰ মানুহ, আনহাতে তেওঁ ঐশ্ব-ৰিক মহিমাৰ অধিকাৰী। ভগবান কৃষ্ণৰ এনে মানবীয় আৰু অতিমানবীয়, দুফলীয়া ব্যক্তিত্ব শিশুলীলা খণ্ডৰ প্ৰত্যেকটো ঘোষাতেই বিদ্যমান।

বাসুদেৱে কেচুঁৱা কৃষ্ণক ৰাতি নন্দ যশোদাৰ ঘৰত থৈ আহিল আৰু সেই সময়তে ওপজা নন্দজায়াৰ কন্যাক তুলি লৈ আহিল। নন্দ-যশোদায়ো কৃষ্ণক নিজৰ পুত্ৰবুলি মানি মৰমেৰে তুলিতালি ডাঙৰ দীঘল কৰিলে। নন্দ-যশোদাৰ ঘৰত কৃষ্ণ এইদৰেই ডাঙৰ-দীঘল হবলৈ ধৰিলে। এদিন পূতনা নন্দ-যশোদাৰ ঘৰলৈ আহি এটি স্বাস্থ্যবান শিশুক দেখি তাইৰ কোলাত লবলৈ মন গ'ল। পাছে তাই কৃষ্ণক কোলাত লৈ অতি মৰমতে স্তনদ্বয় কৃষ্ণৰ মুখত তুলি ধৰিলে। এইখিনিতে কৃষ্ণৰ মানৱীয়তা দেখা যায়। কেতিয়াবা আমাৰ সমাজতো এনে সন্তান মৰমৰ দৃশ্য দেখা যায়। আমাৰ সমা-জতো কোনো শিশু জন্মিলে ওচৰ চুবুৰীয়ায়ে তালৈ এপাক মাৰি নব-শিশুক চাই আহে, আৰু কেতিয়াবা কোনোজনী মৰমীয়াল মাতৃয়ে মৰমতে সেই স্বাস্থ্যবান শিশুটিক কোলাত তুলি লৈ কথাৰ লাচতে হাঁহি মাৰি "ঐ মোৰ পোনাটো" বুলি নিপোটল স্তনছুটি শিশুটিৰ মুখত গুজি দিয়ে। ইয়াতো শিশুকৃষ্ণৰ এটি মান-বীয় চিত্ৰই দেখা দিছে। কিন্তু শঙ্কৰদেৱে ধৰ্ম্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচনা কৰাৰ কাৰণে, ইয়াত এটা অতিমানবীয় চিত্ৰও দেখা যায়। আচলতে পূতনা এজনী ৰাক্ষসীহে, আৰু অহাৰ উদ্দেশ্যও আছিল কৃষ্ণক মাৰিবৰ হেতুকে। এইখিনিতে শিশুৰূপী ভগবান কৃষ্ণয়ে নিজৰ সৃষ্টি নিজে ধ্বংস কৰিলে।

"স্তন পানে পূতনাৰ শুষিলাহা প্ৰাণ॥"

স্তন পাণৰ চলেৰে ভগবান কৃষ্ণয়ে পূতনাক পাপিনী ৰূপে ধ্বংস কৰি ভক্তাৰূপে তাইক মুক্তি দিছে।

আনহাতে শিশুৰূপী ভগৱান কৃষ্ণ মান-বীয় শিশুৰ দৰেই উৎপতীয়া। সাধাৰণ মানব শিশুৰ দৰে এই ভেটগুটিয়া লৰাটোয়ে আৰ-তাৰ অনিষ্টকৰ কামবোৰ কৰি ফুৰে।

"গাই নতু দোহন্তে দামুৰী মেলেগৈ।
গৃহপশি চুৰকৰি খান্ত দুগ্ধ দৈ॥
বানৰকো খুৱাৱৈ গোবিন্দ কিনো চাণ্ড।
বানৰে নখায় জানি কোবাই ভাঙ্গে ভাণ্ড॥
ঢুকি যেবে নপাৱে মনত নাই তুষ্টি।
সিকিয়াৰ পৰা আনে উড়ালত উঠি॥"

আন কি—

"বস্তুক নপাইলে ধৰি মাৰন্ত ছোৱালী।"
অথচ তাৰ কাৰ্য্যত কোনেও বেয়া নাপায়।

"আনন্দতে সমস্ত গোৱালীগণে আসি।
কৃষ্ণৰ অকীৰ্ত্তি যশোদাত দেন্ত হাসি॥"
"কি ভৈল তোমাৰ ইটো তনয় দুৰ্জ্জন।
কৃষ্ণৰ নিমিত্তে আৰ নৰহে জীৱন॥"

বুলি কলেও তেওঁলোকৰ মনত নিশ্চয় কপট ভাব নাই। আমাৰ মানৱীয় অতি মৰমীয়াল শিশুৰ মাজতো এনে কাৰ্য্য দেখা যায়। অতি সুন্দৰ, মৰমীয়াল শিশুয়ে কোনো বেয়া কামত হাত দিলেও তাক বিশেষ দোষণীয় কাৰ্য্য বুলি ধাৰণা নহয়। "এই লৰাটো কি দুষ্ট ঔ" বুলি কলেও পিচ মুহূৰ্ত্ততেই তাক মৰমতে বুকুত সুমুৱাই লৈ চুমা এটি খায়। এনে এটি চিত্ৰ শিশু কৃষ্ণতো দেখা যায়।

"আনন্দে আছন্ত হাসি পুত্ৰমুখ চাই।
ডৰিবাৰ দেখিয়া পুত্ৰক বৰনাৰী।
বুকুত সাৱটি ধৰিলন্ত চুমা পাৰি।

এদিন গোপশিশু সকলে যশোদাৰ আগত লগালেহি যে গোপালে মাটি খালে। মাক যশোদাই গোপালক ধৰি আনি খঙেৰে "কোবাই আজি তোৰ ফাৰিবো চাল" বুলি চকু পকাই ধৰিলে। মাকৰ এনে অগ্নিমূৰ্ত্তি দেখি ভয়তে পেপুৱা লাগি লৰ মাৰিবলৈ ধৰিলৈ। তাক দেখি যশোদাৰ গোপালৰ প্ৰতি বেথা লাগিল আৰু মৰমেৰে সুধিলত গোপালে ক'লে যে বলভদ্ৰ দাদাকে তেওঁৰ আগত মিছা কথা লগাইছে। এই খিনিতে শিশুকৃষ্ণৰ মানৱীয় চিত্ৰ দেখা য়ায়। মানুহৰ ক্ষেত্ৰতো — কেচুঁৱা, বগাই যুৰা শিশুৱে অজানিত ভাৱে মাটিত পৰিথকা শিলগুটি, মাটিৰ টুকুৰা আদি মুখলৈ নিয়ে। গৰখীয়া লৰায়ে ঘাঁহ তলিত লগৰবোৰৰ সৈতে কথাৰ মহলা মাৰি থাকোতে অজানিত ভাৱে এডাল এডাল কৈ ঘাহবোৰ ছিঙি মুখলৈ নিয়া আদি কাৰ্য্য দেখা যায়। দোষ কৰি ধৰাপৰাত ভয়ত শিশুয়ে মাকক মিছা কোৱা, মাকৰ খং দেখি শিশুৰ হাত ভৰি কঁপা আদি কাৰ্য্য সাধাৰণ মানৱ শিশুৰ সমাজতো দেখা যায়। ঠিক এনে এটি মানৱ চিত্ৰ শিশুৰূপী ভগৱান কৃষ্ণতো দেখা যায়।

কিন্তু সাধাৰণ মানৱীয় কাৰ্য্যৰ যোগেদি, ধৰ্ম্মপ্ৰচাৰক শঙ্কৰদেৱে কৃষ্ণৰ ঐশ্বৰিক মহিমা প্ৰকাশ কৰিছে। কৃষ্ণয়ে মাটি খোৱা নাই বুলি প্ৰমান দেখুৱাবলৈ গৈ যশোদাৰ আগত মুখ মেলাত যশোদাই দেখিলে :—

"সমস্ত জগত গৰ্ভতে আছে॥
সাতোখন দ্বীপ সাতো সাগৰ।
গিৰিবন নদী গ্ৰাম্য নগৰ॥
বায়ু, সূৰ্য্য শশী দিশ আকাশ।
তাৰা গণো তৈতে কৰৈ প্ৰকাশ॥
সমস্তে জীৱ জো তিস্তেজ জল।
সত্ব ৰজস্তম ইন্দ্ৰিয় বল॥
মন বুদ্ধি কাল কৰ্ম্ম যতেক।
সবাকো গৰ্ভতে দেখি প্ৰত্যেক।"

আনকি —

"যতেক ধেনু গোপ গোপীজাক।
যশোদা তৈতে দেখে আপোনাক॥"

কিন্তু যশোদাৰ মনত কৃষ্ণ এটি নিৰ্বোধ মানৱীয় শিশু। সেয়েহে তেওঁ — "মোৰ আয়ুলৈ পুতাই জীয়া" বুলি মুখত স্তন দি সাৱটি লৈছে।

এদিন যশোদাই দধিমন্থন কৰি থাকোতে কৰবাৰ পৰা কৃষ্ণ লৰি আহি মাকৰ কোলাত পৰিলহি। ভাগৱত ক্লান্ত দেখি যশোদাই পুত্ৰৰ মুখত স্তন দিলে। শিশু কৃষ্ণই আনন্দতে পিবলৈ ধৰিলে। কিন্তু গাখীৰ উতলি বাগৰি পৰিবলৈ ধৰাদেখি লৰা-লৰিকৈ যশোদাই উঠি গ'ল। কৃষ্ণই গাখীৰ পিবলৈ নাপাই খঙত উঠি গৈ—

শিলায়ে ভাঙ্গিলা দধিভাণ্ড ॥
মহাকোপে কোঠা পশিলন্ত।
সিঞ্চৰাই লৱণু ভুজন্ত ॥
... ... ... ...
শিকিয়াৰ পৰা নমাই আনি
বানৰকো দেন্ত দলি হানি।"

তাকে দেখি মাকে তেওঁক মাৰিবলৈ খেদি আহিল, গতিকে কৃষ্ণই— "দিলা লৰ নামি উড়লৰে।" ঠিক এনেকুৱা চিত্ৰ আমাৰ ঘৰুৱা জীৱনতো দেখা যায়। কোনো বস্তু নাপাই শিশুয়ে মাকক আমনি কৰা, বয় বস্তু লণ্ড ভণ্ড কৰা, মাৰিম বুলি খেদা মাৰি গলে ল'ৰি পলোৱা শিশুৰ স্বাভাৱিক প্ৰবৃত্তি। কৃষ্ণৰ ক্ষেত্ৰতো তেনে এটি সাধাৰণ মানৱীয় শিশুৰ গুণ দেখা যায়। আন হাতে শঙ্কৰদেৱে কৃষ্ণৰ ভক্তি ধৰ্ম্ম প্ৰচাৰৰ কাৰণে কৃষ্ণক জৰীৰে বন্ধা আদি আলৌকিক কাৰ্য্যৰ বৰ্ণনা দিছে। এনে কাৰ্যাত যশোদা আচৰিত হলেও, তেওঁৰ মনত কৃষ্ণ এটি মানৱীয় শিশু। "এইটো কি উৎপতীয়া লৰা, তাৰ লগত আৰু মই নোৱাৰিছো" বুলি যশোদা ভাগৱত—

"শৰীৰৰ ঘৰ্ম্ম যায় বহি।
হাসিয়া থাকিলা শ্ৰমে ৰহি ॥

বুলি কৈ বহি থাকিল। কিন্তু ভক্তৰ অধীন ভগৱান। সেয়েহে ভগৱান কৃষ্ণই যশোদাৰ ওচৰত "স্নেহে লৈলা আপুনি বন্ধন।"

কোনো ডাঙৰ কাম কৰি অহাৰ পাচত মাকে শিশুক মৰমতে কোলাত তুলি চুমাখোৱাৰ দৰে বান্ধিলোৱা উড়ালটো টানি অৰ্জ্জুন গছ ভঙা আশ্চৰ্য্য পূৰ্ণ কামটো দেখিও যশোদাই কৃষ্ণক সাধাৰণ মানৱীয় শিশুৰ দৰেই "হাঁহিলেক কোনে হেন কৰিলেক বুলি" কৈ কৃষ্ণক বুকুত সাৱটি হৈছে।

গৰখীয়া লৰাবোৰে হাবিত গৰু চৰাওঁতে অনেক ঠাইত ডাঙৰ ডাঙৰ সাপ, বান্দৰ, দেও-ভূত লগ পোৱাৰ দৰে গৰখীয়া ৰূপী ৰাক্ষস লগ পাইছে। সাধাৰণ মানৱী ৰূপ কৃষ্ণই বিপদত পৰিছে সঁচা, কিন্তু আনহাতে সৃষ্টি-কৰ্ত্তা হৈ নিজেই নিজৰ সৃষ্টি ধ্বংস কৰি সেই পাপী জীৱবোৰক মুক্তি দিছে।

এদিন গোপশিশু সকলে আন এঠাইত আনন্দ কৰি থাকোতে ব্ৰহ্মাই গৰুবিলাক মায়া কৰি পলুৱাই নি আন এঠাইত লুকুৱাই থলে। এনেকুৱা দৃশ্যই আমাৰ সমাজৰ গৰখীয়া জীৱনটো মনত পেলাই দিয়ে। গৰুয়ে আনৰ শস্য নষ্ট কৰিলে গৰাকীয়ে গৰুবোৰ আন এঠাইলৈ খেদি লৈ যোৱা, নতুবা এৰি নিদি বান্ধিথৈ দিয়া আদি কাৰ্য্য গতানুগতিক। কৃষ্ণই ইয়াত নিজৰ হেৰোৱা গৰুবোৰ মায়া কৰি আনিছে। কিন্তু

শঙ্কৰদেৱে এনে ক্ষেত্ৰত এটি আলৌকিক কাৰ্য্যৰ দ্বৰা কৃষ্ণৰ মহিমা সৃষ্টি কৰি ভক্তি ধৰ্ম্ম প্ৰচাৰৰ পথ সুচল কৰিছে।

চেঙেলীয়া অৱস্থাত হোৱা কৃষ্ণৰ "বস্ত্ৰ হৰণ" কাৰ্য্যই আন এটি মানৱীয় চৰিত্ৰৰ ইংগিত দিয়ে। কোনো গাভৰুয়ে নদীৰ পাৰত গা‍ধুই বা কাপোৰ ধুই থাকিলে, সিপাৰৰ পৰা কোনোবা দুষ্ট ডেকাই গাভৰুলৈ বিং মৰাটো স্বাভাৱিক। এনে কাৰ্য্য সাধাৰণ মানৱীয় ডেকাৰ বয়সৰ দোষৰ কাৰণে হোৱাৰ দৰে— যমুনাৰ তীৰত গা'ধুই থকা গোপকুমাৰীৰ বস্ত্ৰ হৰণ কাৰ্য্যও কৃষ্ণৰ বয়সৰ দোষৰ কাৰণে যেন লাগে। কিন্তু হ'লেও ইয়াৰ পিচফালে মধুৰ পৱিত্ৰ ভাৱ এটা আছে। ভক্তৰ মনত আনন্দ যোগোৱাটোৱেই ইয়াৰ কাৰণ হব পাৰে।

কৃষ্ণৰ শিশুজীৱনৰ এনেকুৱা বিভিন্ন খেলা কাৰ্য্যত কৃষ্ণৰ দুটা ভিন্ন চৰিত্ৰ ফুটি উঠিছে। কেতিয়াবা মানৱ শিশুৰ দৰে কান্দিছে, হাঁহিছে, অভিমান কৰিছে ; আকৌ কেতিয়াবা পৰম পুৰুষহৈ বিভিন্ন লীলা দেখুৱাই নিজৰ ঐশ্বৰিক মহিমা প্ৰকাশ কৰিছে। কৃষ্ণৰ এনে ঐশ্বৰিক মহিমা দেখি সকলোৱে বিস্ময় মানিছে। যশোদাই কৃষ্ণৰ মুখৰ ভিতৰত গোটেই বিশ্ব-ব্ৰহ্মাণ্ড দেখাত যশোদাৰ বিস্ময় জন্মিছে।

"নুহিকন্ত মোৰ পুত্ৰ মানুষ।
এহেন্তেসে বিষ্ণু আদি পুৰুষ।"

কিন্তু পিচ মুহুৰ্ত্ততে বৈষ্ণৱী মায়াৰ প্ৰভাৱত যশোদাৰ —

কৃষ্ণত পুত্ৰবুদ্ধি ভৈল জাত।
ধুলা জাৰি তুলি লৈলা কোলাত॥"

আৰু—

"পাৱন্ত চুমা মুখে স্তন দিয়া।"

'শিশুলীলা' খণ্ডত বাৎসল্য আৰু দাস্য ভাবাত্মক ৰসেৰে পৰিপুষ্ট। কৃষ্ণৰ মানৱীয় চৰিত্ৰৰ যোগেদি বাৎসল্য ৰস, আৰু অতি-মানৱীয় চৰিত্ৰৰ যোগেদি দাস্য ৰসৰ সৃষ্টি হৈছে। মাত্ৰ মৰমীয়াল মাতৃ যশোদাই নহয়, পাঠক মাত্ৰেই এই দুয়োটা ৰস পি স্বৰ্গীয় আনন্দ লাভ কৰিছে।

এনে ৰসময়ী সৃষ্টিৰ মূলতে আছিল মহা-পুৰুষ শঙ্কৰদেৱ। তেৰাই মানৱ চিত্ৰ অঙ্কণ কৰি যেনেকৈ সাহিত্যৰ সৌন্দৰ্য্য বঢ়াইছে তেনেকৈ ভক্তিৰসৰ সৃষ্টি কৰি পাঠকক বিমল আনন্দ দিছে। এনে ভক্তিৰসৰ দ্বাৰা পাঠকৰ হৃদয়ত ভক্তি ভাৱ জগাই তুলি শঙ্কৰদেৱে মানৱ সমা-জত ভক্তি ধৰ্ম্ম স্থাপন কৰিবলৈ সক্ষম হৈছে।

—০★০—

অধ্যাপক— ডিম্বেশ্বৰ চলিহা
এম, এচ, ছি

# —★ জীৱৰ প্ৰকাৰ ★—

আমি থকা ঠাইখন পৃথিবীৰ চাৰিভাগৰ এভাগহে মাত্ৰ। তাকো আকৌ অসংখ্য নদনদী, হাবিজঙ্ঘল. পৰ্ব্বত পাহাৰ, বিলহ্ৰদ, মৰুভূমি আদিৰে ভৰা। কিন্তু উদ্ভিদ আৰু প্ৰাণী গোটেই বিশ্বতে বিৰাজমান। কোনোবাই যদি প্ৰশ্নকৰে জীৱ কিমান প্ৰকাৰ? উত্তৰ দিয়া টান হব। কোনোজনৰে জীৱনত পৃথিবীৰ সকলো জীৱ দেখা সম্ভৱ নহয়। হিচাব কৰি পোৱা গৈছে যে যদি কোনোজনে এক চেকেণ্ডত একোটাকৈ জীৱ একালৰ পৰা চাই যাব পাৰে (সম্ভৱ নহয়), তেওঁক সময় লাগিব তেইচ দিন তেইচ ৰাতি। এই সময়ছোৱাত ২,০০০,০০০ বিভিন্ন ধৰণৰ জীৱ সামৰিব পৰা হব।

আমাৰ নিজৰ নিজৰ জীৱনতে লৰাৰ পৰা বুঢ়া হোৱালৈকে কত ধৰণৰ জীৱ দেখিছো তাৰ উৱাদিহ নাই। কিছুমান হয়তো চাই ভাল লাগে. কিছুমান কামত লগাওঁ, কিছুমান খাওঁ, আকৌ কিছুমান গছকত মাৰো। এই সকলো বিলাক জীৱক বিভিন্ন ধৰণে পৰীক্ষা কৰি আতিগুৰি লোৱাতো দূৰৰ কথা, বেচিভাগৰে নামেই নেজানো।

আন প্ৰাণীৰ তুলনাত আবিস্কৃত হোৱা পক্ষীৰ সংখ্যা কিছু বেচি হব। এতিয়ালৈকে ২০,০০০ ধৰণৰ বিভিন্ন পক্ষীয়ে পক্ষীতত্ত্ববিদ্ সকলৰ আগত ধৰা দিছে। তদুপৰি বছৰি নতুন নতুন পক্ষীৰ আবিস্কাৰ হবই লাগিছে। পোক পৰুৱাৰ সংখ্যাই সকলো প্ৰাণীতকৈ বেচি। পতঙ্গবিদ্ সকলৰ মতে বিভিন্নধৰণৰ পতঙ্গৰ সংখ্যা ১০ কোটিৰো অধিক হব। প্ৰাণী জগতৰ পাঁচভাগৰ এভাগ অধিকাৰ কৰি আছে এই পতঙ্গবিলাকেই।

প্ৰাণীসমূহতকৈ উদ্ভিদৰ প্ৰকাৰ কিছু কম। উদ্ভিদতত্ত্ববিদ্ সকলৰ মতে পৃথিবীত বহুতো এনে আচহুৱা হাবিজঙ্ঘল পৰি আছে, য'তনেকি আজিলৈকে মানুহৰ চকু পৰা নই। তাত থকা বিভিন্ন উদ্ভিদ সমূহো নিশ্চয় বিজ্ঞানী সকলৰ অপৰিচিতেই হব। এতিয়ালৈকে আবিস্কাৰ কৰা বিভিন্ন উদ্ভিদৰ সংখ্যা হল ২৮১,০০০ বিধ। তাৰ ভিতৰত ১৭৫,০০০ বিধ ফুল আৰু গুটিলগা গছ, ১২,০০০ শেলুৱৈ (moss) জাতীয়, ৬০০ বিধ ক্লাব শেলুৱৈ, ৪৪০০ বিধ ফাৰ্ন. ২০,০০০ বিধ এলগি আৰু বাকী প্ৰায় ৬৫,০০০ বিধ বিভিন্ন ধৰণৰ ফানজাই।

জীৱ সমূহৰ সংখ্যাও আকৌ সকলো দেশতে সমান নহয়। উদাহৰণ স্বৰূপে আমি বৃটেইনলৈকে চাব পাৰো। তাত আছে প্ৰায় ৫০ বিধ স্তন্যপায়ী প্ৰাণী, ৪২৫ বিধ চৰাই, আৰু ২০,০০০ বিধ পতঙ্গ। উদ্ভিদৰ ক্ষেত্ৰত আছে ৩,০:০ বিধ ফানজাই, ১৫০০ বিধ গুটি লগা গছ আৰু ৩৩ বিধ বিভিন্ন ধৰণৰ ফ'ৰ্ন।

এটা স্তৰৰ তলত প্ৰাণী আৰু উদ্ভিদৰ পাৰ্থক্য ধৰা টান হৈ পৰে। ভাইৰাছ আদি জীৱৰ ক্ষেত্ৰত উদ্ভিদবিদ্ আৰু প্ৰাণীবিদ্ এতিয়াও একমত হব পৰা নাই। যোল-সোতৰশ' শতিকাত উদ্ভিদ আৰু প্ৰাণীৰ শ্ৰেণী বিভাজন কৰা হৈছিল মানুহৰ উপকাৰত অহা নহা লৈ তদুপৰি এককোষী সৰু সৰু উদ্ভিদ আৰু প্ৰাণী মানুহৰ চকুত ধৰা পৰা নাছিল। সেইখিনি সম্ভৱ হল অনুবীক্ষণ যন্ত্ৰৰ আবিস্কাৰৰ পাচতহে।

ওঠৰশ শতিকাৰ শেষ ভাগলৈ চুইডেনৰ বৈজ্ঞানিক কেৰলাচ লিনিয়াচে ক্ৰমবিকাশৰ ওপৰত ভিত্তি কৰি উদ্ভিদ আৰু প্ৰাণীজগতৰ বিজ্ঞান সম্মত শ্ৰেণী বিভাজন এটাৰ সৃষ্টি কৰিলে। জীৱ বিজ্ঞানলৈ লিনিয়াচৰ এয়া মহৎ অবদান। লিনিয়াচে আমি আজি পোৱা সকলো প্ৰাণীৰে সন্ধান তেতিয়া পোৱা নাছিল। তেতিয়া মানুহৰ চকুত পৰা মাত্ৰ ৪৩৪৫ বিধ প্ৰাণীৰহে তেওঁ শ্ৰেণী বিভাগ কৰিছিল।

অনুবীক্ষণ যন্ত্ৰ আবিস্কাৰৰ আগতে উদ্ভিদ আৰু প্ৰাণী বিভাজন সহজ আছিল। কাৰণ শ্ৰেণী বিভাজনত গণ্ডগোলৰ সৃষ্টি কৰা এককোষী জীৱ সমূহ অদৃশ্য হৈয়েই আছিল। অনুবীক্ষণ যন্ত্ৰ আবিস্কাৰৰ ফলত চকুৰে নেদেখা বস্তু দেখা হৈ পৰিলো আৰু শ্ৰেণী বিভাজনত সমস্যাই দেখা দিলে। বৰ্ত্তমানে ভাইৰাছ, বেক্টেৰিয়া, এলগি ইত্যাদি উদ্ভিদ জগতত আৰু এমিবাৰ দৰে জীৱ প্ৰাণী জগতত ধৰা হৈছে যদিও সিহঁতৰ মাজৰ সীমাৰেখা একেবাৰে স্পষ্ট নহয়। বহুত এনে বৈজ্ঞানিকো আছে যি ভাইৰাচক জীৱ হিচাবেই মানি লবলৈ মান্তি নহয়। তেওঁলোকৰ মতে ভাইৰাছ এবিধ জটিল ৰাসায়নিক পদাৰ্থহে।

এশ' বছৰ মানৰ আগলৈকে স্পঞ্জ বিলাকক উদ্ভিদৰ লগত সাঙোৰা হৈছিল। কিন্তু এতিয়া স্পঞ্জ প্ৰাণী জগতৰ ভিতৰত। শ্ৰেণী লৈ মতৰ সলনি হোৱা এই স্পঞ্জ সমূহৰ বৰ্ত্তমান সংখ্যা ১০,০০০ বিধৰো অধিক।

এক একৰ মাটিত পতঙ্গৰ সংখ্যা গড়ে ১০০০ কোটিৰো অধিক হব আৰু বেক্টেৰিয়াৰ সংখ্যা হব পতঙ্গৰ তিনিগুণ। এই সকলোবিলাক পতঙ্গ দেখা আমাৰ পক্ষে সম্ভৱ নহয়। সিহঁতৰ বেচি ভাগেই পৃথিবীৰ বহু তললৈকে গাতঁ খান্দি সুখেৰে জীৱন যাপন কৰে।

আন প্ৰাণীৰ তুলনাত আমাৰ মগজু উৰ্ব্বৰ। তাৰ বাহিৰে গৌৰব কৰিব লগা আমাৰ একো নাই। আমাৰ শৰীৰ প্ৰকৃতিৰ সৃষ্টি আৰু যান্ত্ৰিকতা আমাৰ সৃষ্টি। চৰাইৰ দৰে উৰাৰ আৰু মাছৰ দৰে সাতোৰাৰ কৌশল আমি যান্ত্ৰিকতাৰ পৰা পাইছো। যান্ত্ৰিকতাক বাদ দি আমি অচল। ১৬ ০০০ ফুট উচ্চতাৰ ওপৰত থকা আমাৰ পক্ষে সম্ভৱ নহয়। অথচ্ কুকুৰনেচীয়া বাঘ ইত্যাদি ২১.৫০০ উচ্চতাত থাকে। সাগৰৰ শামুক জাতীয় প্ৰাণী এবিধ সাগৰৰ পৰা প্ৰায় ৭ মাইল গভীৰলৈকে পোৱা যায়, কিন্তু আমাৰ ক্ষেত্ৰত কেতিয়াবা নদীৰ ডুবি এটাত তললৈ গলেই প্ৰাণ বায়ু এৰিব লগা হয়।

এম, ইমৰাণ আলি
৩য় বাৰ্ষিক কলা

# ৰাষ্ট্ৰীয় ভাষাৰ সমস্যা ভাৰতবৰ্ষৰ

ভাৰতবৰ্ষ স্বাধীন হবৰ প্ৰায় ১৮ বছৰ পাৰ হ'ল। বিভিন্ন জাতি উপজাতিৰ স্থান স্বৰূপে এইখন দেশত সমস্যাৰ সমাধান কাহানিও অন্ত হব নোৱাৰে। কাৰণ আজিৰ এই যুগত সমস্যাৰ পাৰাপাৰ নাই। তথাপিতো আমি এইটো কব নোৱাৰো যে ভাৰত চিৰদিনেই আজিৰ দৰে চলি থাকিব। এখন স্বাধীন আৰু গণতান্ত্ৰিক দেশৰ নাগৰিক হিচাবে চৰকাৰৰ লগতে নিজ দেশখনৰ কাৰণে আমিও অকণমান ভাবিব লাগে। অকল চৰকাৰে দিব আমি খাম এনে মনোবৃত্তি লৈ বহি থাকিলে চৰকাৰেই বা কৰিব কিটো? চৰকাৰখন কি? চৰকাৰ-খন আমাৰ মাজৰেই কেইজনমান মানুহৰ সমবায় মাত্ৰ। আমাৰ পৰা সহায় সহযোগিতা নাপালে চৰকাৰে একো কৰিব নোৱাৰে। চৰকাৰ আৰু জনসাধাৰণৰ মাজত এটা বুজাপৰা থাকিব লাগিব। সকলোৱে বুজা উচিত— এইখন আমাৰ দেশ, এইদেশখনৰ মান-মৰ্য্যাদা নিৰ্ভৰ কৰিছে আমাৰ ওপৰত।

কিন্তু আমি কি দেখিছো! আজি চৰকাৰে জনসাধাৰণক আৰু জনসাধাৰণে চৰকাৰক যেন ভুল বুজিব লাগিছে। তাৰ ফলত দেশত এটাৰ পিছত এটা নতুন সমস্যাই দেখা দিয়েই আছে। আমাৰ মাজত সংহতি নোহোৱা হৈ গৈছে। আৰু সংহতি স্থাপন হবই বা কেনেকৈ? ভাৰতবৰ্ষ হৈছে এখন বৃহত্তম দেশ। ই বিভিন্ন মানুহৰ বাসস্থান। গতিকে এনে এটা অৱস্থাত সংহতি ৰক্ষা কৰা অসম্ভৱ। এই কথা উপলব্ধি কৰিয়েই ভাৰত চৰকাৰে স্বাধীনতা পোৱাৰ লগে লগে নতুন সংবিধান প্ৰণয়ন কৰাৰ সময়ত স্থিৰ কৰিলে যে বিভিন্ন মানুহ আৰু ভাষা-ভাষীৰ বাসস্থান ভাৰতবৰ্ষত যদি এটা ভাষা প্ৰণয়ন কৰিব পৰা হয় তেতিয়াহে সকলোৰে মাজত ঐক্য স্থাপন হয়।

কিন্তু এইখিনিতে নানান প্ৰশ্নই দেখা দিলে, কোনটো ভাষাক এনেদৰে ৰাষ্ট্ৰীয় মৰ্য্যাদা দিয়া হব? কাৰণ যিটো ভাষা এইক্ষেত্ৰত লোৱা হব সেইটা ভাৰতৰ সৰ্ব্বসাধাৰণে সহজতে আয়ত্ব কৰিব পাৰিব লাগিব। বহু আলোচনা বিলোচনাৰ পিচত হিন্দীক ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় ভাষাৰূপে লব বিচাৰিলে। কিন্তু এটা বিপৰীত মুখী যুগৰ অবসানৰ পিচত নতুন এটা যুগৰ অৱতাৰণা কৰিবলৈ নিশ্চয় কিছু সময় লাগিব। সেয়ে এই ক্ষেত্ৰত ১৫ বছৰ সময় দিলে;

উদ্দেশ্য— এই ১৫ বছৰত এটা বৃজন সংখ্যক লোকক হিন্দীভাষা শিকাব। সেই উদ্দেশ্যেৰে স্কুল-কলেজ আদিত হিন্দী পাঠ্য পুথিৰ অপৰিহাৰ্য্য অঙ্গহিচাবে অনুমোদন কৰিলে। "ৰাষ্ট্ৰীয় ভাষা প্ৰচাৰ সমিতিত" স্থাপন কৰিলে। চাওঁতে চাওঁতে ১৫ বছৰ পূৰ্ণ হ'ল। যি গতিত কথা আৰম্ভ হব লাগিছিল অথবা যিমানদূৰ সাফল্য লাভ কৰিব লাগিছিল সেই অনুপাতে নহ'ল। কিন্তু সংবিধানৰ নীতি ভঙ্গ কৰে কেনেকৈ? সেয়ে ১৯৬৫ চনৰ ২৬ জানুৱাৰীত হিন্দীক ৰাষ্ট্ৰীয় ভাষাৰূপে ঘোষণা কৰিলে। লগে লগে ভাৰত জুৰি ইয়াৰ প্ৰতিবাদ কৰিলে। প্ৰতিবাদ কৰিলে এই কাৰণেই যে ভাৰতবৰ্ষত বৰ্ত্তমানলৈ সংবিধানে স্বীকৃতি দিয়া চৈধ্যতা ভাষা আছে কিন্তু তাৰে হিন্দীক ৰাষ্ট্ৰীয় ভাষাৰ মৰ্য্যদা দিবৰ কি যুক্তি আছে?— চৰকাৰৰ যুক্তি হল;

১। হিন্দী ভাৰতীয় সৰ্ব্বাধিক লোকৰ ভাষা।

২। ই এটা বহুদিনীয়া ভাৰতীয় ভাষা।

৩। হিন্দীভাষাৰ লিপিসমূহৰ দেবনাগেৰিৰ লিপিৰ লগত বহুপৰিমানে সাদৃশ্য আছে। সেয়ে অহিন্দী লোকৰ বাবেও লিখিব পঢ়িবৰ সুবিধা হব।

৪। অন্তৰ্ভাৰতীয় সংহতিৰ কাৰণে হিন্দীয়েই একমাত্ৰ ভাষা।

৫। অহিন্দীলোকৰ কাৰণে সৰ্ব্বভাৰতীয় চৰকাৰী চাকৰিৰ কাৰণে হিন্দী নজনাৰ বাবে অসুবিধা নহয়।

৬। সৰ্ব্বশেষত কব খোজে যে জাতীয় সংহতিৰ কাৰণে হিন্দীভাষাৰ প্ৰচলন দৰকাৰ, কিন্তু আন প্ৰাদেশিক ভাষাবোৰৰো বিশেষ প্ৰচলন থাকিব।

ওপৰোক্ত কথাবোৰৰ যুক্তি যে নাই সেইটো কব নোৱাৰি। কিন্তু সেইবুলি একেবাৰতে মানি লবও নোৱাৰি। এটা বৃজন সংখ্যক লোকে হিন্দী জানে বুলি যি যুক্তি দেখুৱাইছে সি প্ৰকৃততে সত্য নহয়। কিয়নো ভালকৈ হিচাব নিকাচ কৰি চালে দেখিবলৈ পাওঁযে এটা বৃজন সংখ্যক লোকেই হিন্দী নাজানে। এখন গণতান্ত্ৰিক দেশ হিচাবে সংখ্যালঘু ভাষা এটাক ৰাষ্ট্ৰীয় মৰ্য্যদা দিবলৈ ওলোৱাৰ কোনো যুক্তি নাই। দ্বিতীয়তে হিন্দীভাষাৰ লিপি সমূহ দেবনাগেৰি ভাষাৰ লিপিৰ লগত প্ৰায় একে হোৱাই অহিন্দী লোকেও অতি সহজতে আয়ত্ব কৰিব পাৰিব— ই এটা যুক্তিহীন উক্তি। আমি দেখিবলৈ পাওঁযে অসমীয়া আৰু বঙালী লিপি প্ৰায় একে। কিন্তু সেইবুলি এজন বঙালীলোকে অসমীয়া ভাষা সহজে লিখিব অথবা পঢ়িব নোৱাৰে। আন এটা কথা হল— সৰ্ব্বভাৰতীয় চৰকাৰী চাকৰিৰ ক্ষেত্ৰত অহিন্দী ভাষাক সুবিধা দিলেও সি প্ৰকৃততে সম্ভৱ নহয়। যদি ইংৰাজীৰ পৰিবৰ্ত্তে হিন্দী ভাষা প্ৰচলন কৰে তেতিয়া আৰু সমস্যাৰ সন্মুখীন হব লাগিব; সেইয়া হৈছে হিন্দীভাষাৰ শব্দভাণ্ডাৰ তুলনামূলক ভাবে কম। কিছুমাৰ শব্দৰ প্ৰতিশব্দ পোৱা কঠিন হব। বৰ্ত্তমান হিন্দীভাষাত চলা কঠিন ব্যাকৰণ ৰীতি সৰ্ব্বসাধাৰণে আয়ত্ব কৰিব পৰাকৈ নতুন হিন্দী ব্যাকৰণ প্ৰণয়ন কৰা যুগুত। হিন্দী ভাষাৰ শব্দ-সম্ভাৰ ভাৰতৰ প্ৰাদেশিক ভাষাৰ বহুল ব্যৱহৃত আৰু সহজবোধ্য শব্দ কিছুমানো সন্নিৱেশ কৰা ভাল। সাহিত্যিক

মৰ্য্যাদা ঠিকে ৰাখি এটা সৰ্ব্বভাৰতীয় লৌকিক ৰূপ দিলে হিন্দী ভাষা সৰ্ব্বভাৰতীয় লোকৰ সমাদৃত হব বুলি আমাৰ বিশ্বাস। তাৰোপৰি অৰ্থনৈতিক লাভালাভৰ প্ৰতি এক নিৰপেক্ষ দৃষ্টি ৰখা ৰাষ্ট্ৰীয় ভাষা-আয়োগৰ লক্ষ্য হোৱা বাঞ্ছনীয়। হিন্দীভাষাৰ মাধ্যমত যাতে সংখ্যা গৰিষ্ঠ হিন্দী ভাষী সকলে কোনো ক্ষেত্ৰতে বিশেষ সুবিধা নাপায় সেইপিনে চৰকাৰৰ দৃষ্টি থকা বিধেয়। হিন্দীক প্ৰকৃততে পূৰ্ণপৰ্য্যায়ৰ-ৰাষ্ট্ৰ ভাষা হিচাবে স্বীকৃতি দিয়াৰ আগতে ভাৰতৰ সকলো নাগৰিককে যাতে এই ভাষাৰ প্ৰতি আগ্ৰহান্বিত কৰিব পৰা যায় সেই পিনে চৰকাৰে মনোনিবেশ কৰিব লাগে।

কিন্তু সেইবুলি যে ভাষাৰ প্ৰশ্নটো চিৰদিন এনেদৰে থাকিব সেইটো কোনেও মানি লব নোৱাৰে। এই বিষয়ে আমিও চিন্তা কৰিব লাগিব। চৰকাৰে হিন্দীভাষাৰ বহুল প্ৰচলনৰ ব্যৱস্থা কৰিব লাগিব। বাধ্যতামূলক হিন্দী শিক্ষা দিয়াৰ লাগিব, অৱশ্যে এইক্ষেত্ৰত সময় নালাগিব সেইটো নহয়.। সময় লাগিলেও যে নালাগিব সেইটো নহয়। সময় লাগিলেও সেই সময়ৰ সৎব্যৱহাৰ কৰিব লাগিব। যদি আকৌ বিগত পোন্ধৰ বছৰৰ দৰেই অতিবাহিত হয় তেন্তে সমস্যা-সমস্যা হৈয়ে ৰব, তাৰ সমাধান নহব। তাৰ উপৰিও হিন্দীভাষাৰ ওপৰত বৈজ্ঞানিক আলোচনা চলাই হিন্দীক এটা বিজ্ঞান সন্মত ভাষা ৰূপে গঢ়ি ললে সুবিধা হব যেন লাগে। কিয়নো ভাষা হ'ল— "যি চেষ্টা বা কাৰ্য্যৰ দ্বাৰা মানুহে নিজৰ উচ্চাৰণোপযোগী শৰীৰাৱয়বৰ পৰা উচ্চাৰণ কৰি বৰ্ণাত্মক বা ব্যক্ত শব্দৰ দ্বাৰা নিজ ভাব প্ৰকাশ কৰিব পাৰে।" এইদৰে বিভিন্ন পন্থা অৱলম্বন কৰিহে হিন্দীক ৰাষ্ট্ৰীয় ভাষা ৰূপে ঘোষণা কৰিব লাগে ভাষা এটা এজন মানুহৰ পক্ষে ইমান সহজতে আহৰণ কৰাটো সম্ভৱ নহয়। সেয়ে এই ক্ষেত্ৰত সময় অৱশ্যে লাগিব। নানান আলৈ আহুকালৰ হেঙাৰবোৰ পাৰ হৈ যিদিনাখনৰ পৰা ভাৰতবৰ্ষৰ জনসাধাৰণৰ মাজত মাত্ৰ এটা ভাষা প্ৰচলিত হব তেতিয়া আমাৰ চেতনা শক্তি জাগ্ৰত হব যে ভাৰতবৰ্ষত বাস কৰা আমি সকলোৱেই এটা পৰিয়াল স্বৰূপ আৰু তেতিয়াই আমাৰ মাজৰ বৈষম্যৰ প্ৰাচীৰ আঁতৰি যাব। সভ্যজগতৰ সন্মুখত আমি গৌৰব কৰিব পাৰিম।

শ্ৰীজগন্নাথ বৰুৱা
দ্বিতীয় বাৰ্ষিক কলা

( ৰম্য ৰচনা )

# কান্দোন

কান্দোন এবিধ জন্মগত অভ্যাস। মানুহৰ জন্মৰ লগে লগেই ইয়াৰ তেঁ-তেঁৰনি আৰম্ভ হয় আৰু মৃত্যুৰ লগে লগেই পৰিসমাপ্তি ঘটে। থোৰতে কবলৈ গ'লে ইয়াকে কব লাগিব যে মানুহৰ লগত ইয়াৰ নিবিড় সম্বন্ধ। সেয়েহে যতে ৰাতি ত'ত কাতিৰ নিচিনাকৈ ই প্ৰত্যেকৰে চকুৰে মুখে লাগি ফুৰে। অৰ্থাৎ মুখখনৰ বঙটো অলপ বদলি হৈ চকুৰ পৰা টপ্ টপ্ কৈ বা ধাৰাসাৰে পানী পৰিলেই কন্দাৰ যে ডেফিনিশ্যন্ বুজাইছে সেইটো ধৰি লব লাগিব।

মহাপুৰুষ সকলে কান্দোনক মাইকৈ ছটা ভাগত ভাগ কৰি থৈ গৈছে— (১) উচুপি উচুপি কন্দা, (২) ফেকুৰী কন্দা, (৩) লেনিয়াই লেনিয়াই কন্দা, (৪) ডাঙৰকৈ কন্দা, (৫) সৰুকৈ কন্দা, আৰু (৬) নিশব্দে কন্দা।

***উচুপি উচুপি কন্দা*** :— এইবিধ কান্দোন সৰু লৰা-ছোৱালীৰ প্ৰিয় সঙ্গী। ধৰি লওক, আপুনি আৰু আপোনাৰ স্ত্ৰী চিনেমালৈ বুলি সৰু লৰা-ছোৱালী দুটিক ফুচুলাই মেলি গধূলিতে শুৱাই ঘৰত থকা চাকৰটোৰ হাতত সিহঁতক গটাই দি ওলাই গুচি গ'ল। ইপিনে অলপ দেৰিৰ পাছত দুয়োটা সাৰ পালে। সিহঁতে এতিয়া কি কৰিব? পাৰেমানে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিব। সেই সময়ত চাকৰটোৱে নিচুকাই ক'ব এইদৰে— "মা শৌস কৰিবলৈ গৈছে গা ধুইয়েই আহিব, মোৰ সোণগুটি নেকান্দিবা, মোৰ জানদুটি বাদাম দিম, বিস্কুট দিম, অমুক দিম, তমুক দিম, সাধুকম" ইত্যাদি বাৰে ভচহু কথা কৈ ভুলাবলৈ চাব। তেতিয়া সিহঁতে ডাঙৰকৈ কন্দাটো এৰি উচুপি উচুপি কান্দি থাকিবলৈ ধৰিব মাকক নেদেখা পৰলৈকে। যদিও সিহঁতৰ হাতলৈ কিবা খোৱা বস্তু আহে তথাপি সিহঁতে উচুপি উচুপি কন্দাটো নেৰে। এইবিধ কান্দোনে দুই মিনিটৰ পৰা দুই তিনি ঘণ্টালৈকে আৱাজ চলায়, আৰু নাকটোৰ ফানদুখনে বিন্ধা দুটা সময়ে সময়ে বন্ধ কৰি যায়। আপুনি কোনেও নেদেখাকৈ প্ৰমান কৰি চাওকচোন বাৰু ?

***ফেকুৰী ফেকুৰী কন্দা*** :— এইবিধ কান্দোন ওপজাৰ দুবছৰ মানলৈকে এই সময় ছোৱাৰ ভিতৰত থাকে। এই কান্দোনত অলপ মৰম কৰি চুমা এটা বা দুটা মান খাই দিলেই শাম কাটে। আপুনি আপোনাৰ ঘৰৰ সৰু পানী কেচুৱাটোক এটা ডাবি দি চাওঁকচোন সি কি কৰিব। ওঁঠ দুখন চেপি

ধৰি অলপ বাহিৰলৈ উলিয়াই চকুহুটা অলপ মুদ খুৱাই দিব। ঠিক সেই সময়তে যদি অলপ মৰম কৰি চৈ চৈ কৰি তাক শান্ত নকৰে সি তেতিয়া এনে এবিধ কান্দোন উলিয়াব যি বিধ কান্দোন মাকৰ গাখীৰ খালেহে শান্ত হয় বা কোলাত উঠিলেহে মাৰ যায়। এইয়েই হ'ল ফেকুৰী ফেকুৰী কন্দা।

*লেনিয়াই লেনিয়াই কন্দা* ঃ— ধৰি লওক আপোনাৰ পৰিয়ালটোৱে মেজত বহি একেলগে চাহ খাই আছে। ডাঙৰটোৱে যদি সৰুটোৰ প্লেটৰ পৰা বিস্কুট এখন থপিয়াই লৈ যায় সি কি কৰিব বাৰু? নিশ্চয় লেনিয়াই লেনিয়াই কান্দিবলৈ ধৰিব। মাকে তৎ নেপাই ছুটা মান বস্তু প্লেটত দিলেহে মাত বন্ধ হব। নহলে টপামূৰীয়া বাপেকৰ তালুত খঙে ভমৌক্ ভমৌক্ কৰে জুই উলিয়াব। ইফালে লৰাৰ মাকৰ ফালেটো আধ্যাই। গিৰিয়েকৰ গালিৰ প্ৰতাপত সুৰ নাইকীয়া হব নহয়। লেনিয়াই লেনিয়াই কান্দিলে অপকাৰ কি হয় নেজানো কিন্তু পেটপুজাৰ উপকাৰ হ'লে যথেষ্ট হয়। আপোনাৰ নিজৰ ঘৰত যদি সৰু সৰু লৰা-ছোৱালী আছে ৰাতিপুৱা চাহ খাবৰ সময়ত মন কৰি চাবচোন।

*ডাঙৰৈক কন্দা* ঃ— কেচুৱাৰ পৰা বুঢ়ালৈকে এইবিধ কান্দোন সকলোৱে চিৰপৰিচিত। আপোনাক কোনোবাই ঠাট্টা কৰে চৰ এটা সোধালে আপুনি ভেঁ কৰি মুখখন মেলি যি এটা বিষাদ পূৰ্ণ কণ্ঠস্বৰ উলিয়াব সেয়েই ডাঙৰৈক কন্দা বা চিঞৰি কন্দা বা টেটুফালি কন্দা। এই তিনিবিধ কান্দোনে মানুহৰ বেলেগ Stage ত বেলেগ বেলেগ ৰূপে ধৰা দিছে। যেনে— মানুহ মৰিলে নিশ্চয় আপুনি ডাঙৰ কান্দোন নুশুনাকৈ থকা নাই। অৰ্থাৎ সকলোৱে কান্দে। এদিনাখন আপুনি আপোনাৰ সুলক্ষণীয়া স্ত্ৰীক ভালকৈ এসেকা সেৱাপাতি যোৱাকৈ দি চাবচোন? কি হয় চাব। আপোনাৰ মিচেচে যি কান্দোন উলিয়াব আপুনি ক'বলৈ বাধ্য হ'ব যে— "চিঞৰি চিঞৰি কান্দি মানুহক শুনাব নেলাগে।" অৰ্থাৎ চিঞৰি চিঞৰি কান্দি মানুহক শুনোৱাতকৈ মনে মনে কান্দি বিচনাত পৰি থাকিলেই হ'ল। পিছে আজি কালি আৰু ভাৰ্য্যাক কিলোৱা নিয়ম নাই নহয়? কেনেবাকৈ কিবা এটা গাত পৰিলেই সেইদিনালৈ জুই শালৰ চৰু কেৰাহী উদং। লগতে ছুই তিনি দিনলৈ মাত কথাও বন্ধ। যি কৰা হয় সকলো আলেঙে আলেঙে কৰি যাব। ধৰিলও আপোনাৰ সৰুলৰাটোৱে আৰু ওচৰৰ মাষ্টৰৰ লৰাটোৱে একেলগে মাৰ্ব্বল খেলি আছে। মাষ্টৰৰ লৰাটোৱে আপোনাৰ লৰাটোৰ মাৰ্ব্বলটো লৈ দৌৰ মাৰিলে; তেতিয়া আপোনাৰ লৰাটোৱে বিবুদ্ধিত পৰি যি এপাট টেটুফলা কান্দোন দিব একেপাট কান্দোনতে মাক ওচৰ নেপালেহি দিগদাৰেই আছে। এই গ'ল আমাৰ তিনিবিধ সংমিশ্ৰণত গঢ়ি উঠা ডাঙৰৈক কন্দাৰ ভাবাৰ্থ। এতিয়া আহক সৰুকৈ কন্দালৈ।

*সৰুকৈ কন্দা* ঃ— এইবিধ কান্দোনৰ প্ৰতিপত্তি মহিলাৰ সমাজত বৰ বেছি। আপোনাৰ খুলশালীৰ বিয়াতেই দেখোন সেইটো নিজ চকুৰে দেখিলে। অইনৰ কথাকে নকওঁ

আপুনি পুৰুষহৈ লুকাই চুৰকৈ যিখন কৰিলে সেয়ে আঁতিলেগৈ। বাহী বিয়া দিনা খনততো আপুনি দেখিলেই মাইকী মানুহৰ লগত এইবিধ কান্দোনৰ কিমান মধুৰ যোৰা। থোৰতে ক'বলৈ গ'লে এইবিধ কান্দোনে তুঁহ গুৰি উমি উমি জ্বলাৰ নিচিনাকৈ ডেকা গাভৰুৰ শান্ত হৃদয় অশান্ত কৰি তোলে। ধৰি লওক, আপোনাৰ কলেজত পঢ়া ভায়েকটোৰ লগত আপোনাৰ স্ত্ৰীৰ ভনীয়েকৰ বিৰাট এটা প্ৰেম আছে। অৰ্থাৎ ইটোৱে সিটোক ভাল পায়। কিন্তু এই কথা আপোনালোকে নেজানে। প্ৰেমিকাই প্ৰেমিকালৈ চিঠি দিওঁতে ধৰা পৰিল এদিন। আৰু তাৰ ফল স্বৰূপে সিহঁতৰ প্ৰেমৰ যৱনিকা পৰিল। তেতিয়া সিহঁতে কি কৰিব জানে? সেইদিনা ৰাতি প্ৰেমিকে তাৰ মাকক ক'ব— "মা নেখাওঁ অ'; মোৰ গা বৰ ভাল নাই।" ইফালে প্ৰেমিকাই তাইৰ মাকক ক'ব— "মোৰ ভাত খাবৰ ইচ্ছা নাই; পেটটো বেয়া লাগিছে।" দুয়ো দুফালে বিছনাত পৰি চুপচাপ সৰুকৈ কান্দিব। ডাঙৰকৈ কান্দিলে আকৌ মাকবাপেকে শুনিব নহয়। সেইটো এটা আপদ। ধৰি লওক ছোৱালীজনীয়ে আকৌ এদিনাখন প্ৰেমৰ মায়া এৰিব নোৱাৰি আপোনাৰ ভায়েকলৈ দুপাৰ মান লিখি পঠালে। ভায়েকে কিবা এটা খণ্ডত বেয়াকৈ কেইবা আখৰো লিখি ওচৰেৰে বনাই বোলা লৰা পিয়ন এটাৰ হাতত দি পঠাই দিলে। বেচেৰীয়ে যিমান আনন্দেৰে চিঠিখন পাই বিচনাত শুই পৰিব সিমান বেজাৰেৰে সেইখন পঢ়ি সৰুকৈ কান্দি "মা, ৰাতি ভাত নেখাওঁ মূৰ কামোৰণিয়ে ধৰিছে" বুলি বিছনাতে পৰি থাকিব। তাই যদি সৰু সৰুকৈ নেকান্দি ডাঙৰ ডাঙৰকৈ চিঞৰি কান্দে তেতিয়াতো হৈয়ে গ'ল! মাকে কেনেবাকৈ গম পালে উৰহৰ খং ভাঙাৰিতে তুলি শেষ কৰিব।

*নিশব্দে কন্দা* :— ধৰিলওক আপোনাৰ পৰিয়ালটো আৰু মাষ্টৰৰ পৰিয়ালটোৱে একেলগে বহি চিনেমা চাইছে। তাতে যদি চিনেমাখন বৰ ট্ৰেজেডি বা শোকাবহ হয় আৰু আপোনাৰ অন্তৰত নায়কৰ প্ৰতি দুঃখ দেখি খুব বেজাৰ লাগিছে, তেতিয়া আপুনি বাৰু কি কৰিব? হুক্ হুক্কৈ কান্দি চকুৰ পানী পেলোৱাৰ বাহিৰেতো আৰু আন উপায় নাই। হুক্ হুক্কৈ কান্দিবলৈ গলেও লেঠা; সকলোৰে দৃষ্টি আপোনাৰ ওপৰত পৰিব আৰু লগে লগে আপুনি লাজত পেপুৱা লাগিব। ইমানখিনি নকৰি যদি আপুনি কোনো আৱাজ নোহোৱাকৈ কান্দি আপোনাৰ খুলশালীয় ফুল তুলি দিয়া ৰুমালখনেৰে চকুপানী কেইটোপাল মচি পেলায় তেন্তে কোনেনো গম পাবলৈ যাব? আৰু এটা কথা মন কৰকচোন বাৰু; কলেজত পঢ়া আইদেউ, বাইদেউ সকলে জানো কেতিয়াবা হুক হুককৈ কান্দি ডাঙৰ গলগলীয়া আৱাজ উলিওৱা শুনিছে?

কান্দিলে হেনো মনৰ দুখ পাতলে। মোৰ সহপাঠীৰ পৰাই প্ৰমাণ পালো। মানে, তেওঁ কলেজৰে ছোৱালী এজনীৰ প্ৰেমত পৰিছিল। বেচেৰীয়ে বপুৰাৰ পৰাই বাহিৰা খৰচ আদায় কৰিছিল। পিছে কেইমাহমানৰ পিছত যেতিয়া চৌখিন মাৰোৱাৰী এজনক পালে, বুদ্ধিমতীয়ে তেতিয়া মোৰ বন্ধুক ইস্তফা দিলে। প্ৰেমিক বন্ধুৱে এতিয়া কৰে কি? গতিকে অনুতাপত দগ্ধ হৈ নিশব্দে কান্দি কান্দি কলেজলৈ অহাযোৱা কৰিছে।

কোনোৱে খুলি নকয় বুলিহে! নিশব্দে হেনো বহুতেই কান্দে। মানুহে আনন্দতো কান্দে, আৰু দুখটো কান্দে।